Assam
Legislative Assembly
Debates

OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION,

NO. 9 — 15

The 23rd March, 1992

Price 23.50

CONTENTS

BUDGET SESSION

No. 9

Dated, the 23rd March, 1992

		Pa
1.	Questions and Answers.	1-
2.	Discussion During Zero Hour.	41-
3.	Call Attention Notice.	46-
4.	Matter Uunder Rule 301.	51-
5.	General Discussion on the Budget.	63-1
6.	Adjournment.	1
7.	Annexure I, II, III.	116-1

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday the 23rd March, 1992

The House met at nine of the Clock in the Assembly Chamber, at Dispur with Shri Jiba Kanta Gogoi Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Starred Question No. 141. Hon'ble Member Shri Prafulla Kumar Mahanta.

বিষয়ঃ শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

★ ১৪১। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰ নিৰ্ম্মানৰ কাম চৰকাৰৰ তৰফৰ পৰা সদ্যহতে বন্ধ ৰাখিছে নেকি ?

(খ) উক্ত কলাক্ষেত্ৰ প'ৰিচালনা সমিতিৰ সভা ১৯৯২ চনত কেইবাৰ বহিছে ?

(গ) চৰকাৰে উক্ত কলাক্ষেত্ৰৰ কাম কেতিয়া সম্পূৰ্ণ কৰি উলিয়াৰ ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ তৰফৰ পৰা বন্ধ ৰখা নাই।

(খ) বহা নাই।

(গ) কেন্দ্ৰীয় চৰকাৰৰ পৰা আবন্টিত ধন পোৱাৰ লগে লগে কলাক্ষেত্ৰৰ কাম সম্পূৰ্ণ কৰি উলিয়াব পৰা হব।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে শ্ৰীমন্ত শংকৰদেৱ কলা ক্ষেত্ৰৰ সমিতিখনৰ সদস্য সকল কোন কোন আছে আৰু ১৯৯২ চনত এই সভা কিয় বহা নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সমিতিৰ সভাপতি শ্ৰীহিতেশ্বৰ শইকীয়া আৰু সদস্য সকল ক্ৰমে, ডক্টৰ মহেশ্বৰ নেওগ আয়ুক্ত আৰু সচিব শিক্ষা বিভাগ, উপাচাৰ্য্য গুৱাহাটী বিশ্ববিদ্যালয়, উপাচাৰ্য্য ডিব্ৰুগড় বিশ্ববিদ্যালয়, সঞ্চালক, সাংস্কৃতিক বিভাগ, ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ণ সমিতিৰ সভাপতি, ইত্যাদি। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা খিনি আহি পোৱাহি নাই। গতিকে কাম আৰম্ভ কৰিব পৰা নাই।

★ Speech not corrected

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে এতিয়ালৈকে সভা কিয় বহুওৱা হোৱা নাই ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আগতেই কৈছো যে টকা আহি পোৱা নাই, সেয়েহে সভা আদি বহা নাই।

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে এই "কলা ক্ষেত্ৰৰ" কাৰণে দিয়া মাটি কোনোবাই বেদখল কৰিছে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনে দুই এটা অভিযোগ আছে।

★ শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনত এই কলা ক্ষেত্ৰৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা দিয়া হৈছিল নেকি ? আৰু যদি হৈছিল, সেই টকা কামত নলগোৱাকৈ ঘূৰি গৈছে নেকি ? আৰু মাটি যে বেদখল হৈ আছে সেইবোৰ উচ্ছেদ কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰক আমি ১৫ লাখ টকা বিচাৰিছিলো। কিন্তু টকা আহি পোৱাহি নাই। বেদখলৰ বিষয়ে অভিযোগ পাই আছো যদিও টকা নোপোৱাৰ কাৰণেই কোনো কাম হাতত লব পৰা নাই।

Mr. Speaker : Now, Starred Question No. 142

বিষয় : বিজ্ঞান সন্মত ভৱন।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে :

★ ১৪২। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী ৰবীন্দ্ৰ ভৱনটো অত্যাধুনিক বিজ্ঞান সন্মত ভৱনলৈ ৰূপান্তৰিত কৰাৰ কথা চিন্তা কৰিছে নেকি ?

(খ) এই ভৱনটোৰ বাবে কিমান পুঁজিৰ আবণ্টন দিয়া হৈছে আৰু কেতিয়াৰ পৰা এই কামটো আৰম্ভ কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, চিন্তা কৰা হৈছে।

(খ) বৰ্তমান দিয়া নাই।

★ Speech not corrected

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ৰবীন্দ্ৰ ভৱনটো অত্যাধুনিক বিজ্ঞান সন্মত ভৱনলৈ ৰূপান্তৰিত কৰাৰ বিষয়ে কি চিন্তা কৰিছে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী ৰবীন্দ্ৰ ভৱনটো অত্যাধুনিক ভাৱে শীত-তাপ নিয়ন্ত্ৰিত কৰাৰ ব্যৱস্থা কৰা হৈছে। পানীৰ সু-ব্যৱস্থাৰ কাৰণে গভীৰ নলী-নাদ বহুওৱাৰ ব্যৱস্থা কৰা হৈছে। বৈদ্যুতিক আৰু কাপোৰখন যন্ত্ৰ চালিত কৰাৰ ব্যৱস্থা কৰা হৈছে।

বৰ্ত্তমান এই ভৱনটোৰ পাৱাৰ জেনেৰেটৰ বহুওৱা হৈছে। ৰবীন্দ্ৰ ভৱনৰ অতিথি শালা গৃহটো সম্পূৰ্ণ হৈছিল যদিও ৰাজ্যিক সংগীত মহাবিদ্যালয়খন উক্ত গৃহতে চলাই থকাৰ কাৰণে ইয়াক অতিথিশালা হিচাবে ব্যৱহাৰ কৰিব পৰা হোৱা নাই। তাৰোপৰি ৰবীন্দ্ৰ ভৱনৰ মঞ্চৰ আঁৰ কাপোৰৰ কাৰণে কনট'ৰ কাৰটেইন কৰাৰ কথা চিন্তা কৰা হৈছে। ৰবীন্দ্ৰ ভৱনটো শীত-তাপ নিয়ন্ত্ৰিত কৰণৰ কাৰণে গড়কাপ্তানী বিভাগৰ লগত যোগাযোগ কৰা হৈছে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এই বছৰতে কাম খিনি আৰম্ভ কৰা হ'বনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰতে কাম আৰম্ভ কৰা হব।

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে যে ৰাজ্যখনৰ সংগীত মহাবিদ্যালয়খন অতিথিশালা গৃহতে কিয় চলাই থকা হৈছে ? দ্বিতীয়তে, ইয়াক স্থানান্তৰ কৰিবলৈ কি ব্যৱস্থা লোৱা হব ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে মাটি লব পৰা নাই। যদিও এই বিষয়ে চিন্তা কৰা হৈছে। মাটি চাই থকা হৈছে আৰু মাটি লব পৰা হব।

★ শ্ৰীজগন্নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৰবীন্দ্ৰ ভৱনৰ দৰে এটা আজান ফকিৰৰ ভৱনো নিৰ্মান কৰিবৰ কাৰণে চৰকাৰে বিবেচনা কৰিবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেইটো কৰিব পৰা হব।

Mr. Speaker : Now, Starred Question No 143.

★ Speech not corrected

বিষয়: চিভিল মহকুমা

শ্ৰীলিয়াকত আলী খানয়ে সুধিছে:

★ ১৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বৰপেটা জিলাৰ কলগাছিয়াত নিৰ্ব্বাচনৰ সময়ত ঘোষনা কৰা 'চিভিল মহকুমা' খন স্থাপনৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হবনে?

(খ) যদি হয়, কিমান দিনৰ ভিতৰত হব?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

(খ) কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

★ শ্ৰীলিয়াকত আলী খান: মাননীয় অধ্যক্ষ মহোদয়, কলগাছিয়াত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিৰ্ব্বাচনৰ সময়ত পিচপৰা ৰাইজৰ উন্নয়নৰ কাৰণে এটা চাব ডিভিজন কৰা কথা আছিল। ইয়াৰ মাজতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তালৈ যোৱাৰ কথা আছিল কিন্তু যোৱা নহল কাৰণ শুনিবলৈ পাইছো ৰাস্তা পদুলি ভাল নোহোৱা কাৰণে সেই ভ্ৰমনসূচী স্থগিত ৰাখিলে। কিন্তু নিৰ্ব্বাচনৰ আগত্তে তেখেতে সেই অঞ্চলৈ গৈছিল আৰু নিৰ্ব্বাচনৰ পিচত জয়ী হৈ আহিলে চাৰডিভিজন কৰি দিয়াৰ কথা ঘোষনা কৰিছিল। কিন্তু এতিয়া সেই ভয়তে ৰাইজে ধৰিব বুলি যোৱা নাই নেকি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ আগতে কংগ্ৰেছৰ ক্ষেত্ৰত কাম কৰি দিম বুলি তাৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেই প্ৰতিশ্ৰুতি পালন কৰাৰ পৰিচয় পোৱা আজিলৈকে নগল।

★ শ্ৰীলিয়াকত আলী খান: মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰ জয়ী হৈছে যেতিয়া চাব-ডিভিজন এটা হব লাগে

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ মতি-গতি শুভ হওঁকচোন।

★ শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ: মাননীয় অধ্যক্ষ মহোদয়, নতুন কৰে যেগুলি জেলায় মহকুমা খোলা হলো, যেমন শিলচৰ জেলাৰ লক্ষিপুৰকে নতুন মহকুমা হিসাবে ঘোষণা কৰা হলো থিক সেইভাবে হাইলাকান্দি জেলাৰ 'লালা'কে মহকুমা কৰা হবে কি না?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বেলেগ প্ৰশ্ন লাগিব।

★ শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, চিভিল মহকুমা স্থাপন কৰাৰ কিবা ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মহকুমা কৰিবৰ বাবে বেলেগ সমিতি গঠন কৰা আছে। তেওঁলোকে চিন্তা কৰিব।

★ শ্ৰী আলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পিচপৰা জাতিৰ উন্নয়নৰ কাৰণে পপুলেচনৰ ভিত্তিত একোটাকৈ দ্বিতীয় মহকুমা গঠন কৰাৰ কাৰণে আমাক আশ্বাস দিব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছোঁ যে ইয়াৰ সম্পৰ্কে এখন বিশেষ কমিটী আছে। তেওঁলোকৰ সিদ্ধান্ত অনুসৰিহে বিবেচনা কৰা হ'ব।

মাননীয় অধ্যক্ষ : এতিয়া প্ৰশ্ন নং ১৪৪।

বিষয়—ঢেকীয়াজুলি মহকুমা গঠন

★ শ্ৰীহিৰণ্য বৰায়ে সুধিছে :

১৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোনিতপুৰ জিলাত ঢেকীয়াজুলি মহকুমা এটি গঠন কৰাৰ বাবে ৰাইজে কৰি অহা আবেদনৰ প্ৰতি চৰকাৰ অবগত নে ?

(খ) যদি অবগত ৰাইজৰ দাবীৰ প্ৰতি সন্মান জনাই চলিত বছৰতে ঢেকীয়াজুলি সদৰ হিচাবে লৈ ঢেকীয়াজুলিত এটা মহকুমা গঠন কৰিবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

★ শ্ৰীহিৰণ্য বৰা : অধ্যক্ষ মহোদয়, চৰকাৰৰ এই বিষয়টো পৰীক্ষা কৰোতে আৰু কিমান সময় লাগিব জনাবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো দেখা গৈছে যে প্ৰত্যেক সমষ্টিতে একোটাকৈ মহকুমা লাগে বুলি প্ৰতিবেদন আহি আছে। গতিকে সেই হিচাবে সময় লাগিব।

★ Speech not corrected

★ শ্ৰীহিৰণ্য বৰা : অধ্যক্ষ মহোদয়, ৰাইজৰ দাবীলৈ চাই আৰু ঢেকীয়াজুলি অঞ্চলৰ ৰাইজৰ স্বাধীনতা আন্দোলনৰ সময়ত যি অৱদান আৰু ত্যাগ তাক ভালকৈ সন্মান জনাই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বছৰৰ ভিতৰতে ঢেকীয়াজুলিত এটা চাব ডিভিজন ঘোষণা কৰিবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই উত্তৰত কৈছো যে এই বিষয়টো বিবেচনাধীন হৈ আছে।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, মহকুমা গঠনৰ নীতি কি ? ৰাইজৰ দাবীৰ ওপৰত নে চৰকাৰৰ অন্যান্য দৃষ্টিভঙ্গী লৈ মহকুমা ঘোষণা কৰা হয় ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া : (মুখ্যমন্ত্ৰী) অধ্যক্ষ মহোদয়, প্ৰশাসনীয় গুৰুত্বলৈ চাই মহকুমা গঠন কৰা হয়।

Mr. Speaker : Now, Starred Question No. 145.

Re : Bilasipara Civil Sub-Division.

Shri Giasuddin Ahmed asked :

★ 145. Will the Chief Minister be pleased to state :

(a) The date of inauguration of the Bilasipara Civil Sub-Division ?

(b) How many S.D.O,s were posted in the said Sub-Division since its inception ?

Shri Hiteswar Saikia (Chief Minister) replied :

( ) 14th November, 1989.

(b) 4 full charge Sub-Divisional Officers, 1 Addl. Deputy Commissioner incharge.

★ Shri Giasuddin Ahmed : Sir, may I know the names of those Sub-Divisional Officers and the period for which each of them served there ?

★ Shri Hiteswar Saikia (Chief Minister) : The information is as follows :

1) Shri Dhrubajyoti Hazarika, ACS- He was there

★ Speech not corrected

with effect from 10.11.89 to 5.4.91: He was transferred on promotion.

2) Dr. Upendra Nath Bora, ACS—He was there from 5.4.91 to 11.9.91. He was transferred on his own representation.

3) Shri Jatindra Laskar, ACS— He was there from 12.9.91 to 28.11.91. He was transferred on promotion.

4) Shri Sachindra Nath Barman, ACS— He was there from 28.11.91 to 14.2.92.

5) Shri Carol Narzary, ACS— He was as Addl. DC in charge from 14.2.92 till a regular substitute is posted.

★ Shri Giasuddin Ahmed : May I know who was the acting S.D.O. during the intervening period ?

★ Shri Hiteswar Saikia (Chief Minister): After Shri Barman, Shri Carol Narzary was asked to remain in-charge.

★ Shri Giasuddin Ahmed : Whether the Government is aware of the fact that prior to the transfer of Shri Laskar, one Shri Mazumdar was there as in-charge ?

★ Shri Hiteswar Saikia (Chief Minister): That information is not with me.

★ Shri Giasuddin Ahmed: Whether Government consider such frequent transfer of S.D.O,s in a new Sub-Division will hamper proper functioning of the Sub-Division ?

★ Shri Hiteswar Saikia (Chief Minister): Sir, most of them remain their for two years or so. In case of Shri Barman, he was transferred in a short time. We will see that no officer is transferred within a short period.

★ Speech not corrected

★ শ্ৰীমনসিং ৰংপি ঃ অধ্যক্ষ মহোদয়, চৰকাৰে জানেনে যে, বোকাজান অঞ্চলৰ এড়োখৰ ঠাই চাব-ডিভিজন হিচাবে ঘোষণা কৰা হৈছে ? কিন্তু এই চাব ডিভিজনৰ হেড কোৱাটাৰ ক'ত আৰু সেই চাব ডিভিজনৰ এচ, দি, অ' কোন জনাবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন। ইতিমধ্যে মই নিৰ্দ্দেশ দিছো যে যিবিলাক নতুন জিলা আৰু মহকুমা গঠন হৈছে তালৈ সকলোবিলাক অফিচ যাব লাগে।

Mr. Speaker : Now, Starred Question No 149.

Re : Arrest after ceasefire by ULFA.

★ Shri promode Gogoi, asked :

146 Will the Chief Minister be pleased to state.

(a) Whether the Army and police have arrested/detained large number of people after declaration of ceasefire by ULFA in January, 1992 ?

(b) If so the number of people to arrested in different Districts of Assam and charges framed against them ?

★ Shri Hiteswar Saikia (Chief Minister) replied ;

(a) Police/Army arrested 117 persons after ceasefire by ULFA:

(b) Districtwise number of persons arrested given below. All the person have been arrested for their involvement in extremists activities under the provisions of TADA. (P) Act, unlawful Activities Act/Arms Act and provisions of IPC/CRPC.

District	Police	Army	Total
Guwahati City	3	6	9
Golaghat Dist.	—	3	3
Jorhat Dist.	1	13	14
Sibsagar Dist.	—	2	2
Nalbari Dist.	—	2	2

Dibrugarh Dist.	-	10	10
Tinsukia Dist	3	7	10
Lakhimpur Dist	-	12	12
Sonitpur Dist	2	11	13
Darrang Dist.	-	6	6
Dhemaji Dist:	2	4	6
Barpeta Dist.	1	5	6
Goalpara Dist.	-	4	4
Dhubri Dist.	1	3	4
Bongoigaon Dist	1	9	10
Kamrup District.	-	6	6
TOTAL	14	103	117

★ Shri Promode Gogoi : Sir, as to the reply to (a) there were serious allegations in the press that most of the people arrested by the Army were tortured and subsequently they had to be Hospitalised. Therefore, may I know from the Hon'ble Chief Minister how many of those 117 persons arrested were tourtured by the Army in their camps and how many of them had to be hospitalised and their nature of injuries?

★ Shri Hiteswar Saikia (Chief Minister) : Sir, I do not have the report with me now.

★ Shri Promode Gogoi : Sir, I hope the Hon'ble Chief Minister will furnish the details of the injuries caused to arrested persons by the Army and how many of them had to be hospitalised. I will ask another supplementary, Sir, during the operation of black laws Hon'ble High Court ordered that all the

★ Speech not corrected

arrested persons had to be placed or handed over to the nearest Police Station within-24 hours Whether all the 117 arrested persons had been handed over to the nearest Police Station as per direction of the Hon'ble Court ?

★ Shri Hiteswar Saikia (Chief Minister) : Sir, is the report on torture is there I will place it before the House. Now as to the Second part of the supplementary whether the arrested persons were handed over to the nearest Police Station, I will submit a report on this.

★ শ্ৰীজয় নাথ শৰ্মা :— অধ্যক্ষ মহোদয়, এইটো দেখা গৈছে যে অধিকাংশ লোকক আৰ্মিয়ে গ্ৰেপ্তাৰ কৰি তেওঁলোকব কেম্পলৈ লৈ যায় ২৪ ঘণ্টাৰ পিছতো ৰাখি থয়। গতিকে মই মুখ্যমন্ত্ৰী মহোদয় পৰা জানিব বিচাৰিছো যে আৰ্মিয়ে গ্ৰেপ্তাৰ কৰি কেম্পত ২৪ ঘণ্টাৰ অধিক সময় ৰাখি থোৱা কেচ অসমত কিমান আছে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই বিভাগৰ পৰা খবৰ লম আৰু ৰিপোৰ্ট আহিলে সদনত জনাম।

★ Shri promode Gogoi : Sir, as replied to by Hon'bel Chief Minister, there were 117 persons arrested after the declaration of cease fire by ULFA and the Hon'ble Chief Minister has agreed to furnish the details cf injuries caused to their parson during torture by Army. Therefore, may I request the Hon'ble Chief Minister, through you, Sir, to furnish all the details about 117 persons arrested by the Army, their nature of injuries and how many of them had to be hospitalised and out of 117 persons how many of them were

★ Speech not corrected

produced to the nearest Police Station as directed by the Hon'ble High Court, during the current session of the Assembly:

Shri Hiteswar Saikia (Chief Minister) : I will do it, Sir.

★ শ্ৰীজয় নাথ শৰ্মা :--- অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী জনাবনে যে আলফাই অস্ত্ৰ সমৰ্পণ কৰাৰ পিচতো আৰ্মিয়ে কি কাৰণে অভিযান চলাই আছে ? ১৭০ জন মানুহক কি কাৰণে গ্ৰেপ্তাৰ কৰিব লগা হৈছে ? আৰু এই ১৭০ জন মানুহক গ্ৰেপ্তাৰ কৰাত আলোচনাত বাধা পৰা নাই বুলি চৰকাৰে নাভাবেনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :-- অধ্যক্ষ মহোদয়, সংযুক্ত মুক্তি বাহিনীৰ নেতৃত্ব সকলক ১৫ ডিচেম্বৰ তাৰিখতে মুকলি কৰি দিয়া হৈছিল আৰু ১৭ জানুৱাৰী তাৰিখত তেওঁলোকে চিজ ফায়াৰ ঘোষণা কৰিছিল। কিন্তু চৰকাৰে এইটো মানিলোৱা নাছিল। ১২ জানুৱাৰী তাৰিখে প্ৰধানমন্ত্ৰীক লগ কৰাৰ পিচত এই কথাতো কাৰ্যকৰী কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছিল। ১৪ জানুৱাৰীৰ পৰা আৰ্মিৰ একচন লোৱা হৈছে। ১৭ ডিচেম্বৰৰ পৰা ১৩ জানুৱাৰীৰ ভিতৰত এই কথাটো হৈছে।

Mr. Speaker : Now starred question 147.

Re : VISA Office.

Shri Mission Ranjan Das asked :

147. Will the Chief Minister be pleased to state. Whether the State Government will take up the matter with the Central Government for a VISA office in Barak Valley ?

Shri Hiteswar Saikia (Chief Minister)

The question of taking up with the Central Government in the matter of opening a V I S A office in Barak Valley is not felt necessary at present as there is no such proposal with the Government.

★ Shri Mission Ranjan Das : As I know there were many

★ Speech not corrected

proposals to the Chief Minister for opening a VISA office in Barak Valley. Hon'ble Chief Minister may not be aware of the fact. But I know Barak Valley people have to go to Agartala for their VISA where they are tortured and extorted for getting the VISA. In newspapers also such report of torture and extortion appeared on a number of occasions. So it is necessary that one VISA office should be opened in Barak Valley. Will the Chief Minister take up the the matter with the Central Government. ?

★ Shri Hiteswar Saikia (Chief Minister) We will look into the matter.

বিষয়— শিক্ষকৰ মৃত্যু।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :

★ ১৪৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯২ চনত বঙাইগাওঁ থানাৰ লক-আপ (lock-up) ত শ্ৰীডিগম্বৰ নামৰ এজন শিক্ষক মৃত্যু হোৱা কথাটো সঁচানে ?

(খ) যদি সচা হয়, শ্ৰীনাথক কি অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল ?

(গ) শ্ৰীনাথৰ পৰিয়ালক শ্ৰীনাথৰ মৃত্যু বাবে ক্ষতিপূৰণ দিয়া হৈছেনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) শ্ৰীডিগম্বৰ নাথে আলফা কৰ্মীক আশ্ৰয় দিয়া আৰু অস্ত্ৰ-শস্ত্ৰ ঘৰত লুকুৱাই ৰখাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হয়। তেওঁ লক-আপত আত্মহত্যা কৰে।

(গ) যিহেতু শ্ৰীনাথ নিৰ্দিষ্ট গোচৰত অভিযুক্ত আৰু আত্মহত্যা কৰিছে সেয়েহে ক্ষতিপূৰণ দিয়া প্ৰশ্ন নুঠে।

★ শ্ৰীফনীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে

(খ) উত্তৰত কৈছে যে ডিগম্বৰ নাথক আলফা কৰ্মীক আশ্ৰয় দিয়া আৰু অস্ত্ৰ-শস্ত্ৰ লুকুৱাই থোৱা কাৰণে গ্ৰেপ্তাৰ কৰা হৈছে, এতিয়া কথা হৈছে, তেওঁলোকৰ ঘৰত অস্ত্ৰ-শস্ত্ৰ পাইছে নে নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, শিৱশংকৰ নামৰ এজন লোক আলফাই অপহৰণ কৰিছিল আৰু তেওঁক নাথৰ ঘৰতে লুকুৱাই ৰখা হৈছিল।

★ শ্ৰীফনী ভূষন চৌধুৰী ঃ তেখেতে আত্মহত্যা কৰিছে বুলি কৈছে কিন্তু কেনে ধৰণে আত্মহত্যা কৰিছে ?

★ শ্ৰীহিতেশ্ব শইকীয়া (মুখ্যমন্ত্ৰী) : গা'মোছাৰে ছিপজৰী লৈ আত্মহত্যা কৰিছে।

★ শ্ৰীফনী ভূষণ চৌধুৰী : তেওঁ যিটো লক-আপত আছিল তাত অন্য অপৰাধী আছিল নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ সেইটো নাজানো।

★ শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনত ৰখা হব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : ৰখা হব।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্ৰশ্ন নং ১৪৯।

বিষয় ঃ নতুন মহকুমা গঠন

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

★ ১৪৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান চৰকাৰৰ কাৰ্য্যকালত মুঠ কিমানখন নতুন মহকুমা গঠন কৰা হল ?

(খ) নতুনকৈ হোৱা মহকুমা কেইটাৰ নাম কি ?

(গ উক্ত মহকুমা কেইটা কি স্বৰ্ত্ত সাপেক্ষে গঠন কৰা হল ?

(ঘ) দীৰ্ঘদিনীয়া ৰাইজৰ দাবীৰ পৰিপ্ৰেক্ষিতত মৰান, নাহৰকটীয়া আৰু দেৰগাওঁক কিয় মহকুমা গঠনৰ ব্যৱস্থা গ্ৰহন কৰা নাই ?

(ঙ) নতুনকৈ মহকুমা গঠনৰ প্ৰস্তাৱ লৈছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১।৪।৯২ তাৰিখে তিনিখন মহকুমা গঠন কৰাৰ বাবে চৰকাবে সিদ্ধান্ত লৈছে।

(খ) (১) লক্ষীপুৰ মহকুমা (কাছাৰ জিলা)

(২) বোকাখাট মহকুমা (গোলাঘাট জিলা)

(৩) নাজিৰা মহকুমা (শিৱসাগৰ জিলা)

(গ) প্ৰশাসনীয় সুবিধা আৰু প্ৰশাসনক ওচৰ চপাই অনাৰ উদ্দেশ্যে

★ Speech not corrected

মহকুমা গঠন কৰা সিদ্ধান্ত লোৱা হৈছে।

(ঘ) বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

(ঙ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(চ) মেচার্চ অমৰজিৎ কনষ্ট্ৰাকচন কোঃ

★ শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তিনিখন ঠাইত মহকুমা গঠন কৰাৰ কাৰণে চৰকাৰে সিদ্ধান্ত লৈছে, মই আন এটা পৰিপূৰক প্ৰশ্ন কৰিব বিচাৰিছো সেইটো হ'ল চৰকাৰে আৰু কোন কোন ঠাইত জিলা আৰু মহকুমা গঠন কৰাৰ কাৰণে চিন্তা কৰিছে নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওচৰলৈ এই সম্পৰ্কত বহুতো প্ৰতিবেদন আহিছে, মৰাণ, নাহৰকটীয়া ইত্যাদি বিভিন্ন ঠাইৰ পৰা আহিছে এই ক্ষেত্ৰত আমাৰ এখন কমিটি আছে আৰু এই কমিটিত এই গোটেই কথা বিলাক বিবেচনা কৰা হয়, গতিকে তেওঁলোকৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিহে এই বিষয়ে কব পৰা হব।

★ Shri Mission Ranjan Das : There is a proposal for creation of a Sub-Divison in Karimganj District. Karimganj District was created in 1983 by then Congress Government. But the Proposal for creation of the new Sub-Division under Karimganj District has not yet been fulfilled. Will the Chief Minister assure that this proposal will materialise now ?

★ Sri Hiteswar Saikia (Chief Minister) : There is a separate question on Ramkrishnangar and I will reply to it.

★ শ্ৰীদেৱান জয়নাল আবেদন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৩ খন মহকুমাৰ কথা কৈছে তাৰ ভিতৰত লক্ষীপুৰ মহকুমাৰ কথা কৈছে, এইটো লক্ষীমপুৰ জিলাত নহয়, এইটো গোৱালপাৰা জিলাত হে' গতিকে মন্ত্ৰী মহোদয়ে কব নে এই জিলা লক্ষীমপুৰৰ কথা কৈছে সেইটো গোৱালপাৰা জিলাত লোৱা হব নে ?

★ Speech not corrected

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কমিটীয়ে যিটো বিবেচনা কৰিছে সেই মতে হ'ব।

★ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, এই যিবিলাক নতুন নতুন মহকুমা গঠন কৰা হৈছে বা হ'ব সেইবিলাক ৰাজনৈতিক স্বাৰ্থত নকৰি নিৰপেক্ষ দৃষ্টিত কৰা হ'ব নেকি কিয়নো নাজিৰা সমষ্টিত যেনেকৈ মহকুমা গঠন কৰা হ'ল তেনেকৈ নকৰি নিৰপেক্ষ দৃষ্টি ৰাখি ৰহাত মহকুমা গঠন কৰাৰ কাৰণে চিন্তা কৰিব নেকি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কমিটীৰ ওপৰত নিৰ্ভৰ কৰিব।

★ শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, নাজিৰাত যিহেতু হৈছে ৰহা আৰু আৰু ছিপাঝাৰতো হ'ব নেকি?

মাননীয় অধ্যক্ষ: খুমটাইত কিয় পত্তা নহ'ব?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কমিটীৰ ৰিপোৰ্টৰ ওপৰত নিৰ্ভৰ কৰে।

★ শ্ৰীহিৰণ্য বৰা: অধ্যক্ষ মহোদয়, এই যিখন জিলা আৰু মহকুমা গঠন সম্পৰ্কত থকা কমিটী আছে এই কমিটীখনৰ বৈঠক এতিয়ালৈকে কিমান দিন বহিছে আৰু কিমান দিনৰ মূৰে মূৰে বহে সেই বিষয়ে জনাবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): সাধাৰণতে ৩/৪ মাহৰ অন্তৰে অন্তৰে হয়।

★ শ্ৰীশশ কমল সন্দিকৈ: মাননীয় অধ্যক্ষ মহোদয়, এই যিবিলাক মহকুমা গঠন কৰাৰ কথা হৈছে সেইবিলাক আৰ্থিক দিশৰ পৰা লক্ষ্য কৰি অৰ্থাৎ কৰ সংগ্ৰহ ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি কৰা হয় নেকি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অকল সেইটোৱেই নহয় আৰু বহুতো দিশ পৰ্য্যবেক্ষন কৰি এই মহকুমা বিলাক গঠন কৰাৰ ঘোষণা কৰা হয়। ধৰক বোৰ্ডাৰ সমস্যা, ইত্যাদি কথাবিলাক চোৱা হয় যেনেকৈ ধনশিৰী মহকুমা গঠন কৰা হৈছে।

★ শ্ৰীপ্ৰমোদ গগৈ : অধ্যক্ষ মহোদয়, নতুনকৈ যিবিলাক মহকুমা গঠন কৰাৰ সম্পৰ্কত চৰকাৰে ঘোষণা কৰিছে সেইটোত আমাৰ আপত্তি নাই। কিন্তু এই মহকুমা বিলাক গঠন কৰোতে মহকুমা বিলাকৰ সীমা বা বাউণ্ডাৰীৰ ক্ষেত্ৰত ৰাইজৰ ফালৰ পৰা আপত্তি আহিছে কাৰণ কোনটো মহকুমাৰ কিমানলৈ সীমা সেইটো ভালদৰে নিৰ্দ্ধাৰণ কৰা হোৱা নাই। গতিকে ৰাইজৰ মতামত সাপেক্ষে মহকুমা বিলাক

★ Speech not corrected

গঠন কৰাৰ সম্পৰ্কত বিবেচনা কৰা হব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) : কৰা হৈছে আৰু আগলৈকো কৰা হব।

Mr. Speaker : Starred question No. 150.

Re : Appointment on Ad-hoc Basis.

Shri Derhagra Mochahary asked :

★ 150 Will the Minister Cultural Affairs be pleased to state :

(a) Whether it is a fact that some cultural officers were appointed on Ad-hoc basis representing all sheds of community ?

(b) If so, the officer appointed to represent Deori community ?

(c) Whether it is a fact that the above officer never attended office and did not go to the place of his Positing ?

(d) Whether it is a fact that the said officer has been drawing salary even though he did not attend office ?

(e) Whether it is also a fact that the officer is abscc-nding due to involvement in a rape case ?

(f) Will the Government enquire into the matter and take necessary steps in this regard ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) yes;

(b) Shri Bidyadhar Deori representing the Deori Community was appointed as Officers-In-Charge, Naraynpur Cultural Centre.

(c) No.

He attended Head Office upto 13-11-91. After that he has taken earned leave on Medical Ground from 14-11-91 to 29-12-91. Now he has been instructed to proceed to the place of posting immediately for starting the centre.

★ Speech Not correctod

(d) Does not arise.

(e) Not known,

(f) If specific allegations are received, enquiry may be ordered.

★ Shri Dilip kumar Saikia : May I know from the Chief Minister whether officers are appointed on community-wise or on merit ?

Shri Hiteswar Saikia (Chief Minister) : It is both comunity and on merit.

বিষয় : ষ্টেডিয়াম নির্মাণ।

শ্রীচন্দন কুমাৰ সৰকাৰে সুধিছে :

★ ১৫১। মাননীয় ক্রীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৮৫ চনৰ পৰা আজিলৈকে অসমত কিমানখন ষ্টেডিয়ামৰ কাম সম্পুৰ্ণ কৰা হল আৰু কিমান টকা খৰছ হল ?

(খ) উত্তৰ শালমৰা মহকুমাৰ অভয়াপুৰীত প্রস্তাৱিত চৰকাৰী মাটিত ষ্টেডিয়াম নির্মাণ কৰাৰ আঁচনি আছে নেকি ?

(গ) যদি আছে কেতিয়া কাম সম্পূর্ণ হব ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) এখনৰো কাম সম্পূর্ণ হোৱা নাই। এতিয়ালৈ ১০৫'২৪লাখ টকা খৰছ হৈছে।

(খ) নাই।

(গ) প্রশ্ন নুঠে।

★ শ্রীসুৰেণ স্বৰ্গীয়াৰী : ৰাজ্যখনৰ প্রতিটো ব্লক এৰিয়াত মিনি ষ্টেডিয়ামৰ প্রস্তাৱ আছে নেকি ? যদি আছে তেন্তে আটাইবোৰ মহকুমাক সামৰি মিনি ষ্টেডিয়াম স্থাপনৰ কাম সমাধা কৰিব নেকি ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : ব্লক পর্য্যায়ত ষ্টেডিয়াম কৰাৰ কথাটো আগৰ চৰকাৰৰ সিদ্ধান্ত আছিল। সেই মতে কাম কৰি থকা হৈছে।

★ Speech not corrected

★ শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : ১৯৯০ চনত টিয়ক সমষ্টিত এখন মিনি ষ্টেডিয়াম ঘোষণা কৰা হৈছিল। এতিয়ালৈকে কাৰ্য্যকৰী হোৱা নাই। গতিকে ব্যৱস্থা লবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : তেনে বহুত সিদ্ধান্ত আছিল। পৰ্যায়-ক্ৰমে কৰি যাম।

★ শ্ৰীচন্দন কুমাৰ সৰকাৰ : মোৰ প্ৰশ্নটো আছিল ১৯৮৫ চনৰ পৰা আজি লৈকে কিমান ষ্টেডিয়াম সম্পূৰ্ণ হোৱা নাই আৰু টকা কিমান খৰছ হ'ল। উত্তৰত কৈছে অলপ খৰছ হৈছে। ক'ত ক'ত খৰছ হৈছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী) : ১৯৮৫ চনত প্ৰায় ১৫ খন ষ্টেডিয়াম কেন্দ্ৰীয় চৰকাৰৰ অনুদানত কৰা হৈছে আৰু ৫৬ খন মিনি ষ্টেডিয়াম ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৰি থকা হৈছে।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : ১৫ খনৰ বাবে প্ৰয়োজনীয় টকা নোপোৱাকৈ সকলো বিলাকৰ কাম আৰম্ভ কৰিছে। ধুবুৰীত ষ্টেডিয়াম নিৰ্মাণ কৰাৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছে, এতিয়া অৰ্থৰ অভাৱত বন্ধ হৈ আছে নেকি ? কেইখন মিনি ষ্টেডিয়াম গোটেই ৰাজ্যত ইতিমধ্যে আৰম্ভ কৰা হৈছে ?

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক মন্ত্ৰী) : চেণ্ট্ৰেল গৱৰ্ণমেণ্টৰ টকা পোৱা হৈছে আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৰা হৈছে

শ্ৰীআলাউদ্দিন সৰকাৰ : কোনো এখন সম্পূৰ্ণ নকৰাকৈ সকলো বিলাক আৰম্ভ কৰি বন্ধ হৈ আছে।

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক মন্ত্ৰী) : আগৰ চৰকাৰৰ পৰা আৰম্ভ কৰা হৈছে।

★ Shri Parameswar Brahma : Mr. Speaker Sir, a stadium was sanctioned at Kokrajhar but we do not know anything about the progress. Will the Minister kindly inform us about the progress of work of the stadium ?

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক মন্ত্ৰী) অৰ্থৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা নাই।

★ শ্ৰীনগেন শৰ্মা : আগৰ চৰকাৰে অনুদান দিয়াৰ কাৰণে হয়তো কামবোৰ বন্ধ ৰাখিছে। যোৱা বছৰৰ পৰা কোনো ষ্টেডিয়ামৰ কাম হোৱা নাই। আনটো

★ Speech not corrected

প্ৰশ্ন হৈছে যে ষ্টেডিয়াম নিৰ্মাণ কৰোতে বিভাগত এক্সপাৰ্ট আছেনে নাই ?

★ শ্ৰীইন্দ্ৰ গগৈ (ৰাজ্যিক মন্ত্ৰী) আগৰ চৰকাৰে দিয়াৰ কাৰণে বাদ দিয়া নাই। অৰ্থৰ অভাৱত কৰিব পৰা নাই। বিভাগীয় এক্সপাৰ্ট আছে।

Mr. Speaker : Now Starred Question No. 152

Re : Population Pattern.

Shri Samarendra Nath Sen asked :

★ 152. Will the Chief Minister be pleased to state :

(a) Whether the Government is aware that the continued infiltration from across the border in Barak Valley is causing serious change in the population pattern ?

(b) If so, what steps is being taken to stop the infitltration ?

★ Shri Hiteswar Saikia (Chief Minister) replied.

(a) It is not a fact.

(b) Question does not arise. However, to prevent and to detect infiltrators, various steps have been taken by the Government.

(i) The PIF, Ad-hoc and TFG staff have been alerted for the purpose of prevention and detection of infiltrators.

(ii) Enquiries have been instituted against the suspected foreign nationals under the provisions of the IMDT Act, 1983.

(iii) The works of detection and deportation of fresh/re-infiltrators have been continuing.

(iv) Checking of in-coming trains, vehicular traffic on the land, and country boats, water-vassels on the water has been going on.

★ Speech not corrected

★ Shri Samarendra Nath Sen : Mr. Speaker Sir, in connivanes with some BSF personnel, infiltrators are coming in this Barak Valley and People from across the border daily use to come to karimganj town for earning their daily wages and they use to go back in the evening. Morever, smuggling also is going on. You will be surprised that anybody at any time can cross the borber, even one can take along an elephant also with him through this border.

★ Shri Hiteswar Saikia (Chief Minister) Mr. Speaker Sir, in our side, we have BSF to check smuggling and to stop infiltration. Few cases have been detected. These have been taken up with the Governmant of India.

★ Shri Samarendra Nath Sen : whether the Government will take steps to punish those corrupt officials who are conniving with infiltrators and smugglers ?

★ Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, I take up with Government of India for taking action against them.

★ শ্ৰীদিলীপ শইকীয়া : গুৱাহাটী মহানগৰীত বহুত বিদেশী নাগৰিকক এটা প্ৰলোভন দিয়া হৈছে। গণেশগুৰীত ৰিক্সা, ঠেলাৱালা বহুত বৃদ্ধি পাইছে। এই-বিলাক বিদেশী নাগৰিক হয় নে নহয় চেক্ কৰাৰ ব্যৱস্থা লবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : এইটোৰ বাবে বেলেগ প্ৰশ্ন লাগিব। তথাপি মই কব খুজিছো যে গুৱাহাটীত মাজে সময়ে এনে লোক অহাৰ অভিযোগ আহি আছে। তদন্ত কৰি পোৱা গৈছে যে এইবিলাক চৰ অঞ্চলৰ মানুহ।

★ Shri Mission Ranjan Das : Mr. Speaker Sir, whether the Hon'ble Chief Minister is aware of the fact that thousands of people from across the Bangladesh daily come to India and in day time use to work as daily labourers and

Speech not corrected.

at night indulge in theft and decoit cases.

★ Shri Hiteswar Saikia (Chief Minister) : We have no such reports.

(Starred Question No. 153 was not taken up as the Hon'-ble questioner was not Prese nt. However the same deemed to have been disposed of).

বিষয় : কৰিমগঞ্জ চহৰে সৈনিক কাৰ্য্যালয় স্থাপন।

শ্ৰীপ্ৰণৱ কুমাৰ নাথে সুধিছে :

★ ১৫৩ মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি : সমগ্র করিমগঞ্জ জিলার অবসর প্রাপ্ত সামরিক বাহিনীর কর্মীদের সুবিধার জন্য করিমগঞ্জ চহরে একটি জিলা সৈনিক বোর্ড কার্য্যালয় স্থাপন করা হবে কি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

কৰিমগঞ্জ চহৰত এখন জিলা সৈনিক বোৰ্ড কাৰ্য্যালয় স্থাপনৰ প্ৰস্তাৱ বৰ্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Mr. Speaker : Now Stared Question No. 154.

Re : Murder Cases in Assam.

Dewan Joynal Abedin asked :

★ 154. Will the Chief Minister be pleased to state :

a) The number of registered Murder Cases in different Police Stations of the State during 1991 till February 1992 ?

b) How many of the culprits involved in the above cases have been punished so far ?

★ Shri Hiteswar Saikia (Chief Minister) replied :

a) 1278 Cases.

b) None.

★ Dewan Joynal Abedin : Mr. Speaker Sir, Hononrable

★ Speech not corrected

Chief Minister has replied, if we have heard correctly, that there are 1278 cases of murders have been registered in defferent police stations and in reply to (b) he has stated that 'None'. I have asked categorically that how many of the culprits in these cases had so far been punished, he has replied "None'. It means, no one has so far been punished. As we all know Sir, number of such cases particularly murder cases, has gone up in recent times in the State and in view of this, will the Government take necassary measures to ensure that people involve in murder cases be punished within the shortest possible time and that no one involve in such cases can go unpunished ?

★ Shri Hieswar Saikia (Chief Minister): As we all know Sir, under the present Judiciary system in India. it is no possible to punish anybody in a year. These are murder cases of 1992 So, definitely we will take steps to frame charge-sheets and process to put up before the Magistrate for final trial.

★ Shri Sashakamal Handique : Mr. Speaker Sir, will the Hon'ble Chief Minister kindly tell us the total number of culprits arrested in connection with such murder cases ?

★ Shri Hiteswar Saikia (Chief Minister) : I have submitted.

★ Dewan Joynal Abedin : Will the Chief Minister kindly say, as we have seen, whether many of those culprits have got political shelter ?

★ Shri Hiteswar Saikia (Chief Minister) : Sometimes

★ Speech not corrected

there are reports like that.

★ Shri Giasuddin Ahmed : Mr. Speaker Sir, justice delayed means justice denied. Will the Government make an enquiry into the causes of delay in disposal of various cases including murder cases pending for years?

★ Shri Hiteswar Saikia (Chief Minister) : Sir, Hon'ble Member himself is a lawyer. He knows how they keep these cases for 12 years.

★ Shri Giasuddin Ahmed : There are other factors also. Sometimes the Investigating Officers wilfully and deliberately delay in submitting charge-sheets and the charge-shests are submitted in a manner so that the culprits can go scotfree. These are the circumstances which need thorough investigation by the Government. Will the Government make an enquiry in this matter ?

★ Shri Hiteswar Saikia (Chief Minister) : I agree with Hon'ble Member. Delay in submission of madical report, delay in submission of Forensic Laboratory Report, Post-mortem Report and sometimes absence of witnesses, all these create problem to start the cases at an early time. However, we will see that these can be expedited.

Mr. Speaker : Now, Starred Question No. 155.

বিষয়:— সীমান্তত পথ নিৰ্মান।

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

★ ১৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়, অনুগ্ৰহ কৰি জনাবনে :

ক) আগমনি আৰু ধুবুৰী পথ নিৰ্মাণ সংমগুলৰ নিৰাপত্তা বেৰৰ (দিফেন্স ফেন্স) ৰ সিপাৰে এতিয়ালৈকে কিমান মানুহ বসবাস কৰি আছে ?

★ Speech not corrected

খ) সীমান্ত বেৰৰ সিপাৰে থকা কৃষক সকলৰ মাটিত খেতি বাতি কৰাৰ বাবে যাতায়তৰ সুবিধা কিদৰে প্ৰদান কৰা হৈছে ?

গ) সীমান্ত অঞ্চলত বসবাসকাৰী ব্যক্তি সকলৰ পৰিচয় পত্ৰ দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছে নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) মুঠ ১৫৯ টি পৰিয়ালৰ প্ৰায় ৮০০ জন লোক বসবাস কৰি আছে।

খ) চৰকাৰে গাওঁবোৰত চমূ দূৰত্বত মূখ্যদ্বাৰ আৰু উপদ্বাৰৰ ব্যৱস্থা কৰিছে। কৃষক সকলে পহৰাদাৰৰ সাক্ষাৎত পুৱা ৫,৩০ বজাৰ পৰা আবেলি ৫,০০ বজা-লৈকে তেওঁলোকৰ খেতি বাতিৰ কাম কৰে।

গ) ধুবুৰী জিলাৰ অসম বাংলাদেশ সিমান্ত অঞ্চলত বসবাস কৰি থকা ভাৰতীয় নাগৰিকক পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

★ আল্লাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা সংখ্যা ১৫৯ টা পৰিয়াল আৰু আনটো সংখ্যা যিধৰণে উল্লেখ কৰিছে অধ্যক্ষ মহোদয়, আগমনি আৰু ধুবুৰীৰ সিপাৰে সেই সংখ্যাটো সঠিক হোৱা নাই। এইটো ১ নং প্ৰশ্নত উল্লেখ কৰা হৈছে।

২ নং প্ৰশ্নটো হৈছে সীমান্ত বেৰৰ সীপাৰৰ পৰা বাংলাদেশৰ ফালৰ পৰা অহা সকলৰ যাতায়তৰ কাৰণে কি সুবিধা কৰা হৈছে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, দিফেন্স ফেন্সৰ ইপাৰৰ পৰা সিপাৰে কিমান হেজাৰ লোক বসবাস কৰি আছে এতিয়ালৈকে শেষ হোৱা নাই। তাৰ কাৰণে সকলো ব্যৱস্থা লোৱা হৈছে।

★ শ্ৰীআল্লাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত বেৰৰ সিপাৰে কৃষক সকলৰ কাৰণে খেতি-বাতিৰ উপযোগী কিমান বিঘা মাটি এই সংমণ্ডলত পৰি আছে তাৰ এটা খটিয়ান আছে নে নাই ? লগতে গাওঁবোৰত মুখ্যদ্বাৰ আৰু উপদ্বাৰৰ মাজত কিমান দূৰৈলৈ আহিছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনালে ভাল আছিল।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৰ্ত্তমান এই ৰিপোৰ্টটো মোৰ হাতত নাই। পিচত সদনত পেচ কৰা হব।

★ দেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, সীমান্ত নিৰাপত্তা

★ Speech not corrected

বেৰৰ সীপাৰে যি সকল পৰিয়াল আছে সেই পৰিয়াল সকলক বেলেগ ঠাইত পুনৰ বসতী দিবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেনে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

★ শ্ৰীগিয়াচুদ্দিন আম্মেদ : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ মাটিৰ বিৰাট অসুবিধা আছে। সেইকাৰণে সীমান্তত বাস কৰা মানুহখিনিক বেলেগ ঠাইলৈ নি পুনৰ বসতি কৰাৰ কাৰণে কিবা ব্যৱস্থা লব নেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেইটো ব্যৱস্থা কৰা হব।

★ শ্ৰীআল্লাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ডেৰ বা দুই কিলো-মিটাৰৰ সীমান্ত অঞ্চলৰ পৰা নিলগত থকা ব্যক্তি সকলক যাতে বি, এচ, এফ এ অনবৰতে হাৰাহাস্তি কৰিব নোৱাৰে বা অত্যাচাৰ কৰিব নোৱাৰে এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে চকুদিব নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, বি, এচ, এফ য়ে অশান্তি কৰা খবৰ আমাৰ হাতত নাই।

Mr. Speaker : Now Starred Question No. 156.

বিষয় — ৰামকৃষ্ণ নগৰ মহকুমাৰ প্ৰস্তাৱ

★ শ্ৰীৰামপ্যাৰে ৰবিদাসে সুধিছে :

★ ১৫৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ?

ক) রাজ্যর জিলা এবং মহকুমা গুলিকে পুনগঠনের সময় নতুন মহকুমা গুলির সঙ্গে রামকৃষ্ণ নগরের নামটি কি প্রস্তাবিত হয়েছিল ?

খ) মহকুমা গুলির জন্য সপ্তম বিত্তীয় সাহার্য্য যোজনায় আসাম সরকার কেন্দ্রীয় সৰকারের নিকট হইতে কি কোন অর্থসাহার্য্য পেয়েছেন ?

গ) যদি পেয়েছেন তবে রামকৃষ্ণ নগর সহ প্রত্যেক নতুন মহকুমার জন্য সরকার মোট কত টাকা পেয়েছেন ?

ঘ) ৰামকৃষ্ণ নগরের জন্য নির্দ্ধাৰিত টাকাটি কি অন্য মহকুমার জন্য ব্যয় করা হয়েছে ?

★ Speech not corrected

ঙ) সরকারের সিদ্ধান্তকে রূপায়ন করার অঙ্গ হিসাৰে রামকৃষ্ণ নগরকে মহকুমা সদর করে রামকৃষ্ণ নগর মহকুমা স্থাপনের কাজ অবিলম্বে রূপায়ন করার কাজ সরকার হাতে নিচ্ছো কি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) হয় হৈছিল।

খ) হয়, পাইছে।

গ) ৭ ম বিত্তীয় আয়োগৰ পৰা নতুন জিলা আৰু মহকুমা গঠনৰ বাবে মুঠ ৩,২৯,১৯,০০০ টকা পোৱা হৈছিল।

ঘ) কৰা হোৱা নাই।

ঙ) বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

বিষয়:— ভোটাৰৰ সংখ্যা

★ শ্ৰীএছাহক আলীয়ে সুধিছে:

১৫৭। মাননীয়, নিৰ্ব্বাচন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) ১৯৮৯-৯০ চনত অসমত ভোটাৰৰ সংখ্যা কিমান আছিল?

খ) ১৯৯১-৯২ চনত অসমত ভোটাৰৰ সংখ্যা কিমান হৈছে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) ১৯৮৯ চনত ভোটাৰৰ সংখ্যা ১,১৯,৭৫,২১২

খ) ১৯৯১ চনত ভোটাৰৰ সংখ্যা ১,১৮,৯২,০৬৮

★ শ্ৰীএছাহক আলি: অধ্যক্ষ মহোদয়, ভোটাৰ তালিকাৰ নাম বিলাক শুদ্ধ অশুদ্ধ কেতিয়া ওলাব?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): এই সম্পৰ্কত কোনেও আপত্তি কৰা নাই।

★ শ্ৰীশশকমল সন্দিকৈ: অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনৰ ভোটাৰৰ সংখ্যা দেখাযায় এক লাখ লোকৰ ভোটাৰৰ তাৰতম্য আছে, ইয়াৰ কাৰণ কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): সাধাৰণতে ভোটাৰ লিষ্টখন তৈয়াৰ কৰাৰ পিছতহে ওলোৱা হয়, তাত বহুতো মানুহৰ নাম যদি বাদ পৰিছে তৈয়াৰ কৰাৰ পিচত সকলোৱে নিদিয়ে।

★ Speech not corrected

★ শ্ৰীদেওৱান জয়নাল আবেদীন: আপত্তি কৰাৰ পিচতো ভোটাৰ লিষ্টত নাম উঠাই নে নুঠাই?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): আপত্তি কৰাৰ পাচত সেইবিলাক চিন্তা কৰা হয়।

★ শ্ৰীবদ্ৰী নাৰায়ন সিং: কিমান ভোটাৰৰ নাম ১০ বছৰৰ পূৰণি সেই বিষয়ে কবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): এই সম্পৰ্কত সুকীয়া প্ৰশ্ন লাগিব।

★ শ্ৰীজয়নাথ শৰ্ম্মা: ছিকিম চৰকাৰে এজন মানুহক যদিও তেওঁ তাৰ বাসীন্দা, তেওঁক ছিকিমৰ নহয় বুলি বহিষ্কাৰ কৰিছে কিন্তু তেওঁৰ নাম আমাৰ ভোটাৰ লিষ্টত আছে আৰু তেওঁ এজন বিধান সভাৰ সদস্য, তেখেতৰ নামটো যদি দিও আৰু ছিকিমৰ কাগজ খন দিও তেতিয়াহলে ব্যৱস্থা লব নেকি?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): আমাৰ ইয়াত তাৰ প্ৰমাণ সহ তথ্যপাতি দিলে ব্যৱস্থা লব পৰা হব।

Mr. Speaker: Now, Starred Question No. 158.

বিষয়— বড়ো ভাষাক সহযোগী ভাষা

শ্ৰীজীউৰাম বড়োৱে সুধিছে:

★ ১৫৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) বড়ো ভাষাক ৰাজ্যিক সহযোগী (এচোচিয়েট) ভাষা হিচাবে স্বীকৃতি দিয়াটো সচানে?

খ) যদি সচা হয় কোন তাৰিখত ৰাজ্যিক সহযোগী ভাষা ভাৱে স্বীকৃতি পাইছিল?

গ) বড়ো ভাষা কোন কোন জিলাত ৰাজ্যিক সহযোগী ভাষা হিচাবে ব্যৱহাৰ হৈ আছে আৰু অসমৰ বাকীবোৰ জিলাত কেতিয়াকৈ ব্যবহাৰ কৰা হব?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) হয়, সঁচা।

খ) ১৯৮৫ চনৰ মে মাহৰ ২ তাৰিখে।

★ Speech not corrected

গ) কোকৰাঝাৰ জিলা, ওদালগুৰি মহকুমা আৰু নলবাৰী জিলাত।
বাকীবোৰ জিলাত কেতিয়া ব্যৱহাৰ কৰা হ'ব সিদ্ধান্ত কৰা হোৱা নাই।

★ শ্ৰীজিউৰাম বড়োঃ মাননীয় অধ্যক্ষ মহোদয়, বড়োভাষা এতিয়াও সহযোগী ভাষা হিচাবে বিবেচিত হোৱা নাই এইটো কথা সচা নেকি? মাজতে ইয়াক বন্ধ কৰি দিয়াৰ কাৰণে কিছুমান বড়োভাষাৰ কৰ্ম্মচাৰীৰ চাকৰি নোহোৱা হ'ল আৰু কিছুমানক বৰখাস্ত কৰা হ'ল— এইটো কথা সচানেকি, মুখ্যমন্ত্ৰীয়ে জনাবনে?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, তেনে আপত্তি মই পোৱা নাই।

★ Shri Parameswar Brahma: Mr. Speaker Sir, the Bodo language has been recognised as an associated official language in the State of Assam, but so far we know Government has not taken any measure to implement it in its proper sense. Would the Chief Minister inform us why it has not been implemented and whether the Government is thinking properly to implement it right now onward?

★ শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, ৰিপোৰ্ট মতে কথা-খিনি এনে ধৰণৰ বড়োভাষা নজনা বিষয়া, কৰ্ম্মচাৰী সকলক কোকৰাঝাৰত থকা প্ৰশিক্ষণ কেন্দ্ৰত বড়ো ভাষাৰ প্ৰশিক্ষণৰ বাবে চৰকাৰৰ তৰফৰ পৰা অনুদান দিয়া হৈছে। এই সন্দৰ্ভত চৰকাৰে ১৯৮৭-৮৮ চনত ২৭,১০০ টকা আৰু ৭,৫০০ টকা মুকলি কৰি দিয়ে। ভাষা প্ৰয়োগ সঞ্চালকালয়তো এটা বড়ো ভাষাৰ শাখা খোলাৰ কথা বৰ্তমান প্ৰস্তাৱ আকাৰত আছে আৰু তাৰ বাবদ ১৯৯২-৯৩ চনৰ বিত্তিয় বছৰৰ বাবে ৬৪,০০০ টকা ধাৰ্য্য কৰা আছে। লগতে অনান্য ভাষাৰ প্ৰশিক্ষণৰ লগতে বড়ো ভাষাৰ প্ৰশিক্ষণৰ বাবেও ১৯৯২-৯৩ চনত বিত্তিয় বছৰত মুঠ ১ লাখ টকা ধৰা হৈছে। অধ্যক্ষ মহোদয়, সহযোগী ভাষা হিচাবে বড়ো ভাষাক ১৯৮৩ চনতে স্বীকৃতি দিয়া হৈছে। তেতিয়াৰ পৰা চৰকাৰে এই ভাষাক কামত ব্যৱহাৰৰ কাৰণে কিছুমান ব্যৱস্থা লৈছে। আন এটা দাবী আছে যে বড়ো ভাষাক এ, পি, এচ, চিৰ পৰীক্ষাত মাধ্যম হিচাবে ব্যৱহাৰ কৰিব লাগে। এই বিষয়ে চৰকাৰে বিবে-

★ Speech not corrected

চনা কৰি আছে। মই ভাবো এইটো দিয়া উচিত হব।

★ Shri Parameswar Brahma : The Bodo language is recognised as the medium of instructions, they do not have Assamese knowlege but they attend Assembly to know very important discussions on important issues of the State. So whether Government is thinking to create posts of translators so that proceedings of the Assambly can be translated into Bodo language and circulated among the Bodo speaking people ?

★ Shri Hiteswar Saikia, (Chief Minister) : That will be done Sir.

★ শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে উত্তৰত কৈছে যে বড়ো ভাষাক কোকোৰাঝাৰ জিলাত সহযোগী ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিয়া হৈছে। কোকোৰাঝাৰ জিলাক দ্বিখণ্ডিত কৰি বঙাইগাও জিলা কৰা হৈছে। এই বঙাইগাও জিলাখন পূৰণি কোকৰাঝাৰ জিলাৰ অন্তৰ্ভূক্ত আছিল। এতিয়া বঙাইগাও জিলাতো বড়ো ভাষাক সহযোগী ভাষা হিচাবে স্বীকৃতি দিয়া হবনেকি, মুখ্যমন্ত্ৰীয়ে জনাবনে ? দ্বিতীয়তে বৰপেটা জিলাতো বহু সংখ্যক বড়োভাষী মানুহ আছে সেই হিচাবে বৰপেটা জিলাতো বড়ো ভাষাক সহযোগী ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিয়াৰ ব্যৱস্থা চৰকাৰে লবনেকি ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এচোচিয়েট লেংগুৱেজ জনসংখ্যাৰ ভিত্তিত দিয়া হয়, তেনেকৈ বড়োভাষাকো দিয়া হৈছে। সকলো ঠাইতে বড়ো ভাষাক সহযোগী ভাষা কৰিলে অনান্য ভাষাৰ লোকৰ অসুবিধা হব। এতিয়া গাওঁ পঞ্চায়ত এলেকাত যদি বড়ো ভাষী লোক বেছি হয় তেন্তে তাত বড়োভাষা দিয়াৰ ব্যৱস্থা লোৱা হব।

★ শ্ৰীমিলন বড়ো : অধ্যক্ষ মহোদয়, কোকোৰাঝাৰত বড়ো ভাষাক সহযোগী ভাষা কৰা হৈছে। এতিয়া বঙাইগাও জিলাত বড়ো ভাষাক সহযোগী ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিয়া হবনে নাই ? বৰপেটা জিলাতো বহু সংখ্যক বড়ো ভাষী লোক আছে। গতিকে তাতো বড়োভাষাক সহযোগী ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিয়া হবনে ?

★ শ্ৰীজিউৰাম বড়ো : অধ্যক্ষ মহোদয়, দৰং জিলাৰ মণ্ডলদৈত শতকৰা ৬০

★ Speech not corrected

ভাগ বড়ো ভাষী লোক আছে। শোনিতপুৰ জিলাতো যথেষ্ট সংখ্যক বড়ো ভাষী লোক আছে— এই দুঠাইত বড়ো ভাষাক সহযোগী ৰাজ্যিক ভাষা হিচাবে স্বীকৃতি দিয়া হবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টো জনসংখ্যাৰ ওপৰতহে নিৰ্ভৰ কৰিব। যদি প্ৰয়োজন হয় বিবেচনা কৰা হব।

Mr. Speaker : Now starred Question No. 159.

বিষয়— যোগীঘোপা আৰক্ষী চকীৰ কেচ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

★ ১৫৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বঙ্গাইগাওঁ জিলাৰ উত্তৰ শালমৰা মহকুমাৰ যোগীঘোপা পুলিচ ষ্টেচনৰ (পি, এচ) কেচ নং— ৯৯/৯১ সম্পৰ্কত চৰকাৰ জ্ঞাতনে ?

খ) যদি জ্ঞাত, (এফ, আই, আৰ) কোনে দিছিল আৰু কাৰ বিৰুদ্ধে দিছিল ? (এফ, আই, আৰ ৰ কপি মাননীয় সদনত দাখিল কৰিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) 2/Lt বিনয় বৰ্ম্মা I/C 49215 — H Army Company Commander, North Salmara, 'C' Coy Cdr. 16 Kumaon Regiment C/o 99 A. P. O.

লতিফ আহমেদ, নৃপেন সূত্ৰধাৰ আৰু টিকেন কলিতাৰ বিপক্ষে এফ, আই, আৰ (FIR) খন দিছিল।

(এফ, আই, আৰ ৰ প্ৰতিলিপি মাননীয় সদনত দাখিল কৰা হ'ল)

(See the Annexur I)

★ শ্ৰীফনী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে উত্তৰত যি তিনিজন ব্যক্তিৰ নাম উল্লেখ কৰিছে এই তিনিজন লোক অসম, গণ পৰিষদ দলৰ সদস্য। শ্ৰীটিকেন কলিতা যোগীঘোপা আঞ্চলিক এ, জি, পিৰ সভাপতি আছিল। শ্ৰীকলিতা কোনো ধৰণৰ আলফাৰ লগত জড়িত নহয়। তেওঁক এৰেষ্ট কৰা হৈছে শ্ৰীতপন ৰয় নামৰ এজন লোকে আমি অফিচাৰ শ্ৰীবাৰ্ম্মাক কোৱাৰ কাৰণে। শ্ৰীটিকেন কলিতা আলফাৰ লোক বুলি মুখ্যমন্ত্ৰীৰ ওচৰত কিবা তথ্য আছে নেকি ?

★ Speech not corrected

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, ইয়াত থকা ৰিপোৰ্ট অনুসৰি যোৱা ১৭-১০-৯১ তাৰিখে উত্তৰ শালমৰা অস্থায়ী কেম্পৰ সৈন্য বাহিনীৰ চেকেণ্ড লেফটেনেণ্টে গোপনীয় তথ্য পাতি পোৱাৰ পিচত যোগীঘোপা আৰক্ষী ছকীত এফ, আই, আৰ, দাখিল কৰাৰ পিচত আৰক্ষী বিভাগে জানিব পাৰিলে যে যোগীঘোপাৰ কৰাইতাবী গাৱৰ সৰ্ব্বশ্ৰী লতিফ আহমেদ নৃপেন সূত্ৰধাৰ আৰু টিকেন কলিতাই শ্ৰীতপন ৰায় আৰু অন্য কেইজনমানক বলপুৰ্ব্বক ভাবে শাৰিৰীক কষ্ট দি মৃত্যু দণ্ডৰ ভয় দেখুৱাই আলফা সংগঠনত যোগ দিবলৈ কয়। এই সংক্ৰান্ততে তেওঁলোকক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ ৰিৰুদ্ধে কেচ ৰুজু কৰা হয় আৰু তিনিওজন আচামীক পুলিচ হাজোতলৈ প্ৰেৰণ কৰা হয়। উপযুক্ত অনুসান্ধান কৰাৰ পিচত আচামীৰ বিৰুদ্ধে যথোচিত সাক্ষীবাদী প্ৰমাণিত হোৱাত যোগীঘোপা আৰক্ষী থানাৰ অভিযোগ নামা (চাৰ্জ চীট) নং ২।৯২ তাং ৮-১-৯২ দাখিল কৰা হয়।

★ শ্ৰীফণী ভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীতপন ৰয়ক আৰ্মিৰ ফালৰ পৰা জোৰ দিয়া হৈছিল যে শ্ৰীটিকেন কলিতাক আলফা বুলি কলে বাকী দুজন শ্ৰীলতিফ আহমেদ আৰু শ্ৰীনৃপেন সূত্ৰধাৰক এতিয়া এৰি দিয়া হব। মুখ্যমন্ত্ৰীয়ে শ্ৰীটিকেন কলিতা, শ্ৰীনৃপেন সূত্ৰধাৰ আৰু শ্ৰীলতিফ আহমেদ এই তিনিজন আলফাৰ লগত জড়িত হয় নে নহয় চৰকাৰে তদন্ত কৰিবনে? দ্বিতীয়তে এই সন্দৰ্ভত আৰ্মিয়ে টিকেন কলিতাক যোগীঘোপা সামৰিক চাৱনী লৈ যোৱাটো সচানে?

(Starred Questions No. 160 and deferred starred question No 88 of 16-3-92 could not be taken up as the questions hour was overs. However the written replies deemed to have been laid on the table of the House).

বিষয় :— ভোটৰ বাকচ।

শ্ৰীহিতেশ্বৰ ডেকাই সুধিছে :

★ ১৬০। মামনীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰিগত সাধাৰণ নিৰ্ব্বাচনত কমলপুৰ সমষ্টিৰ অন্তৰ্গত ৰৰহাটা ভোট গ্ৰহণ কেন্দ্ৰৰ পৰা বলপূৰ্ব্বক ভাৱে ভোটৰ বাকচ কাঢ়ি নিয়াৰ

★ Speech not corrected

অপৰাধত প্ৰাক্তন বিধায়ক গৰাকীৰ লগত কিমানজন কৰ্মচাৰী গ্ৰেপ্তাৰ হৈছিল ?

খ) গ্ৰেপ্তাৰ হোৱা কৰ্মচাৰী সকল কোন কোন বিভাগৰ ?

গ) এই আটাইকেইজন কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগীয় অনুশাসনমূলক ব্যৱস্থা লোৱা হৈছে নে ?

ঘ) যদি হোৱা নাই, কিয় ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) চাৰিজন চৰকাৰী কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল।

খ) গ্ৰেপ্তাৰ হোৱা কৰ্মচাৰীৰ ভিতৰত এজন আৰক্ষী বিভাগৰ আৰু তিনি জন শিক্ষা বিভাগৰ।

গ) পুলিচ কৰ্মচাৰী জনৰ বিৰুদ্ধে ইতিমধ্যে বিভাগীয় অনুশাসনমূলক ব্যৱস্থা লোৱা হৈছে আৰু বাকী তিনিজন শিক্ষকৰ ভিতৰত এজনক নিলম্বিত কৰা হৈছে আৰু বাকী ২ জনক নিলম্বিত কৰাৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে।

ঘ) প্ৰশ্ন নুঠে।

Deferred Starred Question No. 88 of **16.3.92.**

Re. Stadium in Assam.

Shri Monsing Rongpi asked :

★ 88. Will the Minister of Sports and Cultural Affairs be pleased to State—

a) How many Stadium and Mini-Stadium are there in Assam ? (District-wise figures may be given).

b) Is there any proposal to construct new Stadium and Mini-Stadium in Karbi Anglong and N. C. Hills at the following place Baithalongso, Dongkamukan, Hamren, Longhin, Howraght, Saribojan, Diphu, Haflong, Maibong and Umrongso ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমান ৪ (চাৰি) খন ষ্টেডিয়াম আছে। ৩১ (একত্ৰিশ) খন

Speech not corrected.

ষ্টেডিয়াম আৰু ৫৬ (ছাপৰন্ন) খন মিনি ষ্টেডিয়াম নির্মাণৰ কাম হাতত লোৱা হৈছে। জিলা ভিত্তিত ষ্টেডিয়ামৰ তালিকা এখন সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(See the Annexture—II)

(খ) নতুন ষ্টেডিয়ামৰ আঁচনি নাই।

বিষয়: দৈনিক বাতৰি কাকতৰ সংখ্যা।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে:

১৯৭। মাননীয়, মূখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) অসমৰ পৰা প্রকাশ পোৱা দৈনিক বাতৰি কাকত কেইখন? (১) ইংৰাজী, নাম, প্রকাশক (২) অসমীয়া, নাম প্রকাশক (৩) হিন্দী, নাম, প্রকাশক (৪) অন্যান্য ভাষাত?

(খ) সাপ্তাহিক আৰু তিনি দিনীয়া কেই খন? (১) ইংৰাজী (২) অসমীয়া (৩) হিন্দী।

(গ) মাহেকীয়া আৰু পষেকীয়া আলোচনীৰ সংখ্যা কিমান আৰু কি কি ভাষাত কেইখন প্রকাশ হয়?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে:

ক) ২১ (একৈশ) খন।

(১) ইংৰাজী

ক্রমিক নং	নাম	প্রকাশক
১)	The Assam Tribune	শ্রীকমল চন্দ্র বৰা।
২)	The Sentinel	মঃ হাচান আহমেদ।
৩)	Assam Express	শ্রীবীৰেন্দ্র নাথ শর্ম্মা।
৪)	News Star	শ্রীভদ্রেশ্বৰ দাস।
৫)	North East Times	শ্রীপৰমেশ্বৰ লাল আগৰৱালা।
৬)	The Eastern Clarion	শ্রীঅৰুণ বৰ ঠাকুৰ।
৭)	The Frontier Sun	শ্রীৰণবীৰ ৰয়।
৮)	The News Front.	শ্রীগকুল বৰা।

২) অসমীয়া

১) দৈনিক অসম	শ্ৰীসুৰেন্দ্ৰ সিংহ।
২) নতুন দৈনিক	শ্ৰীজ্যোতি প্ৰসাদ পাঠক।
৩) আজিৰ অসম	শ্ৰীসন্দীপ হাজৰিকা।
৪) সান্ধ্য বাতৰি	শ্ৰীসুৰেন্দ্ৰ কুমাৰ দাস।
৫) দৈনিক জনমভূমি	শ্ৰীঅৰুণ বৰঠাকুৰ।
৬) আজিৰ বাতৰি	শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ বৰা।

৩) হিন্দী

নং নাম	প্ৰকাশক
১) পূৰ্ব্বাঞ্চল প্ৰহৰী	শ্ৰীপৰমেশ্বৰ লাল আগৰৱালা।
২) চেন্টিনেল	শ্ৰীশান্তনু ভট্টাচাৰ্য্য।
৩) উত্তৰ কাল	শ্ৰীজি, পি, অটল।

৪) বঙালী (অন্যান্য ভাষাত)

৪) দৈনিক সোনাৰ কাছাৰ	শ্ৰীৰণবীৰ ৰয়।
২) গতি	শ্ৰীএম দেব ৰয়।
৩) দৈনিক প্ৰান্তজ্যোতি	শ্ৰীমতী নিভাৰানী দত্ত।
৪) সময় প্ৰবাহ	শ্ৰীমতী স্নেহ ৰাজখোৱা।

(খ) সাপ্তাহিক আৰু তিনিদিনীয়া ৭০ (সত্তৰ) খন।

১) ইংৰাজী—৮ খন।

২) অসমীয়া—৩৮ খন।

৩) হিন্দী—৩ খন।

ইয়াৰ উপৰি বঙালী ভাষাত ২১ খন।

(গ) মাহেকীয়া আৰু পষেকীয়া আলোচনীৰ সংখ্যা ১২ (বাৰ) খন। ইয়াৰে ৬ খন মাহেকীয়া আৰু ৬ খন পষেকীয়া। এই কেউখন অসমীয়া ভাষাত প্ৰকাশ হয়।

Re : Multistoried Court Building at Karimganja.

Shri Mission Ranjan Das asked :

198. Will the Minister of Law be pleased to state :

a) Whether the Government will construct a Multistoried Court Building at Karimganj ?

b) If so, whether the plan & estimate of the said Building has been prepared ?

c) When the Government will start the work ?

Shri Debanand Konwar (Minister) replied :

a) There is no such scheme with the Government to construct a Multistoried Court Building at Karimganj for the present.

b) Does not arise.

c) Does not arise.

Re. Teer Playing

Shri Samarendra Nath Sen asked :

199. Will the Chief Minister be pleased to State :

(a) Whether the Government is aware of the rampant "Teer" playing in Silchar Town ?

(b) If so, what step Government is taking to stop "Teer" playing in Silchar Town ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) Special drives were organised for Detection of selling of Teer tickets in Silchar Town. During operation, six persons were arrested and some counterfoils of Teer tickets with money were recovered from the Teer booths in Silchar Town. The drives are still continuing to prevent selling of Teer tickets.

বিষয় : চাকৰীৰ ৰক্ষণ।

শ্ৰীদেৱান জয়নাল আবেদিনে সুধিছে :

২০০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
(ক) চৰকাৰী নিয়োগ নীতিত শাৰীৰিক ভাৱে বাধাগ্ৰস্ত সকলৰ বাবে ৩ শতাংশ চাকৰী সংৰক্ষিত ৰখাৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :
(ক) হয় আছে। শাৰীৰিক ভাৱে বাধাগ্ৰস্ত সকলৰ বাবে ৩ শতাংশ আসন ৩য় আৰু ৪ৰ্থ শ্ৰেণী চাকৰীৰ ক্ষেত্ৰতহে সংৰক্ষিত কৰাৰ নীতি ব্যৱস্থা আছে। যেনে অন্ধ – ১%, কলা—১%, অন্যান্য শাৰীৰিক বাধাগ্ৰস্ত – ১% ।

Re. Burglaries in Silchar Town

Shri Samarendra Nath Sen asked :

20. Will the Chief Minister be pleased to state :

(a) Whether the Government is aware that there are daily burglaries in Silchar Town and many murders have been committed in Silchar town within the last two months ?

(b) If so what step Government is taking to stop re-curance of such mischiefs ?

ShriHiteswar Saikia (Chief Minister) replied :

(a) During last two month ten cases of burglaries and one case of murder in Silchar town were reported.

(b) Since January, 1992 anti-burglary drives in Silchar town area and out-skirts have been intensified. A total of 15 suspects have been arrested against specific cases of burglaries. Out of ten burglaries two cases have been detected including recovery of some stolen articles and arrest of the accused.

Re : Commitment of ULFA

Shri Giasuddin Ahmed asked :

202. Will the Chief Minister be pleased to State :

(a) Whether the United Liberation Front of Assam has given any commitment to abjure Violence, to surrender arms and to hold talks with the Government within the frame-work of the Constitution of India ?

(b) If so, what are the subjects of the proposed talk ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) Not yet finalised.

বিষয় : আৰক্ষী বিভাগত আই, পি, এচ, এ, পি, এচ, বিষয়া।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

২০৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম পুলিচক সময়ৰ লগত মিলি আগবাঢ়ি যাব পৰাকৈ আধুনীকিকৰণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নে আৰু যদি লোৱা নাই লব'নে ?

(খ) অসম চৰকাৰৰ আৰক্ষী বিভাগত বৰ্ত্তমান কিমানজন আই, পি, এচ, এ, পি, এচ, বিষয়া আছে ?

(গ) অসম চৰকাৰৰ কিমানটা বেটেলিয়ন আছে আৰু ক'ত ক'ত আছে ?

(ঘ) উক্ত বেটেলিয়ন কেইটাৰ কামান্দেণ্টৰ নাম কি কি ?

(ঙ) অসম নাগালেন্দ অসম, অৰুনাচল, অসম মেঘালয় ৰাজ্যৰ সীমান্ত অঞ্চলত সীমা সুৰক্ষাৰ কামত যি সমূহ আৰক্ষীক নিয়োগ কৰা হৈছে, তেওঁলোকক বিশেষ ভাট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, ব্যৱস্থা লোৱা হৈছে।

(খ) অসম চৰকাৰৰ আৰক্ষী বিভাগত বৰ্ত্তমান ৭৩ জন আই, পি, এচ, আৰু ২৮২ জন এ, পি, এচ বিষয়া আছে।

(গ) অসম চৰকাৰৰ ২০ টা বেটেলিয়ন আছে।

১।	১ম অসম পুলিচ বেটেলিয়ন	—লিগৰী পুখুৰীত (শিৱসাগৰ)
২।	২য় ,, ,, ,,	—মাকুমত (ডিব্ৰুগড়)
৩।	৩য় ,, ,, ,,	—তিতাবৰত (যোৰহাট)
৪।	৪ৰ্থ ,, ,, ,,	—কাহিলী পাৰাত (কামৰূপ)
৫।	৫ম ,, ,, ,,	—সোনটিলাত (উঃ কাছাৰ পাৰ্ব্বত্য জিলা)
৬।	৬ষ্ঠ ,, ,, ,,	—কাঠালত (কাছাৰ)
৭।	৭ম ,, ,, ,,	—চৰাইখোলাত (কোকৰাঝাৰ)
৮।	৮ম ,, ,, ,,	—বৰহমপুৰত (নগাওঁ)
৯।	৯ম ,, ,, ,,	—অভয়াপুৰীত (বঙাইগাওঁ)
১০।	১০ম ,, ,, ,,	—কাহিলী পাৰাত (কামৰূপ)
১১।	১১শ ,, ,, ,,	—দেৰগাওঁত (গোলাঘাট)
১২।	১২শ ,, ,, ,,	—জামুগুৰিহাটত (শোনিতপুৰ)
১৩।	১৩শ ,, ,, ,,	—লীলাবাৰীত (লক্ষীমপুৰ)
১৪।	১৪শ ,, ,, ,,	—দৌলাশালত (নলবাৰী)
১৫।	১ম অসম পুলিচ টাস্ক ফ'ৰ্চ	—ডাকুৰভিটাত (গোৱালপাৰা)
১৬।	২য় ,, ,, ,, ,,	—লামডিং (নগাওঁ)
১৭।	৩য় ,, ,, ,, ,,	—খজুৰাবিলত (দৰং)
১৮।	৪ৰ্থ ,, ,, ,, ,,	—হাউলীত (বৰপেটা)
১৯।	১ম অসম স্পেচিয়েল ৰিজাৰ্ভ ফ'ৰ্চ	—বৰমা (নলবাৰী)
২০।	২য় অসম স্পেচিয়েল ৰিজাৰ্ভ ফ'ৰ্চ	—কাৰাগাওঁ (কাৰ্বি আংলং)

(ঘ)

১ম অসম পুলিচ বেটেলিয়ান	—শ্ৰীবি, কে বৰপূজাৰী (আই.পি,এচ)
২য় ,, ,, ,,	—শ্ৰীজে, চক্ৰবৰ্ত্তী ,,
৩য় ,, ,, ,,	—শ্ৰীএ, কে, চহৰীয়া (এ, পি, এচ)
৪ৰ্থ ,, ,, ,,	—শ্ৰীটি, পি, চক্ৰবৰ্ত্তী (আই, পি, এচ)
৫ম ,, ,, ,,	—শ্ৰীএ, চি, দাস (এ, পি, এচ)

৬ষ্ঠ অসম পুলিচ বেটেলিয়ন	—শ্ৰীএ, বি, ৰয় (এ, পি, এচ)
৭ম " " "	—শ্ৰীএ, এম, সিংহ "
৮ম " " "	শ্ৰীএইচ, এল, দেৱ "
৯ম " " "	—শ্ৰীপি, ভট্টাচাৰ্য্য (আই, পি, এচ)
১০শম " " "	—শ্ৰীজি, চি, গগৈ "
১১শম " " "	—শ্ৰীবি, ডি, শৰ্ম্মা (এ, পি, এচ)
১২শ " " "	—শ্ৰীৰুস্তম আলী " 2nd Incharge, Incharge Commdt.
১৩শ " " "	—শ্ৰীকে, পি, চাংকাকতি (এ, পি.এচ)
১৪শ " " "	—শ্ৰীবি, কে দলে "
১ম অসম পুলিচ, টাস্ক ফ'ৰ্চ বেঃ	—শ্ৰীআৰ, চি, নাথন (আই, পি, এচ)
২য় " " " " "	—শ্ৰীএ, কাবুম (এ, পি, এচ)
৩য় " " " " "	—শ্ৰীজে, মিপুন (আই, পি, এচ)
৪ৰ্থ " " " " "	—শ্ৰীএইচ, বি, গোস্বামী (এ, পি, এচ)
১ম অসম স্পেচিয়েল ৰিজাৰ্ভ ফ'ৰ্চ বেঃ	—শ্ৰীবি, এন. গোহাই (আই,পি, এচ)
২য় অসম স্পেচিয়েল ৰিজাৰ্ভ ফ'ৰ্চ বেঃ	—শ্ৰীবি, কে, হাজৰিকা (এ, পি; এচ)

(ঙ) বিশেষ ভাট্টা পোৱাৰ নিয়ম আছে।

Re : Freedom Fighter's Pension.

Shri Mission Ranjan Das asked :

204. Will the Chief Minister be pleased to state :

a) Whether it is a fact that in 1936 Karimganj District Freedom Fighter's Board under the Chairmanship of the D. C., Karimganj recommended some genuine freedom fighter's pensions cases to the State Government for sanctioning State pensions immediately ?

b) Whether it is also a fact that the then Chief Minister was pleased to issue orders for immediate disposal of those pension cases ?

c) If so, whether the Government will take immediate step for sanctioning of the said pensions ?

Shri Hiteswar Saikia (Chief Minister) replied :

a) It is a fact that the D. C., Karimganj sent 46 (forty six) cases for consideration of the Government.

b) No such order as per available records.

c) These cases are under examination and will be placed before the next meeting of the State Advisory Board for disposal.

(Deferred UNSTARRED QUESTION NO-122)

Re: Training of Players.

Shri Monsing Rongpi asked :

122. Will the Minister of Sports & Cultural Affairs be pleased to State :

a) The numbers of Districtwise players who represented in the State Senior, Junior and sub-Junior Football and Valley ball team since 1970 ?

b] Is there any proposal to train up players in Hill Districts of Assam under special area propramme ?

c) If yes, the location of such training places and if not will the Government be pleased to take up such programme ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৭০ চনৰ পৰা সকলো তথ্য বৰ্ত্তমান হাতত নাই। তথ্য বিচাৰি

থকা হৈছে। প্ৰতিনিধিত্ব কৰা প্ৰাপ্ত খেলুৱৈৰ সংখ্যাৰ তালিকা এখন সদনৰ মজিয়াত দাখিল কৰা হৈছে।

(See the Annexure—III)

খ) নাই।

গ) প্ৰশ্ন নুঠে।

Mr. Speaker : Order, order. The Question Hour is over. I have received 6 zero hour notices. As Rule permits, I have selected 3. The first one is of Shri Prafulla Kumar Mahanta given on a news items published in 'Ajir Batori' dated 22-3-92 under the caption ৰাজ্য চৰকাৰৰ অৱহেলাত বছৰি পাঁচ কোটি টকা লোকচান" I call upon the Honourable Member Shri Mahanta to speak on the matter.

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২/৩/৯২ তাৰিখে আজিৰ বাতৰিত এটা বাতৰি প্ৰকাশ হৈছে। শীৰ্ষক "ৰাজ্যচৰকাৰৰ অৱহেলাত বছৰি ৫ কোটি টকা লোকচান"।

আমি সকলোৱে জানোঁ যে অসম উদ্যোগ ক্ষেত্ৰত পিচপৰা অঞ্চল। অসমৰ কেঁচা সম্পদ অসমতে ব্যৱহাৰ কৰি উদ্যোগৰ সম্প্ৰাসাৰণ ঘটাবলৈ বিভিন্ন সময়ত বিভিন্ন দাবী উত্থাপন কৰা হৈছে। এইবাৰ বাজেটত দেখা গৈছে ৪০ কোটি টকাৰ ঘাটি সংগ্ৰহ কৰিবলৈ বিভিন্ন নিত্য প্ৰয়োজনীয় বস্তুৰ ওপৰত কৰ লগাইছে। কিন্তু তাকে নকৰি অসমৰ ভিতৰত থকা কেঁচা সামগ্ৰী সমূহৰ উচিত ব্যৱহাৰ কৰি এই টকাৰ সংগ্ৰহ কৰিব পাৰিলেহেঁতেন। অসমত উদ্যোগ নথকা বুলিয়েই অসমৰ কেঁচা সামগ্ৰী সমূহ বাহিৰলৈ পঠোৱা হয়। আনহাতে কেন্দ্ৰীয় চৰকাৰৰ আইনমতে, তেওঁলোকে কোনে কিমান পাব ভগাই দিয়াৰ পাচত, এনে এটা অৱস্থা হয় অসমত থকা যি এটা উদোগ সেইটোও বন্ধ কৰিব লগা হয়। ইণ্ডিয়া কাৰবন লিমিটেড"ৰ ক্ষেত্ৰত এই ব্যৱস্থাই হৈছে। এই উদ্যোগ পেট্ৰোলিয়ামৰ অভাৱত বছৰৰ আধা দিনেই বন্ধ ৰাখিব লগা হৈছে। কেৱল

★ Speech not Corrected

যে ইণ্ডিয়া কাৰবনৰ ক্ষেত্ৰতেই মই ওকালতি কৰিছোঁ সেইটো নহয়। সমগ্ৰ উদ্যোগৰ ক্ষেত্ৰতেই আমাৰ অসম চৰকাৰৰ তৰফৰ পৰা এটা স্পষ্ট নীতি লোৱা উচিত। এই বিষয়ত কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰাব লাগে যে অসমত উদ্যোগ স্থাপন কৰাৰ পাচত অসমৰ উদ্যোগৰ চাহিদা পূৰণ কৰাৰ পাচতহে কেঁচা সামগ্ৰী চাৰপ্লাচ হলে বাহিৰলৈ পঠোৱা হব। এনে ধৰণৰ এটা স্পষ্ট নীতি গ্ৰহণ কৰিলেহে অসমৰ কেঁচা সামগ্ৰী অসমতে ব্যৱহাৰ কৰিব পৰা হব। কিন্তু চেণ্ট্ৰেল পলিচি মতে যদি কৰিবলৈ দিয়া হয় তেন্তে তেওঁলোকে কোনে কিমান পেট্ৰোলিয়াম পাব ঠিক কৰি দিব। তেতিয়া অসমৰ উদ্যোগ আৰু কোনো দিনেই নহব। গতিকে মই মুখ্য মন্ত্ৰীৰ পৰা জানিব বিচাৰোঁ যে এই ক্ষেত্ৰত অসম চৰকাৰৰ তৰফৰ পৰা নিজাববীয়াকৈ নীতি গ্ৰহণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি, যে অসমৰ কেঁচা সামগ্ৰী চাৰপ্লাচ হলেহে বাহিৰলৈ পঠোৱা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয়া অধ্যক্ষ মহোদয়, ইণ্ডিয়া কাৰবন লিমিটেড উদ্যোগ সম্পৰ্কত উঠা বাতৰিৰ সম্পূৰ্ণ কথা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই ক্ষেত্ৰত মই শ্ৰীমহন্ত ডাঙৰীয়াৰ লগত একমত। যে কেঁচা সামগ্ৰী থকা উদ্যোগ সমূহত আমি অগ্ৰাধিকাৰ দিব লাগে।

মই ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি গোচৰ কৰিছোঁ। ইণ্ডিয়া কাৰবনৰ যি ক্ষতি হৈছে পুৰণ কৰিবলৈ চেষ্টা কৰি আছো।

Mr. Speaker : I have received another zero hour notice from the Honourable Member, Shri Nizamuddin Khan on a news item published in 'Sandhya Batori' dated 21-3-92 under the caption "হাফলং অতিৰিক্ত শিক্ষা সঞ্চালকালয়ত ব্যাপক অনিয়ম আয়ুক্ত পৰ্য্যায়ৰ তদন্ত ফুটুকাৰ ফেন৷' Now, I call upon the Honourable Member, Shri Khan to speak on the matter.

★ Speech not Corrected

★ শ্ৰীনিজামউদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২১ মাৰ্চ তাৰিখে সান্ধ্য বাতৰিত প্ৰকাশ "হাফলং অতিৰিক্ত শিক্ষা সঞ্চালকালয়ত ব্যাপক অনিয়ম" বাতৰিটোৰ প্ৰতি মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। বাতৰিত কোৱা হৈছে যে এই কাৰ্য্যালয়ত এখন এ, এচ, এইচ ৯১৭ নম্বৰ গাড়ী কিনা হৈছে। এই গাড়ী খনৰ কিনোঁতে যিমান খৰছ পৰিছে মেৰামতি কৰোঁতে তাতোকৈ বেচি খৰছ কৰা হৈছে। ইয়াত দুৰ্নীতি ইমান শীৰ্ষলৈ গৈছে যে সকলো নিয়ম নীতি জলাঞ্জলি দি কেজুৱেল বুলি কৈ বহুতোকো নিয়োগ কৰা হৈছে। শিক্ষা ক্ষেত্ৰত অথবা শিক্ষা বিষয়ৰ কাৰ্য্যালয়ত যদি এনে দুৰ্নীনিয়ে বাহ লয় তেন্তে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছোঁ যে এই বিষয়ত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? আনহাতে অতিৰিক্ত সঞ্চালক হিলচ, এইটো যোৱা এবছৰ ধৰি খালি পৰি আছে। এই পদটো কিয় খালি আছে, এই সম্পৰ্কে কিবা চিন্তা ভাৱনা কৰিছে নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছোঁ। আনহাতে এনে দুৰ্নীতি চলি থকা বহুৰি ইতিমধ্যে দিয়া অভিযোগৰ বিষয়ে চৰকাৰৰ তৰফৰ পৰা কিবা অনুসন্ধান বা ব্যৱস্থা হাতত লোৱা হৈছে নেকি মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছোঁ। শিক্ষা বিভাগীয় কাৰ্য্যালয়ত, য'ত শিক্ষা বিষয়ক পৰিচালনা কৰা হয়, তেনে কাৰ্য্যালয়ত দুৰ্নীতি ৰোধ কৰিবলৈ আৰু এই পৰিৱেশৰ পৰা মুক্তি পাবলৈ চৰকাৰৰ তৰফৰ পৰা কি ব্যৱস্থা লোৱা হৈছে মই জানিব বিছাৰিছোঁ।

★ ডাঃ ভূমিধৰ বৰ্মন (শিক্ষা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ গঠনমূলক পৰামৰ্শত মই গুৰুত্ব দিছোঁ। হাফলং সংক্ৰান্তীয় দুৰ্নীতি অভিযোগ তদন্ত কৰিবলৈ ব্যৱস্থা লোৱাৰ বাবে দিয়া হৈছে। এই বাতৰি পোৱাৰ পাচত মই বিভাগীয় বিষয়াক সকলো খিনি জনাবলৈ কৈছোঁ। এই খিনি কথা চাই মেলি মই প্ৰয়োজনীয় ব্যৱস্থা লম। হাফলঙৰ অতিৰিক্ত সঞ্চালকৰ অতি সোনকালে পুৰোৱাৰ ব্যৱস্থা কৰিম।

Mr. Speaker : I have received another zero hour notice from the Honourable Member, Shri Hiteswar

---

★ Speech not corrected

Deka one news item published in 'Ajir Batori' dated 21-3-92 under the caption "অসম অৰুণাচল সীমান্তৰ পৰিস্থিতি উত্তেজনা প্ৰৱণ চৰা-ইপুঙৰ আৰক্ষী চকীত অগ্নি সংযোগ"। Now, I call upon the honourable member, Shri Hiteswar Deka to speak on the matter.

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চলিত অধিবেশনৰ ২০ তাৰিখে এটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হৈছিল। সেইটো আছিল অসম নাগালেণ্ডৰ সীমা সমস্যা সম্পৰ্কত। অসম নগালেণ্ড সীমাত হোৱা সংঘৰ্ষৰ বিষয়ে সিদিনাখন আলোচনা কৰা হৈছিল এইসদনতে আৰু তাৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰীয়ে তেখেতৰ বিবৃতি ব্যক্ত কৰিছিল। সেই সমস্যাৰ শেষ নহওঁতেই যোৱা ২১ তাৰিখৰ আজিৰ বাতৰি কাকতত এটা গুৰুত্বপূৰ্ণ কথা প্ৰকাশ পাইছে। বাতৰিত প্ৰকাশ পোৱা মতে অসম নাগা-লেণ্ড সীমান্তত উত্তেজনা আৰু চৰাইপুং আৰক্ষী চকীত অগ্নি সংযোগ শীৰ্ষক বাতৰিটো বৰ দীঘলীয়া কাৰণে মই পঢ়িব খোজা নাই কিন্তু এই বাতৰিৰ প্ৰতি মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। অলপতে আমাৰ মুখ্যমন্ত্ৰী আৰু অৰুনাচলৰ মুখ্য মন্ত্ৰীয়ে অসম-অৰুণাচল সীমা সম্পৰ্কত আলোচনা কৰিছিল আৰু অসমৰ পৰা এক খণ্ড অৰুণাচলক এৰি দিয়াৰ কথাও উঠিছিল আৰু বাতৰি কাকততো তেনে ভাবে প্ৰকাশ কৰিছিল। কিন্তু আমাৰ মুখ্যমন্ত্ৰীয়ে অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ লগত কি আলোচনা কৰিছিল সেই সকলো কথা সদনক অবগত কৰোৱাৰ কথা আছিল যদিও মুখ্যমন্ত্ৰীয়ে তেনে ঠাই অসমৰ পৰা এৰি দিয়াৰ কথা মিছা বুলি কৈছিল কিন্তু গোটেই আলোচনাৰ কথা খিনি সদনক এতিয়ালৈকে জনোৱা নাই। আজি দৃষ্টি আকৰ্ষণ কৰিবলৈ ওলোৱা এই বাতৰিত উল্লেখ কৰিছে যে অসমৰ সীমান্ত অঞ্চলত থকা চৰাইপুং ফৰেষ্টলৈ অৰুণাচলৰ লোক আহি ব্যাপক ধৰণে ফৰেষ্ট কাটি বেদখল চলাবলৈ ধৰিছে। অসমৰ সীমালৈ ৭ কিলোমিটাৰ সোমাই আহি চৰাইপুং আৰক্ষী চকীত জুই লগাই দিছে। হাবি কাটি খাস্তাং কৰিবলৈ ধৰিছে। তাৰ ফলত অসম সীমান্তত থকা মানুহৰ মনত উত্তেজনাৰ

★ Speech not corrected

সৃষ্টি হৈছে। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যে আমাৰ সীমা সমস্যাটো এটা আন আন সমস্যাৰ নিচিনা জলন্ত সমস্যা। আচল কথা হৈছে তেজৰ সম্পৰ্ক থকা মানুহৰ লগত মনো-মালিন্য হলে সদায় নাথাকে যদিও ব্যক্তিগত সহোদৰৰ লগত হোৱা কাজিয়াৰ বিষক্ৰিয়া বহুদিনলৈ থাকি যায়। আমাৰ চাৰিওপিনে আমাৰ সহোদৰ সহোদৰা সকল আছে। বাস্তৱিকতে কেন্দ্ৰীয় চৰকাৰে বিচাৰে আমাৰ ৰাজ্যসমূহৰ মাজত থকা সীমা সমস্যা হৈয়েই থাকক আৰু সেই কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা এই সম্পৰ্কত তদবিৰ নকৰে। অসম-অৰুণাচল, অসম-নগালেণ্ড, অসম-মেঘালয় এই সমস্যা বিলাক জীয়াই ৰাখিলে কেন্দ্ৰীয় চৰকাৰৰ লাভ হয় কাৰণেই এই অৱস্থা হৈ আছে। কিন্তু বৰ্ত্তমান অসমত যি দলৰ চৰকাৰে শাসনভাৰ লৈ আছে কেন্দ্ৰতো সেই দলৰেই চৰকাৰে শাসনভাৰ চলাই আছে। সেই কাৰণে মই আন্তৰিকতাৰে কৈছোঁ যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই দিশত হেঁচা দি ধৰিব লাগে। এই সীমা সমস্যা সম্পৰ্কত কেবাটাও আয়োগ সময়ে সময়ে গঠন কৰি দিয়া হৈছে। সেই আয়োগ সমূহৰ প্ৰতিবেদন বিলাকৰ ভিত্তিত অতি শীঘ্ৰে সীমা সমস্যা সমাধান কৰিবলৈ আহ্বান জনাইছোঁ। আৰু বাস্তৱিকতে কাগজত প্ৰকাশিত এই বাতৰিৰ সন্দৰ্ভত মুখ্য মন্ত্ৰীয়ে সদনক অৱগত কৰিব লাগে।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, অৰুণাচলৰ লগত সীমা বিবাদ কিছু আছে কিন্তু খুব বেছি উগ্ৰ নহয়। অৰুণাচল প্ৰদেশৰ লগত দুই এটা অঞ্চলৰ ক্ষেত্ৰত আমাৰ সীমা বিবাদ অলপ অচৰপ আছে আৰু সেই কেইটাৰ কাৰণে আমি নিৰপেক্ষ ভূমিকা লৈ কাম কৰিবলৈ চেষ্টা কৰিছোঁ যাতে কাৰো অন্যায় নহয়। যোৱা বছৰ অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি কিছু সিদ্ধান্ত কৰা হৈছিল। চৰাইপুঙৰ সম্পৰ্কত যিটো কৈছে সেই সম্পৰ্কত আমাৰ ৰিপোৰ্ট আছে। আমি অৰুণাচলৰ চৰকাৰৰ লগত দৃষ্টিগোচৰ কৰিছোঁ।

★ শ্ৰীহিতেশ্বৰ ডেকা ঃ অধ্যক্ষ মহোদয়, যোৱা বছৰ মুখ্যমন্ত্ৰীয়ে অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ মাজত যিটো বুজাবুজি হৈছিল বা চুক্তি হৈছিল সেই চুক্তি

★ Speech not corrected

তেওঁলোকে এণ্ডিয়ালৈকে মানি আছে নেকি যদি আছে চৰাইপুং ঘটনা ঘটি আছে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সেই চুক্তি মানি থকা হৈছে। স্থানীয় ভাৱে উত্তেজনাৰ সৃষ্টি হলে এনেকুৱা ঘটনা কেতিয়াবা ঘটি যায়।

Mr Speaker : Now I proceed to Item No. 2. Shri Babul Das to call the attention under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Sandhya Batori' dated 14th March, 1992 under the caption "কাগজ কলৰ প্ৰদূষণ ৰোধ কৰাৰ দাবী"।

CALL ATTENTION NOTICE

★ শ্ৰীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ মাৰ্চ তাৰিখে সান্ধ্য বাতৰি কাকতত কাগজ কল প্ৰদূষণ ৰোধ কৰাৰ দাবী শীৰ্ষক এটা বাতৰি প্ৰকাশ পাইছে। মই এই বাতৰিটোৰ সন্দৰ্ভত বিভাগীয় মন্ত্ৰী আৰু মাননীয় সদনত বিহিত ভাৱে ইয়াৰ এটা কাৰ্য্যকৰী ব্যৱস্থা লবৰ কাৰণে মই আহ্বান জনাব খুজিছোঁ। কথা হ'ল, জাগীৰোডৰ হিন্দুস্থান কাগজ নিগমৰ জৰিয়তে ব্যাপক বায়ু প্ৰদূষণ আৰু জল প্ৰদূষণ হৈছে। ইয়াৰ ফলত জীৱ-জন্তু গৰু-মহ আৰু ব্যাপক বায়ু প্ৰদূষণ হৈছে। ইয়াৰ ফলত জীৱ-জন্তু, গৰু-ম'হ আৰু ব্যাপক ভাৱে শস্য পথাৰ ক্ষতিগ্ৰস্ত হৈছে। কেইখনমান ৰাজহুৱা বিল ইয়াৰ দ্বাৰা প্ৰদূষণৰ পানীয়ে বেয়া কৰাৰ ফলত ৰাজ্য চৰকাৰৰ ৰাজহৰো ক্ষতি হৈছে সেয়ে মই স্থানীয় বিধায়ক হিচাবে কাগজ কলৰ পৰা হোৱা প্ৰদূষণ ৰোধ কৰাৰ কাৰণে যিখিনি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা সমূহ প্ৰকৃততে লৈছে নে নাই তাকে প্ৰত্যক্ষ কৰিবৰ কাৰণে সদন কমিটিৰ জৰিয়তে গোটেই প্ৰদূষণৰ কথাটো পৰীক্ষা কৰিব লাগে বুলি অনুৰোধ জনালোঁ। দ্বিতীয় কথা হৈছে প্ৰদূষণ ৰোধ কৰাৰ কাৰণে ৰাজ্য চৰকাৰে এটা বাস্তৱসঙ্গত কাৰ্য্যব্যৱস্থা লব লাগে। অধ্যক্ষ মহোদয় আপোনালোক সকলোৱে জানে যে জাগীৰোডৰ ফালেৰে গলে বাচেই হওঁক

★ Speech not corrected

বা গাড়ীয়েই হওঁক ভিতৰতে এটা সাংঘাটিক ধৰণৰ বেয়া গোন্ধ আহি নাকত লাগে আৰু কুঁৱলীৰ লেখীয়াকৈ গেচ এটা পুৱা-গধুলি ওলাই থাকে। ইয়াৰ ফলত বহুতো জীৱ-জন্তু মৰিছে। মানুহৰো লিভাৰ আদি বেয়া হোৱা বেমাৰ হৈছে। খেতি পথাৰ ব্যাপক ভাৱে ক্ষতিগ্ৰস্থ হৈছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ আৰু সদনৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। সঠিক ভাবে তদন্ত কৰি এই প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত আমাৰ সদন কমিটিৰ দ্বাৰা গোটেই বিষয়টো পৰীক্ষা কৰি তাৰ বিহিত ব্যৱস্থা লোৱাৰ কাৰণে তৎপৰ ব্যৱস্থা লবলৈ মই আপোনাৰ জৰিয়তে আহ্বান জনালোঁ।।

★ শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী): হিন্দুস্থান কাগজ নিগমৰ জাগীৰোডত স্থাপন কৰা কাগজ কলটো ১৯৮৫ চনৰ পৰা ব্যৱসায়িক ভিত্তিত উৎপাদন আৰম্ভ হয় আৰু ইয়াৰ বাৰ্ষিক উৎপাদন ক্ষমতা এক নিযুত টন।

কাগজ কলটোৰ বিভিন্ন গোটত ব্যৱহাৰ হোৱা পানীৰ পৰিমাণ হ'ল ৭১,৪০১ ঘনমিটাৰ আৰু ইয়াক পাইপলাইনৰ জৰিয়তে কলং নৈৰ পৰা আহৰণ কৰা হয়।

কাগজ কলটোৰ বিভিন্ন গোট যেনে Chipper House, Pulp Mill, Paper Machine, Recovery Unit ইত্যাদিৰ পৰা ময়লা পানী নিৰ্গত হয় আৰু এই ময়লা পানী পৰিশোধন গোটত (Effluent Treatment Plan ত) শোধন কৰি নিৰ্গত কৰা হয়।

কাগজ কলটোৰ পৰা উৎপন্ন হোৱা ময়লা পানী নিৰ্গত কৰিবৰ বাবে কাগজ কলৰ কৰ্তৃপক্ষই অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ ওচৰত ১৯৮৫ চনত আবেদন কৰে আৰু পৰিষদে আমদানীকৃত PULP ব্যৱহাৰ কৰাৰ সময়ত ময়লা পানী শোধন কৰি এলেঙ্গা বিলত Elenga Beel) পেলাবলৈ চৰ্ত্তসাপেক্ষে ১৯৮৬ চনৰ মাৰ্চ মাহলৈকে অনুমোদন দিয়ে। কিন্তু ইয়াৰ পিছত স্থানীয়ভাৱে আহৰণ কৰা বাহৰ পৰা প্ৰস্তুত কৰা PULP ব্যৱহাৰ কৰাৰ পিছত ময়লা পানী শোধন কৰি নিৰ্দ্দিষ্টমানত ৰাখি পাইপ লাইনেৰে নি কলং নৈত পেলাবৰ বাবে নিৰ্দেশ দিয়ে।

কাগজ কলটোৰ পৰা নিৰ্গত হোৱা ময়লাপানীৰ পৰা হোৱা প্ৰদূষণৰ বাতৰি সময়ে সময়ে পাই থকা হৈছে। এই কাগজ কলটোৰ পৰা হোৱা

★ Speech not corrceted

প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহণ কৰিছে।

(১) কাগজ কলটোৰ পৰা নিৰ্গত হোৱা ময়লা পানীৰ নমুনা নিয়মিতভাৱে সংগ্ৰহ কৰি পৰীক্ষাগাৰত ইয়াৰ গুণাগুণ বিশ্লষণ কৰি থকা হৈছে। ইয়াত যিবোৰ Parameter ৰ মান নিৰ্দিষ্ট সীমাতকৈ বেছি পোৱা হয়, তাৰ ওপৰত ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে নিৰ্দেশ দিয়া হৈছে।

(২) কাগজ কলত ক্লৰিণ (Chlorine) ব্যৱহাৰ কৰিবৰ বাবে স্থাপন কৰা Caustic Chlorine Plant ৰ পৰা নিৰ্গত হোৱা ময়লা পানী সোঁতটোৰ কাষতে পৰিশোধন কৰিবৰ বাবে Secondary Resin Tower Treatment Plant স্থাপন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু বৰ্ত্তমানে ই সুচাৰু ৰূপে কাম কৰি আছে। ইয়াৰ শোধিত ময়লা পানী আকৌ শোধিত কৰি নিৰ্গত কৰা হয়।

(৩) কাগজ কলটোৰ পৰা নিৰ্গত হোৱা সকলো ময়লা-পানী পৰিশোধন গোটত পৰিশোধন কৰি নিৰ্গত কৰাৰ ব্যৱস্থা কৰা হয়।

(৪) পৰিশোধন গোটত থকা আসোঁৱাহ দূৰ কৰিবৰ বাবে Central Polution Control Board, New Delhi ৰ লগত যুটীয়া-ভাৱে অনুসন্ধান কৰি ইয়াক সুচাৰুৰূপে চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰাথমিক অনুসন্ধান ইতিমধ্যেই সমাপ্ত কৰা হৈছে আৰু বিতং অধ্যয়ণৰ ব্যৱস্থা অতি শীঘ্ৰেই কৰাৰ দিহা কৰা হৈছে।

(৫) কাগজ কলৰ পৰা নিৰ্গত হোৱা ময়লা পানী শোধন কৰি সুচাৰুৰূপে ব্যৱহাৰ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰেও এটা Expert Committee গঠন কৰি দিছে আৰু এই সমিতিয়েও কিছু পৰামৰ্শ দি প্ৰতিবেদন দাখিল কৰিছে।

(৫) কাগজ কলটোৰ বিভন্ন গোটৰ পৰা দুৰ্ঘটনাজনিত কাৰণত ওলোৱা ময়লা পানী স্থানতে সংগ্ৰহ কৰি পুণৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা হৈছে।

(৬) কাগজ কলটোৰ বিভিন্ন গোটৰ পৰা দুৰ্ঘটনাজনিত কাৰণত ওলোৱা ময়লা পানী স্থানতে সংগ্ৰহ কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা হৈছে।

(৭) ময়লা পানী পৰিধোন গোটত সকলো সময়ত যাতে বিদ্যুৎৰ যোগান থাকে তাৰ ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে।

(৮) কাগজ কলটোৰ পৰা উৎপন্ন হোৱা গোটা আৱৰ্জনা (Solid waste) ৰাস্তাৰ দাঁতিত পেলোৱা বন্ধ কৰা আৰু ইয়াক বিজ্ঞানসন্মত ভাবে পেলোৱাৰ ব্যৱস্থা কৰা।

(৯) কাগজ কলটোৰ পৰা উৎপন্ন হোৱা অদৰকাৰী চূণজাতীয় পদাৰ্থ পুনৰ ব্যৱহাৰ কৰিবৰ বাবে Desiltation Plant স্থাপন কৰিবৰ বাবে গৱেষণা কৰি আছে আৰু এই গোট স্থাপন হোৱাৰ লগে লগে Lime Sludge ৰ সমস্যা সমাধান হ'ব।

(১০) Caustic Chlorine Plant ত পাৰাৰ ব্যৱহাৰ নোহোৱা কৰিবৰ বাবে ইয়াৰ উৎপাদন পদ্ধতি Membrane Filter Technology লৈ সলনি কৰিবৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে আৰু ই অহা অষ্টম

(১১) কাগজ কলৰ শোধিত ময়লা পানীৰ ৰং কমাবৰ বাবে Indo-Swiss ৰ Bilateral scheme ৰ অধীনত গৱেষনা চলি আছে।

(১২) কাগজ কলটো পৰিষদৰ তৰফৰ পৰা সঘনাই পৰিদৰ্শন কৰি থকা হয় আৰু পৰিদৰ্শনত দেখা পোৱা ক্ষুত সমূহ নিৰাময় কৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হয় আৰু পৰবৰ্ত্তী পৰিদৰ্শনত ইয়াৰ ৰূপায়ণৰ বুজ লোৱা হয়।

(১৩) কাগজ কলটোৰ নিজা পৰিবেশ গোট (Environment Cell) স্থাপন কৰাৰ ব্যৱস্থা কৰা।

(১৪) বায়ু প্ৰদূষণ ৰোধ কৰিবৰ বাবে কাগজ কলক Electro Static Precipitalor বহুৱাবলৈ নিৰ্দ্দেশ দিয়া হয় আৰু ই বৰ্ত্তমানে সুচাৰুৰূপে কাম কৰি আছে। কেন্দ্ৰীয় চৰকাৰৰ অনুস্থান NEERI য়ে (National Environmental Engineering Research Institute) বায়ু প্ৰদূষণৰ ওপৰত অধ্যয়ণ চলাই ইয়াৰ মান Permissible limit ৰ ভিতৰত পায়।

(১৫) কেন্দ্ৰীয় চৰকাৰে সকলো উদ্যোগক ১৯৯৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবৰ বাবে আদেশ দিছে। এই আদেশ অমান্য কৰা উদ্যোগৰ ওপৰত আইনগত ব্যৱস্থা লোৱাৰ দিহা দিছে।

১৯৯২ চনৰ ১৪ মাৰ্চৰ সান্ধ্য বাতৰিত প্ৰকাশিত বাতৰিমতে কাগজকল কৰ্ত্তৃপক্ষই শোধন নকৰাকৈ ময়লা পানী নিৰ্গত কৰাৰ কথা সঁচা নহয়। ময়লা পানী পৰিশোধন গোটত শোধন কৰিহে নিৰ্গত কৰা হয়। এই ব্যৱস্থাৰ ওপৰত অসম প্ৰদূষণ নিয়ন্ত্ৰন পৰিষদে চোকা দৃষ্টি ৰাখিছে। গতিকে চৰকাৰে কাগজ

কলৰ পৰা হ'ব পৰা পৰিবেশ দূষিত কৰণ ৰোধ কৰিবলৈ ব্যৱস্থা নোলোৱা কথাষাৰ সঁচা নহয়।

হিন্দুস্থান কাগজ নিগম কৰ্তৃপক্ষই জাগীৰোদত থকা কাগজ কলত অতিৰিক্ত প্ৰদূষণ নিয়ন্ত্ৰনৰ বাবে ৬০ কোটি টকাৰ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি সম্পূৰ্ণ হলে কাগজ কলৰ প্ৰদূষণ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰন কৰিব পৰা যাব।

★ শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, প্ৰদূষণ এতিয়াও চলি আছে কাৰণ সেই বৈ অহা পানী যি নদীত পৰিছে সেই নদীৰ পানী খাই গৰু ম'হ ছাগলী মৰিয়ে আছে আনকি ৰাষ্টাৰে গ'লেও গোন্ধ পায়। গতিকে এই প্ৰদূষণ বন্ধ কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়া বন্ধ হ'ব সেইটোহে জানিব বিছাৰিছোঁ।

★ শ্ৰীবুবুল দাস : অধ্যক্ষ মহোদয়, প্ৰদূষণ হৈয়ে আছে। এতিয়া প্ৰদূষণ নিয়ন্ত্ৰন বোৰ্ড বা ৰাজ্য চৰকাৰে ইয়াক নিয়ন্ত্ৰনৰ কাৰণে যিবিলাক ব্যৱস্থা লব বিছাৰিছে সেইবিলাক প্ৰকৃতপক্ষে কাৰ্য্যকৰী হৈছে নে নাই সেইবিলাক চাবৰ কাৰণে এটা সদন কমিটি কৰি দিব নে? আৰু কেতিয়া কিমান দিনৰ ভিতৰত তাক কাৰ্য্যকৰী কৰা হব মন্ত্ৰী মহোদয়ে কৰ নে?

★ শ্ৰীচন্দন কুমাৰ চৰকাৰ : অধ্যক্ষ মহোদয়, মই নিজেও এই কথাটো উপলব্ধি কৰিছোঁ। জাগীৰোডৰ ওচৰে পাজৰে আমাৰ বিভাগৰ যিবিলাক বিল আছে ১৯৮৮ চনৰ পৰা আজি প্ৰায় ৪/৫ বছৰ এই বিল বিলাকৰ পৰা প্ৰায় ৮ লাখ মান ৰাজহ ক্ষতি হৈছে। কাৰণ প্ৰদূষণৰ কাৰণে গোটেই বিল বিলাকৰ মাছ বিলাক মৰি গৈছে। গতিকে এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহোদয়ে যথোচিত ব্যৱস্থা সোনকালে লব নে?

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আমি বিৰোধী দ'লৰ সদস্য সকলে যে জেনুইন কথা কওঁ বা সচা কওঁ সেই কথাটো আমাৰ মাননীয় সদস্য শ্ৰীচন্দন কুমাৰ সৰকাৰৰ কথাৰ পৰা প্ৰমাণিত হৈছে। গতিকে মন্ত্ৰী মহোদয়ে স্পষ্টকৈ কব লাগে কেতিয়া এই প্ৰদূষণ বন্ধ হব?

★ শ্ৰীহৰেণ ভূমিজ (মন্ত্ৰী, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা) : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত অসম চৰকাৰে চোকা দৃষ্টি ৰাখিছে। মই আগতে কৈছোঁ যে এই বিষয়া এক্সপাৰ্ট কমিটিয়ে ৰিপোৰ্ট দিছে। তেখেত সকলে কিছু-

---

★ Speech not corrected

মান অনুমোদন দিয়ে আৰু সময়ো নিৰ্দ্ধাৰণ কৰি দিছে। গতিকে সেইমতে সোনকালে ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker: Now I proceed to Item No. 3. Hon'ble Members Sarvasree Milan Boro, Pani Ram Rabha, Zoii Nath Sarma, Derhagra Mushahary, Parameswar Brahma, Tajandra Narzary, Kamal Brahma, Khiren Borgoyari, Smti Pramila Brahma, Shri Hiteswar Deka, Shri Ramendra Narayan Kalita draw the attention of the Minister, Welfare of Plains Tribes, Scheduled Castes and Other Backward Classes by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Natun Dainik' dated 12th March, 1992 relating to "জনজাতি উন্নয়ন প্ৰকল্পৰ ধন আত্মসাৎৰ অভিযোগ।"

MATTER UNDER RULE 301

★ শ্ৰীমিলন বড়ো: মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ মাৰ্চ তাৰিখে নতুন দৈনিক কাকতত জনজাতি উন্নয়ণ প্ৰকল্পৰ ধন আত্মসাৎ কৰা অভিযোগ শীৰ্ষক যিটো ৰাতৰি পৰিবেশন কৰা হৈছে, এই বাতৰিটো অতি গুৰুতৰ কাৰণ আমি সদনৰ ভিতৰে বাহিৰে অকল জনজাতি লোকৰ সমস্যা সমূহ সমাধানত গুৰুত্ব আৰোপ কৰি ৰাজনৈতিক স্বাৰ্থত বাতৰিৰ শিৰোনামা দখল কৰাই আহিছোঁ। অসমৰ জনজাতিৰ লোক সকলেই অসমৰ ভূমি পুত্ৰ। তেওঁলোকৰ উন্নয়নৰ কাৰণে বিভিন্ন বিভাগে বিভিন্ন আঁচনি কৰিছে, নিগমৰ জৰিয়তে আঁচনি লৈছে কিন্তু সেই আঁচনিৰ টকা যদি আকৌ বিষয়াই আত্মসাৎ কৰিব বিছাৰে তেনেহলে তাতকৈ আৰু কি ডাঙৰ কথা হ'ব পাৰে? এই চৰকাৰে কাৰ্য্যভাৰ লোৱাৰে পৰা জনজাতি লোক সকলৰ পৰা সস্তীয়া জনপ্ৰিয়তা লাভ কৰিবলৈ ততাতৈয়াকৈ কিছুমান ব্যৱস্থা লবলৈ আশ্বাস দিলে। সেই আশ্বাসৰ ভিত্তিতে ১৯৯১ চনৰ

★ Speech not corrected

৫ অক্টোবৰ তাৰিখে ফেইবাজনো মন্ত্ৰী বিধায়ক উপস্থিতিত জনজাতি লোকৰ সকলৰ কাৰণে আৱন্টিত ধন সমূহ বিতৰণ কৰিবলৈ ৰাজহুৱাভাৱে প্ৰচেষ্টা হাতত লৈছে। সেই আঁচনি অনুসৰি নলবাৰী জিলাতো জনজাতি উন্নয়ন প্ৰকল্পৰ জৰিয়তে ১২/১৪টা বেচৰকাৰী অনুষ্ঠানলৈ অনুদান আগবঢ়াইছিল আৰু সেই অনুদানৰ মুঠ টকা হ'ল ১ লাখ ২৬ হাজাৰ টকা।

কিন্তু এইটো আচৰিত কথা যে এই ১ লাখ ২৬ হেজাৰ টকা যি নীতি নিয়মৰ মাজেদি চৰকাৰী বে-চৰকাৰী অনুষ্ঠান বিলাকত নিৰ্ব্বাচিত কৰি টকা দিব লাগিছিল সেই নীতি-নিয়ম গ্ৰহণ নকৰি, সেই নীতি নিয়ম ফ'লঅ নকৰি যিটো তত্ কালীন ভাৱে ব্যৱস্থা লয় তাৰ ফলত প্ৰকল্প বিষয়াজনে আত্মসাৎ কৰাৰ সুবিধা পালে। বে-চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ কৰ্মকৰ্ত্তা সকলে জনজাতীয় লোক সকলৰ এই টকাখিনি পোৱাৰ কোনো ব্যৱস্থা তেওঁলোকে নকৰিলে আৰু এই প্ৰকল্প বিষয়াজনে এই টকা আত্মসাৎ কৰাৰ সুবিধা পালে। সিদিনা এই কথা সদনত ওলাইছিল স্বয়ম্ভু বিধায়কৰ কথা। কিন্তু ডি, চিয়ে তেওঁলোকৰ নীতি সৃষ্টি কৰি এই টকাৰ আত্মসাৎ কৰাৰ সুবিধা পালে কাৰণ নলবাৰী জিলাৰ আই, টি, ডি, পিৰ পি, আই, চি কমিটিৰ যিজন সভাপতি বা চেয়াৰমেন স্বয়ম্ভু বিধায়ক তেওঁ নিজেই। এজন তামুলপুৰ সমষ্টিৰ কংগ্ৰেছ (আই) কেনডিডেট তেওঁ গৈ পেলাই পি, আই, চি কমিটি নলবাৰীত গঠন কৰি দিয়া হ'ল। তাৰ পিছত স্বয়ং চেয়াৰমেন জনেই প্ৰকল্প বিষয়াৰ লগত লগলাগি এই টকাখিনি আত্মসাৎ কৰাৰ প্ৰমান আছে। এইটো কেৱল নলবাৰী আই, টি, ডি, পিতেই নহয় আমাৰ প্লেনচ টাইপ ডেভেলপমেণ্টৰ চেয়াৰমেনৰ ক্ষেত্ৰটো এইটো হৈছে। আজি জনজাতি বিধায়ক থকা স্বত্তেও বেলেগক ট্ৰাইবেল ডেভেলপমেণ্ট কঅপাৰেচনৰ চেয়াৰমেন পতা হ'ল যিটো নেকি তামোলপুৰৰ ৰাইজে তেওঁক প্ৰত্যাখ্যান কৰিছে। ১ লাখ ২৬ হেজাৰ টকা প্ৰকল্প বিষয়া জনে আত্মসাৎ কৰাৰ যি ক্ষমতা সেই সেই ক্ষমতা প্ৰয়োগ কৰি দেখুৱাইছে।

মাননীয় অধ্যক্ষ মহোদয়, জনজাতীয় উন্নয়নৰ নামত যিটো প্ৰসহন তাৰ উদাহৰণ আৰু আছে। অকল জনজাতীয় উন্নয়নৰ ক্ষেত্ৰতেই নহয় পেপাৰত বহুতো কথা ওলাই আছে সেইবোৰ কথা আমি সকলোৱে জানো। আৰু এটা কথা চাৰ জনজাতীয় লোক সকলক ল'ৱাৰ আসাম, ল'ৱাৰ আসাম বুলি কলে সাধাৰণতে বৰপেটা বুলি কয়। কিছুমান মানুহে বৰপেটাৰ নাম শুনিলে উচপ খাই উঠে। সেইকাৰণে বৰপেটাত বসবাস কৰা বড়ো জনগোষ্ঠী

সকলক সাংঘাটিক বুলি ভাৱে। বৰপেটা জিলাৰ পৰা বড়ো জনজাতি বিধায়ক নিৰ্ব্বাচিত হৈ আছিলে সাংঘাটিক কিবা এটা হোৱা বুলি ভাৱে। সেইকাৰণে নলবাৰী জিলাৰ বাসিন্দাৰ স্বয়ম্ভূ বিধায়ক নি বৰপেটাৰ পি, আই, চি, কমিটিৰ চেয়াৰমেন কৰি দিয়া হ'ল। তাৰফলত কি হৈছে ? তাৰ এটা কথা চাৰ বৰপেটা জিলাৰ আই, টি, ডি, পিৰ প্ৰজেক্ট ডিৰেক্টৰ আছেনে নাই ভগবানেহে জানে ? আজি জনজাতীয় সকলৰ যিবিলাক সমস্যা আছে সেইবিলাকক লৈ বিভিন্ন জনে বিভিন্ন মন্তব্য কৰে, বিভিন্ন ধৰণে আলোচনা কৰে আৰু এটা কথা চাৰ মুখ্যমন্ত্ৰী মহোদয়ে শাসনৰ ভাৰ গ্ৰহণ কৰাৰ পিছতেই অসমত শান্তি বিৰাজ কৰিছে বুলি কয়। আজি বড়ো সকলক উগ্ৰপন্থীবুলি কয় বড়োসকল যদি উগ্ৰপন্থীয়েই হয় আৰু তেওঁলোকৰ প্ৰাপ্য ধন যদি কোনোবা বিষয়াই আত্মসাৎ কৰে তেতিয় উগ্ৰপন্থীসকলো যদি নিজাববিয়াকৈ কিবা ব্যৱস্থা লয় তেতিয়াহলে শাসকীয় চৰকাৰে এই বিষয়ে আইন শৃংখলাৰ বিঘ্নিত কৰিছে বুলি তেওঁলোকক উগ্ৰপন্থী বুলি কয়।

Mr. Speaker : You are to draw the attention of the Minister, Welfare of Plains Tribes and Backward classes regarding Pollution from Paper Mills only and not other things. আপুনি বেচি দীঘলীয়া নকৰিব।

★ শ্ৰীমিলন বড়ো : মাননীয় জনজাতীয় সকলৰ বিভিন্ন ধৰণৰ সমস্যা আছে। পেপাৰে কাকতে আজি জনজাতীয় সকলক উগ্ৰপন্থী বুলিয়েই ব্যৱহাৰ কৰা হৈছে। কোনোবাই কৰবাত কিবা এটা বেয়া কাম কৰে সেইটোকে বড়ো উগ্ৰপন্থীয়েই কৰিছে বুলি পেপাৰত পৰিবেশন কৰে। সঁচাকৈয়ে যদি অসমত স্থায়ী শান্তি আনিব বিচাৰিছে তেনেহলে এই জনজাতীয় লোক সকলৰ টকা খিনি যিসকলে আত্মসাৎ কৰিছে সেইসকলৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। নহ'লে আজি বড়ো সকলৰ মনত যি অসন্তোষ্টিৰ ভাৱ পোষণ কৰি সেইটোৱে নিজা ববিয়াকৈ কিবা ব্যৱস্থা লবলৈ বাধ্য হ'ব। মুখ্যমন্ত্ৰী ডাঙৰিয়াই কয় যে অসমক কেতিয়াও বিভাজন কৰিবলৈ দিয়া নহ'ব। যদি সেইটোৱেই হয় তেনেহলে এনে বিলাক বিষয়াৰ ওপৰত একো ব্যৱস্থা নলয় তেতিয়াহলে তেখেতৰ বিবৃতিৰ কি মূল্য থাকিব ?

শেষত মই পি, আই, চি কমিটিৰ চেয়াৰমেন জনৰ যি অভিযোগ আছে সেইটো অনুসন্ধান কৰি বিহিত ব্যৱস্থা লয় আৰু কমিটিখন যাতে ডিজলভ কৰে তাকে কামনা কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

★ Speech not corrected

★ শ্ৰীপানীৰাম ৰাভা: মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মোৰো অলপ কব লগা আছে। যোৱা ১৯৯১ চনৰ ৫ অক্টোবৰ তাৰিখে এখন সভাৰ জৰিয়তে নলবাৰী জিলাৰ এই অনুদান বিলাক বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল আৰু উক্ত মৰ্মে নলবাৰী জিলাৰ আই, টি, চি, পি,ৰ অনুদানবোৰ বিতৰণ কৰা হয়। এই সংক্ৰান্তত ১৯৯১-৯২ চনৰ বাবে ১ লাখ ২৬ হাজাৰ টকা বিভিন্ন অনুষ্ঠানৰ বাবে দিয়া হৈছিল। এই ১ লাখ ২৬ হাজাৰ টকাৰে যোৱা ৫ অক্টোবৰ মিটিঙত কেইখন মান চেক বিতৰণ কৰা হৈছিল আৰু তেনেকৈ দিয়া টকাৰ পৰিমান আছিল ১৩ হাজাৰ। বাকী ১ লাখ ১৩ হাজাৰ টকা আজিলৈকে বিতৰণ কৰা নহ'ল। কিন্তু ইতিমধ্যে এটা কথা আমি দেখিবলৈ পাইছোঁ যে এই টকাখিনি সম্পূৰ্ণকৈ আদায় দিয়া বুলি কেচ বুকুত দেখুউৱা হৈছে। তাত যি জন প্ৰজেক্ট ডিৰেক্টৰ ইন্‌চাৰ্জ হৈ আছিল তেওঁ এই পেমেণ্টবোৰ কৰা বুলি দেখুৱাইছে আৰু তাত দেখুউৱা মতে সাংস্কৃতিক সংঘৰ সম্পাদক, কমল ৰাজবংশীৰ নামত ২০০০, নবীন চন্দ্ৰ দাস সাংস্কৃতিক সংঘৰ বাবে ২০০০ নবোদয় প্ৰাথমিক বিদ্যালয়ৰ নামত ২০,০০০ মহেশ বড়ো সাংস্কৃতিক অনুষ্ঠানৰ নামত ২০০০, সম্পাদক কচুবাৰী জনকল্যান সংঘ পুথি ভড়ালৰ নামত ৫০০০, প্ৰধান শিক্ষক প্ৰাথমিক বিদ্যালয়, ফালিপুৰৰ নামত ২৩,০০০, অশোক ৰাভা, আলগজাৰ ২০০০, সাংস্কৃতিক অনুষ্ঠানৰ নামত ২,৫০০, সম্পাদক, পূৱ তামোলপুৰ এম, ই, স্কুল, সম্পাদক, চাৰাণপাৰা ৰাভা সংঘৰ নামত ১০,০০০, দময়ন্তী ব্ৰহ্ম ১০,০০০, এচ, ব্ৰহ্ম প্ৰধান শিক্ষক টুপলীয়া এম, ই, স্কুলৰ নামত ২০,০০০ টকাকৈ অনুদান দিয়া বুলি নলবাৰী জিলাৰ জনজাতি প্ৰকল্পৰ পৰা জনা যায়। কিন্তু এই টকাৰ এপইচাও উক্ত লোক বা অনুষ্ঠানবোৰে পোৱা নাই। চাৰাণপাৰা ৰাভা সংঘৰ নামত যি ১০,০০০ টকা দিয়া বুলি দেখুৱাইছে সেই সংঘৰ মই নিজে চেয়াৰমেন আছিলো। গতিকে এই বিষয়টো মই নিজে জানো। এই টকা আমি পোৱা নাই। যোৱা ৫ অক্টোবৰৰ মিটিঙত শিক্ষামন্ত্ৰী মহোদয়ে যি কেইখন চেক বিতৰণ কৰিছিল তাত মাত্ৰ তেৰ হাজাৰ টকাহে দিয়া হৈছিল। বাকী টকা খিনি সেই সময়ত কোৱা হৈছিল যে অহা সোমবাৰে কাৰ্য্যালয়লৈ আহি লৈ যাব বুলি কোৱা হৈছিল। কিন্তু পিছত খবৰ কৰাত প্ৰজেক্ট ডিৰে-ক্টৰক অনুদানৰ ৫০ শতাংশ দিলেহে আদায় দিব বুলি কৈছিল। সেই সময়ত মই সমষ্টিতে আছিলো আৰু এই বিষয়ত মোক কেইবা জনেও অভিযোগ

Speech not corrected.

দিছিল। এই বিষয়ে মই লগে লগে উপায়ুক্তক জনাইছিলোঁ। আৰু তেতিয়া উপায়ুক্তই উক্ত টকাখিনি দিয়াতো বন্ধ কৰি দিব বুলি কৈছিল। এই বিষয়টো ইতিমধ্যে বাতৰি কাকততো প্ৰকাশ পাইছে আৰু আমি এতিয়া এই কথাটো বুজিব পাৰিছোঁ। যে এই টকাখিনি বিতৰণ কৰা হোৱা নাই, প্ৰজেক্ট ডিৰেক্টৰে নিজে স্বাক্ষৰ কৰি এই টকাখিনি আত্মসাত কৰিছে। এই বিষয়টো যোৱা এ, টি, পি, এ,ৰ মিটিঙতো মই উত্থাপন কৰিছোঁ। যোৱা জুলাই চেচনতো নলবাৰী জিলাৰ এনেকুৱা আন এটা ঘটনা মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই উল্লেখ কৰিছিল। এই ঘটনাত জনজাতি ৰাইজৰ ৬ লাখ টকা আত্মসাত্ কৰাৰ অভিযোগ উঠিছিল আৰু তেতিয়া জনজাতি বিভাগৰ মন্ত্ৰী মহোদয়ে সেই ঘটনাত জড়িত বিষয়া জনক চাচপেণ্ড কৰা বুলি কৈছিল। এই ঘটনাটোৰ ক্ষেত্ৰত প্ৰকৃত তথ্য থকা স্বত্তেও কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই সেইটো বুজি পোৱা নাই। সেই কাৰণে এই ঘটনাটোত যি বিষয়া জড়িত হৈ আছে তেওঁলোকৰ বিৰুদ্ধে এই সদন চলি থকা সময়তে ব্যৱস্থা গ্ৰহণ কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক জনাব বুলি আশা কৰিলো।

★ শ্ৰীজয়নাথ শৰ্মা: Mr. Speaker Sir, I have some documents which I would like to refer in this connection.

অধ্যক্ষ মহোদয়, মই সদনৰ জ্ঞাতাৰ্থে এটা কথা কব খুজিছোঁ। যে এই বিষয়টো ইতিমধ্যে বাতৰি কাকতত প্ৰকাশ পাইছে আৰু এই বিষয়ত তাৰ ৰাইজেও অভিযোগ কৰি কৈছে যে নলবাৰী জিলাৰ সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ চেয়াৰমেন শ্ৰীঅম্বৰীশ লাহাৰী আৰু তদানীন্তত সঞ্চালক শ্ৰীজে, এন, শৰ্মাই (ই, এ, টি) লগ লাগি জনজাতিৰ বাবে মঞ্জুৰ হোৱা লক্ষাধিক টকা আত্মসাৎ কৰাৰ সত্য তথ্য ৰাইজৰ মাজত ওলাই পৰিছে। এই ঘটনাত ১ লাখ ২৬ হাজাৰ টকা আত্মসাত্ কৰিছে আৰু তাৰ তিনিখন মান ৰিচিপ্ট মোৰ হাতত আছে। এই কেইখন মই আপোনাক দিম। এই ঘটনাত এজন মাননীয় মন্ত্ৰীৰ নামো উল্লেখ কৰা হৈছে। তেখেতৰ নামটো মই এতিয়া কৈ নিদিও, কিয়নো ঘটনাটো সত্য হয় নে নহয় সেইটোহে আমাৰ সদনক আৰু লগতে ৰাইজক জনাব লাগে বুলি মই ভাবিছোঁ। প্ৰাপ্ত তথ্য মতে উক্ত টকাবোৰ এনে ধৰণে আদায় দিয়া বুলি দেখুৱা হৈছে :- শ্ৰীকমলা ৰাজবংশী (সাংস্কৃতিক কামৰ বাবে)

★ Speech not corrected

২০০ টকা, শ্ৰীনবীন চন্দ্ৰ দাস, সাংস্কৃতিক কামৰ বাবে-২,০০০ টকা, প্ৰধান শিক্ষয়ীত্ৰি, নবোদয় প্ৰাথমিক বিদ্যালয়, বৰশিমলাগুৰি ২০,০০০ টকা, শ্ৰীমহেশ চন্দ্ৰ বড়ো (সাংস্কৃতিক কামৰ বাবে-২,০০০ টকা সম্পাদক, ২ নং কচুবাৰী জনকল্যান সংঘ পুথি ভড়াল-৫,০০০ টকা, প্ৰধান শিক্ষক, বাথৌগুৰি প্ৰাথমিক বিদ্যালয়, কালিপুৰ-২৩,০০০ টকা, শ্ৰীঅশোক ৰাভা, আলাগজাৰ, বৰমা (সাংস্কৃতিক কামৰ বাবে)-২,০০০ টকা ৩নং বৰতলা বীনাপানী মহিলা সমিতি (সাংস্কৃতিক কামৰ বাবে)-২,৫০০ টকা, সম্পাদক, চাৱানপাৰা ৰাভা সংঘ, আলাগৰাৰ-১০,০০০ টকা শ্ৰীমতী দময়ন্তী ব্ৰহ্ম, খালা গেৰুৱা আইজী আফাদ-১০,০০০ টকা প্ৰধান শিক্ষয়িত্ৰী, টপলীয়া এম, ই, স্কুল-২০,০০০ টকা ৰূপজ্যোতি মহিলা সমিতি, ৩ নং বৰতলা-২,৫০০ টকা—মুঠ ১ লাখ ২৬ হাজাৰ টকা ইয়াৰ ভিতৰত আকৌ কোৱা হৈছে যে উপৰোক্ত শ্ৰীকমলা ৰাজবংশী, ৩ নং বৰতলা বীনাপানি মহিলা সমিতি আৰু ৰূপজ্যোতি মহিলা সমিতি টি, এচ. পি, অঞ্চলত বাহিৰৰ বৰক্ষেত্ৰী অঞ্চলৰ লোক। এই লোক সকলৰ যি ধৰণে টকা বিতৰণ কৰা দেখুৱাইছে তাৰ সকলো বোৰ চহী জাল চহী কৰি তেওঁলোকে আত্মসাৎ কৰিছে। গতিকে এই বিষয়টো বৰ গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত এজন মন্ত্ৰীকো জড়িত কৰা হৈছে। কিন্তু মই ভাৱো এই বাবে মাননীয় মন্ত্ৰী গৰাকী হয়তো ইমান তললৈ যোৱা নাই গতিকে প্ৰকৃততে যদি এনে ঘটনা হোৱা নাই তেনেহলে অসমৰ ৰাইজৰ কাৰণে মঙ্গলজনক হ'ব আৰু যদিহে এনে ঘটনা হৈছে তেনেহ'লে ইয়াৰ বিহিত ব্যৱস্থা অতি সোনকালে লব লাগে।

অধ্যক্ষ মহোদয়, "অগ্ৰদূত" বাতৰি কাকতত ওলাইছে যে মুখ্যমন্ত্ৰীৰ হাত বেছি, ১০ খনতকৈও বেছি। ৰাঁৱণতকৈও বেছি হাত। জনতা ভৱনত যিজনে মুৰি ঘৰৰ তেওঁ কয় যে মুখ্যমন্ত্ৰী সোঁ-হাত। মুখ্যমন্ত্ৰীৰ মানুহ বহুত আছে। এনেকৈয়ে মন্ত্ৰীৰ নামত বেয়া কাম চলি থাকিবলৈ দিলে, বিভিন্ন ঠাইত বেয়া কাম কৰাটো চলিব দিলে অকল আপোনালোকৰ দলৰে নহয়, দেশৰ ক্ষতি হ'ব। এইটো প্ৰতিৰোধ কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ। ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কৈছেই যে সমালোচনাৰ কাৰণে ডাঙি ধৰা বুলি নকৰ। মন্ত্ৰী কোন নাম উল্লেখ নকৰো। আজি মই বেয়া পাওঁ, সেয়ে নাম উল্লেখ নকৰো। আজি মই আপোনাৰ জৰিয়তে আপোনালৈ দৰখাস্তখন দিম, তেখেতে নিজে বিচাৰ কৰক। জাল চহী মাৰি একলাখ তেৰ হেজাৰ টকা আত্মসাৎ কৰা হৈছে।

এই বিষয়ে বিচাৰ হব নে নহয়, অম্বৰিশ লাহৰি কোন, এইটো বিচাৰ হ'ব লাগে। ৰাজহুৱা টকা কি কাৰণত তেখেতে আত্মসাত্ কৰিছে? নিশ্চই বিচাৰ হব লাগে। দুৰ্নীতিক যদি ঢাকি ৰাখিবলৈ বিচাৰে, তেনেহলে হাজাৰটা ফাকী দিব লাগিব। এই মাহতে ব্যৱস্থা লব বুলি আশা কৰিছোঁ। অম্বৰিশ লাহৰিৰ ওপৰত বিচাৰ হব বুলি আশা ৰাখিলোঁ। এইটো বাস্তৱ ক্ষেত্ৰত ব্যৱস্থা লোৱা হব বুলি আশ্বাস দিব নালাগে, বাস্তৱতে ৰূপায়ন হব লাগে।

মাননীয় অধ্যক্ষঃ ইতিমধ্যে তিনিজন মাননীয় সদস্যই কৈছেই। আপোনা-লোক সকলোৱে কবলৈ বিচাৰে, মোৰ কথা নুশুনে। মোৰ কথা শুনি লওঁক। বাজেট আলোচনা আজি আৰু কালিলৈকে আছে। কালিলৈ পিচবেলা মুখ্য মন্ত্ৰীয়ে উত্তৰ দিব। কবলৈ বহুত সদস্য আছে, কিছুমানে মাত মাতিব পৰা নাই। (ভইচ-নিজৰ সমষ্টিৰ জনক কবলৈ দিয়ক)। তেখেত বাৰু সমষ্টিৰ হিচাবে কওঁক, কিন্তু চাৰিজনৰ বেছি কব নালাগে।

★ শ্ৰীদেৰহাগ্ৰা মুছাহাৰিঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত মাননীয় সদস্য সকলে ইতিমধ্যে কৈ গৈছে। এই ঘটনাটো বাতৰি কাকত, ওলাইছে। এই সম্পৰ্কে মই বেছিকৈ কবলৈ বিচৰা নাই। যিজন আই, টি, ডি, পি,ৰ চেয়াৰম্যান আছে, তেখেতৰ জৰিয়তে ঘটনাটো হৈছে। এই সম্পৰ্কে মোক ৰাইজে এলিগেশ্বন দিছিল যে ৮০ হেজাৰ টকাৰ ৪০ হেজাৰ টকা নিদিলে চেয়াৰম্যানে অনুদান নিদিয়ে। এনেদৰে চাৰি পাচটা অনুষ্ঠানৰ লোকে টকা আনিবলৈ গৈ ঘুৰি আহিছে। যিজন অম্বৰিছ লাহৰিক চেয়াৰম্যান, দিয়া হৈছে, সেই জন মানুহে আমাৰ উন্নয়ন পৰিষদৰ চেয়াৰমেন গোটেইখন ডিষ্ট্ৰিক্ট লেভেলৰ সদস্য তাৰোপৰি নলবাৰী ডিষ্ট্ৰিক্ট ইলিমেণ্টৰী বোৰ্ডতে সদস্য হিচাপে আছে। তেখেত এনেকুৱা ধৰণৰ ক্ষমতাশীল লোক যে ডিষ্ট্ৰিক্ট ইলিমেণ্টৰী বোৰ্ডৰ চেয়াৰম্যান থকা স্বত্বেও নিজে মিটিং মাতিব পাৰে। তেখেতে মোকো মুখেৰে মিটিঙলৈ মাতি কৈছিল যে শিক্ষক সকলৰ নিযুক্তি দিয়াৰ দেৰি হৈ গৈছে, সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। যোৱা ২৯ তাৰিখে নলবাৰী জিলাৰ চাৰ্কিউট হাউচত যি ঘটনা হল, সেই কাৰণে মই এইখিনি কব খুজিছোঁ। চৰকাৰে এনেকুৱা ধৰণৰ লোকক দায়িত্ব দিছে আৰু এনেকুৱা ধৰণৰ মানুহজনে ৰাইজৰ সেৱক হিচাপে অনুষ্ঠান বিলাকৰ দায়িত্ব বহন কৰি আছে। তেখেতে এই কু-কাৰ্য্য বিলাকত লিপ্ত থকা বুলি জানিও যদি চৰকাৰে ব্যৱস্থা লবৰ কাৰণে

★ Speech not corrected

ইচ্ছা নকৰে তেতিয়া হলে আমাৰ জনজাতী সকলৰ কেনেধৰণৰ উন্নতি সাধন কৰিব। চাকৰিৰ বাবে ১৫/২০ হেজাৰ টকা লয়, ইয়াৰ ফলত মাটি বিক্ৰী হৈছে, কিন্তু চাকৰি নেপায়। তেওঁলোকক চাকৰি দিব পৰা নাই। সেই কাৰণে কৈছো যে এই অস্বৰিশ লাহৰিয়ে যোৱা ২৯ তাৰিখে ইলিমেণ্টৰী এডুকেশ্বন বোৰ্ডৰ যিখন মিটিং পাতিছিল মাষ্টৰ নিযুক্তিত পলম হল বুলি, সোনকালে দিব লাগে বুলি, এড্ভাইচৰী বোৰ্ডৰ চেয়াৰম্যান ডাঙৰিয়াই নিজেই ধৈৰ্য্যৰে থাকিব নোৱাৰি পিস্তল উলিয়াব লগা হ'ল। এজন ধুতি পিন্ধা সদস্যই ভালে নগল ভয়তে। জনজাতি সকলৰ ৰক্ষণাবেক্ষনৰ কাৰণে যদি এই বিলাক মানুহক বাছি উলিয়াই, তেনেহলে আমাৰ কেনেকৈ মঙ্গল সাধন হব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা: মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় উত্থাপন কৰা হৈছে এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। নলবাৰী জিলাৰ আই, টি, ডি, পি,ৰ টকা আত্মস্যাৎ কৰা বুলি ইতিমধ্যে অভিযোগ উঠিছে। আজি এটা দুৰ্নীতিৰ বিষয়ে বাতৰি কাকতত ওলাইছে। বৰ্তমান চৰকাৰখনৰ ৮ মাহ সময় হৈছে। এই সময়তে দেখা গৈছে যে প্ৰত্যেক বিভাগতে কৰাপশ্বন আছে। কৰাপশ্বনৰ নথি পত্ৰ দিয়া হৈছে, কিন্তু বিভাগে ব্যৱস্থা লোৱা নাই। এটা নিৰ্দ্দিষ্ট বিষয়ৰ ওপৰত আজি এই বিষয়টো উত্থাপন কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীপানী ৰাম ৰাভা বৰমা সমষ্টিৰ চাৰাণপাৰা ৰাভা যুৱক সংঘৰ সভাপতি। সেই সংঘৰ সভাপতিয়ে নিজে কৈছে যে ১০ হেজাৰ টকা পোৱা নাই। এই সংক্ৰান্তত তেখেতে লিখিত ভাবে জনাইছে, টকা পোৱা নাই। বুলি। এই বিষয়ৰ বাতৰিটো ওলোৱাৰ পিচতো চৰকাৰৰ পৰা কোনো স্পষ্টীকৰণ দিয়া হোৱা নাই। এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা লৈছে বা লব কোনো স্পষ্টীকৰণ নাই। বাতৰি কাকতত বাতৰি ওলোৱাৰ পিচত স্পষ্টীকৰণ দিয়াৰ চৰকাৰ দায়িত্ব আছে। কিন্তু চৰকাৰ এই ক্ষেত্ৰত নিমাত হৈ থকা দেখিবলৈ পাওঁ। আজি বিধান সভা চলি থকাৰ কাৰণে আমি ইয়াত কবলৈ পাৰিছো। যদি বিধান সভা নবহে তেতিয়া হলে দেখিব এই কৰাপশ্বন অবাধ গতিত চলি থাকিব। দেখা যায় এই চৰকাৰে এই ক্ষেত্ৰত কোনো কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে। চৰকাৰৰ আঠ মাহ পাৰ হ'ল আৰু চাৰি বছৰ চাৰি মাহ বাকী আছে। যদি এনেকুৱা হৈ থাকে তেতিয়া হলে অসমৰ অৱস্থা কি হব। 'অসমক অক্চনত দিব লাগিব'। মই ভাবো এই সম্পৰ্কে চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে আজি যি টকা আত্মসাত্ কৰা হৈছে, এই বিষয়ত মন্ত্ৰীয়ে উত্তৰ দিব

★ Speech not corrected

আজি আই, টি, ডি, পি,ৰ যিসকলে টকা আত্মসাত্ কৰিছে তেওঁলোকক কঠোৰ ব্যৱস্থা লৈ জেল হাজোতত পঠিয়াব লাগে। এই খিনিয়ে মোৰ কবলগা।

Shri Parameswar Brahma : Mr. Speaker Sir, I have heard about the affairs of the Nalbari District. I.T.D P. Chairman. Now my request is that Government thinks for the development of tribal people, but Sir tribal people are very simple, honest and unscrupulous. If Government, for politics, instills corruption in the simple minded tribal people it will polute the entire tribal society and this will contradict the version of the development of the tribal people. Sir, I want that enquiry be made and proper punishment be given to guilty persons so that people can know and understand that the Government thinks for the actual development of the tribal people. The same game is going in all the districts of the state. Mr. M. Basumatary is heading the entire Darrang district. So my request the Government not to try to polute the tribal society in the name of politics and in the name of taking party work. They are nothing but creating agents of corruption in the tribal society. I request to stop it.

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে এটা অনুসন্ধান কৰিবলৈ দিয়া হৈছে। অনুসন্ধান চলি আছে। তথ্যপাতি অহাৰ পিচত চলিত সদনত এই সম্পৰ্কে এটা বিবৃতি দিয়া হব।

★ শ্ৰীমিলন চন্দ্ৰ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এই যি জন চেয়াৰমেন পাতি দিছে তেওঁৰ যি কাৰ্য্যকলাপ সেইটো সোনকালে তদন্ত কৰিব নেকি ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্তৰ ভিতৰতে আছে।

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই চেয়াৰমেন জনৰ ওপৰত অতি সোনকালে একশ্যন লবনে নলয় সেইটোহে লাগে ?

★ Speech not corrected

★ শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপানিৰাম ৰাভাদেৱে যিটো কৈছে যে আগৰ নলবাৰী জিলাৰ যিজন চাব-ডিভিজনেল অফিচাৰ আছিল, তেওঁ যি ৬ লাখ টকাৰ দুৰ্নীতি কৰাৰ বিষয়ে কোনো ব্যৱস্থা নোলোৱাৰ কথা কৈছে সেইটো সত্য নহয়। তেওঁক চাচপেণ্ড কৰা হৈছে আৰু ইতিমধ্যে সেই কেছটো বিচাৰাধীন হৈ আছে।

★ শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ৩ খনৰ ৰিপৰ্ট দিছে। এইটো দুদিনৰ কথা। একশ্যন লবনে নলয়? আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কৈছে এনেধৰণেৰে ট্ৰাইবেল মানুহৰ ওপৰত আঘাট হানিব নেলাগে।

Mr. Speaker : Please take your seat.
(Shouts from the members belong to Opposition Bench) Shri Zoii Nath Sharma, Shri Nagen Sharma, and Shri Chandra Mohan Patowari stood on their feet to speak at this juncture.)

★ শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাকো আঘাত দিয়াৰ অভিপ্ৰায় নাই। ইতিমধ্যে তদন্ত চলি আছে আমি সকলো কৰিবলৈ প্ৰস্তুত।

★ শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, চেয়াৰমেন জনক তদন্ত কৰি থকাৰ সময়ত নিলম্বিত কৰি ৰাখিব লাগে।

★ শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰটো দিয়া নাই। যদি তেওঁক কাম কৰিবলৈ দিয়া হয় তেন্তে তেওঁৰ ওপৰত থকা অভিযোগৰ তথ্যপাতি হানী কৰিব পাৰে। তেওঁক নিলম্বিত কৰি ৰাখিবনে?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত অভিযোগ আহিছে। তদন্তৰ কৰি ব্যৱস্থা লোৱা হ'ব।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আই. টি, ডি, পি,ৰ যি গৰাকী এ চি এচ বিষয়াক যোৱাবাৰ যেনেকৈ নিলম্বিত কৰা হল, প্ৰচিডিং ড্ৰ কৰা হল থিক তেনেকৈ অশ্বৰিশ্ব লাহিৰিক, যি জনৰ আমি নামেই শুনা নাই তেওঁক অনুসন্ধান কৰি থকা সময়খিনিত নিলম্বিত কৰি ৰাখিব লাগে। এই 'ডিফিটেদ কেণ্ডিডেট' বিলাক আমাৰ জলন্ত সমস্যা হৈ পৰিছে। এইটো লাজলগা কথা। লাজ যে নেপায়, এইটো সকলোৰে বাবে সমস্যা হৈ পৰিছে।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোঁয়ে অনুসন্ধান কৰি থকা হৈছে। তেওঁ চৰকাৰী বিষয়া নহয় নিলম্বিত কৰিবলৈ। তেওঁ

★ Speech not corrceted

অস্থায়ীভাৱে কাম কৰি আছে, নিলম্বিত কৰাৰ প্ৰশ্ন নুঠে। তেওঁক 'ৰিমূভ' কৰিব পাৰি।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, এই সদনৰ এটা নজিৰ আছে। মানাহৰ কেচৰ সংক্ৰান্তত মাননীয় মন্ত্ৰী এজনক শ্ৰীউৎপল দত্তক মন্ত্ৰী পদৰ পৰা আতৰাই ৩ জনীয়া কমিটি পাতি অনুসন্ধান কৰিবলৈ দিয়া হৈছিল। এইজন এজন মামুলি চেয়াৰমেন, এওঁৰ ক্ষেত্ৰত কিয় কৰিব পৰা নাই।

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে, আমাৰ যিবিলাক মানুহক দিয়া হৈছে, 'ষ্টেটাচ' থকা মানুহক দিয়া হৈছে।

(সদনত হুলস্থূল)

(interruption .... interruption .... Uproar .... O Shri Zoii Nath Sharma, Shri R. N. Kalita and others rose to speak creating interruption, in the processing of the House.)

★ শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে এটা দুৰ্নীতি ৰচাই ৰাখিবলৈ গৈ কিয় ১০ টা দুৰ্নীতি কৰিব লাগিব। এই অম্বৰীশ লাহিৰিক কিয় 'চেফ গাৰ্ড' দিবলৈ যায়। মন্ত্ৰীৰ নামত যি পইচা খায়, ঠগ কৰে সেই অম্বৰীশ লাহিৰি এজন চুৰ। সেই চুৰক কিয় ৰক্ষনাবেক্ষন দিবলৈ বিচাৰে ?

শ্ৰীবৰ্গৰাম দেউৰী : অধ্যক্ষ মহোদয়, যি গৰাকী ব্যক্তিৰ বিৰুদ্ধে ইয়াত আজি আলোচনা কৰা হৈছে। তেখেত এজন প্ৰাক্তন বিধায়ক আৰু সমাজ কৰ্মী, আছিল। যিসকল বিধায়ক হৈ আছে তেওঁলোকেও কালিলৈ প্ৰাক্তন বিধায়ক হব পাৰে। তেতিয়া হলেও সমাজত এটা ষ্টেটাচ থাকিব। সেই কাৰণে মই কৈছো যে তেওঁ এজন ষ্টেটাচ থকা লোক তেওঁ কোনো চুৰ বা ডাকু নহয়।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, বিশেষ অধিকাৰ কমিটি গঠন কৰা হৈছে যিহেতু, এই কমিটিয়ে মতামত দি আহিছে আৰু সদনত এই বিষয়ে সদৰি হৈ আছে। পাৰ্লিয়ামেণ্টৰী এফেয়াৰচ মন্ত্ৰীৰ সিদ্ধান্ত অনুসৰি ডেপুটি স্পীকাৰক যেতিয়া আতৰোৱাব পাৰে, অম্বৰীচ লাহিৰীক কিয় আঁত-ৰোৱা নহ'ল ? আজি বিধায়কৰ দেউতাক আৰু ভায়েকক অন্যায় ভাবে পুলিচে

★ Speech not corrected

উঠাই নিছে। ইয়াত মৰ্য্যদাৰ কথা নাহে নেকি? ইমান খিনি প্ৰমান পোৱা স্বত্তেও লাহিৰীক কিয় আঁতৰোৱা নহ'ল। ধেমালি পাইছে নেকি?

★ শ্ৰীজয় নাথ শৰ্ম্মা: মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতি কৰা লোকক আঁতৰাই দিবই লাগিব।

মাননীয় অধ্যক্ষ: অধ্যক্ষই যেতিয়া কথা কবলৈ ঠিয় হয়, সদস্য সকলে অলপ ধৈৰ্য্য ধৰি শুনিব লাগে। আৰু আপোনালোকে মোক ৰুলিং দিবলৈ উপদেশ দিব নেলাগে। কথা হ'ল মন্ত্ৰীয়ে অনুসন্ধান কৰি সঠিক ভাবে জনাম বুলি কৈছে যেতিয়া, সময়ত ইয়াৰ উপযুক্ত বিচাৰ পাবই। মই যি শুনিলোঁ, এইবোৰ সঁচাও হ'ব পাৰে, কিন্তু এই কথা অনুসন্ধান কৰিলেহে আচল কথাটো ওলাই পৰিব। অনুসন্ধানৰ ৰিপ'ৰ্ট ১৫ দিনৰ ভিতৰত দিয়া হ'ব।

(সদনত হুলস্থুলৰ সৃষ্টি হয়)

(Mr. Speaker requested all the members from the Opposition Bench to take their seats disagreeing with ruling of the Speaker. Shri R; N; Kalita, Shri Parameswar Brahma, Sri C. M. Patowari stood on their feet and protested against the ruling of the Speaker)

★ শ্ৰীআলাউদ্দিন চৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, স্পষ্ট প্ৰমান পোৱা স্বত্বেও সাময়িক ভাবে অভিযুক্ত মানুহজনক নিলম্বিত কৰিব নাৰাবে নেকি?

(Shri R. N. Kalita, Shri Alauddin Sarkar, Shri Nagen Sharma rose on their feet and protested and objected against the statement of the Hon'ble Speaker .... they continued demanding suspension of Shri Ambarish Lahiri, Chairman of the Board .... interruptions continued....

★ Shri Jagannath Sinha : Sir, after the ruling of the Hon'ble Speaker there cannot be any further arguments. The ruling of the Speaker is final.

Mr. Speaker: Hon. Minister, WPT & BC has stated correctly that he would inquire into the matter and come

★ Speech not Corrected

up with the results of the inquiry and would take action as deemed necessary. Now, I go to item No. 4.

(When a group of Opposition Members came to the well of the House and continued with their demand in any angry and agitated mood.) Hon'ble Members, kindly go to your seats. I am again requesting you kindly to go to your seats. (but the Opposition Members assembled in the Well of the House continued with their demand on the top of their voices. At this stage Stage Shri Anjan Dutta rose in his seat and started speaking, but nothing could be heard in the din. At 11-22 A. M. the Opposition Members except one Independent and Janata Dal Member Dr. Abdul Matin Mazumdar, (left the House.)

General Discussion on the Budget

★ শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী সদস্য সকলে যি অভিযোগ আনিছে সেয়া অতি আচৰিত কথা হৈছে যে যোৱা ৫ বছৰত এই বিধান সভাৰ সদস্য সকল মন্ত্ৰী সভাত মন্ত্ৰী হিচাপে আছিল। শ্ৰীহবিবুৰ ৰহমান ও এ, জি, পি,, চৰকাৰৰ দিনত আছিল। মাননীয় অধ্যক্ষ মহোদয়, বড়ো, কাৰ্বি আদি জনজাতি লোক সকলক শিক্ষকৰ পদত নিযুক্তি দিয়াৰ পৰা বঞ্চিত কৰি ৰাখিছে। কি কাৰণত এই জনজাতি সকলক বঞ্চিত কৰি ৰাখিব লগীয়া হৈছে সেই বিষয়ে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে জনাবনে ?

★ ডাঃ ভূমিধৰ বৰ্মন : মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ পৰা প্ৰতিবেদন পালে সদনত দাখিল কৰা হব।

★ শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই শুনিবলৈ পাইছোঁ যে কিছুমান কমিটিত শাসক দলৰ প্ৰতিনিধি নাই। কিন্তু বিৰোধী দলে অভি-যোগ আনিছে যে, বড়ো জনজাতি সকলক অন্যায় কৰা কাৰণে বড়ো আন্দোলন গঢ়ি উঠিছে। এটা কথা ঠিক যে অসম আন্দোলনৰ সহায়কাৰী হিচাবে আছিল।

★ Speech not corrected

বড়ো আৰু কাৰ্বি জনজাতি সকল। ডাঃ জয়ন্ত ৰংপিয়েও অসম আন্দোলন কৰিছিল। যোৱা ৫ টা বছৰত জনজাতি লোক সকলক এ, জি, পি, চৰকাৰে অন্যায় কৰা কাৰণে তেওঁলোকৰ মনত ক্ষোভ আৰু হতাশাই ঠাই পাইছে। আমাৰ প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ বিৰুদ্ধে অভিযোগ আহিছিল। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ বিৰুদ্ধে ১৯৮৩ চনত বহুতো অভিযোগ আনিছিল। কিন্তু অভিযোগ থকা স্বত্বেও তেখেতক কিয় ৰাইজে এইবাৰ সমৰ্থন জনালে। গতিকে অভিযোগ বিলাক অমূলক। এ, জি, পি, চৰকাৰৰ দিনৰ দূৰ্নীতিবিলাক প্ৰকাশ কৰিবলৈ বিচৰা নাই। চাউলৰ কেলেংকাৰী প্ৰকাশ কৰিবলৈ বিচৰা নাই। এগ্ৰিকালচাৰ বিভাগৰ দূৰ্নীতিৰ কথা, ৰাকী অঞ্চলত খৰাং পিড়িত হোৱা সত্বেও ৮০ লাখ টকা মঞ্জুৰ কৰা হৈছিল। সেই ৮০ লাখৰ পৰা ৬০ লাখ টকা আত্মসাৎ কৰিছিলে। এনেকুৱা বহুতো দৃষ্টান্ত আছে। যোৱা ৫ টা বছৰত বিভিন্ন বিভাগৰ আয়ুক্ত, সচিবক কিয় এনেকুৱা হৈছে বুলি সোধাত তেখেত সকলে কৈছিল যে আমি মন্ত্ৰীৰ নিৰ্দ্দেশত কাম কৰিবলৈ বাধ্য। আই কংগ্ৰেছৰ বিৰুদ্ধে অভিযোগ আনিলে কি হব ? কংগ্ৰেছে শাসন কৰা ৬-৮ মাহে হৈ গৈছে। ব্ৰহ্মপুত্ৰ ভেলিত উইভিং চচাইটিৰ কাৰণে ২১ কৌটি টকা খৰছ কৰা হৈছিল। 'নিৰব বিপ্লৱ' বুলি এখন কাকত ওলাইছিল তাত বহুতো দুৰ্নীতিৰ কথা আছিল। ব্ৰহ্মপুত্ৰ ভেলিত উইভিং চচাইটি কামৰূপ জিলাত আছিলে কিন্তু অসমৰ বিভিন্ন জিলাতে বিয়পি পৰিছে। এইবিলাক প্ৰমাণ হোৱাটো বিচাৰো কি পৰিস্থিতিৰ কাৰণে কৰিবলগীয়া হৈছিল এই কথাবোৰ অতি উল্লেখযোগ্য। এইবিলাকৰ অনুসন্ধান হব লাগে। জনসাধাৰণে কংগ্ৰেছ আই দলক এৰি দিয়া নাই। সমৰ্থন হে জনাইছে। কংগ্ৰেছে দুৰ্নীতিক প্ৰশ্ৰয় নিদিয়া বুলি বাজেট সম্পৰ্কতে দেখা পাইছে। অসমৰ বিভিন্ন ঠাইত বিলাসিতাৰ হোটেল আছে। তেনে হোটেলবিলাকত দুখীয়া লোকসকলে খাবলৈ যাব নোৱাৰে। ভাবিলে সপোন যেন হে লাগে। তেনেকুৱা হোটেল বিলাকত কৰ লগোৱাটো ভাল হৈছে। বিদেশী মদৰ ওপৰত কৰ লগোৱাটো আমি বিচাৰো। মদ খোৱা মানুহক উচটনি দিবলৈ যোৱা নাই। অসমৰ সীমা খানাপাৰাত বিদেশী মদৰ দোকান আছে। সেই দোকানবোৰে অসমৰ পৰা ৰাজহ আদায় কৰি আছে। কাৰণ মদ খোৱা লোকসকলে খানাপাৰাৰ পৰাহে মদ কিনি আনে। নগাওঁ বা বৰপেটা জিলাক ড্ৰাই এৰিয়া বুলি ঘোষণা কৰা সত্বেও কোনেও আন্দোলন কৰা নাই। কিন্তু মদ খোৱা বন্ধ কৰিব বুলি

★ Speech not corrected

কলে হয়তো মহিলা সমিতিয়েও প্ৰতিবাদ কৰিব। ১২-১৮ মাই অন্তৰ্গত থকা মদৰ দোকানবোৰত কৰ লগাই তাৰ পৰা অসম চৰকাৰে বহুতো ৰাজহ আদয় কৰিব পাৰিব বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। মোৰ মতে গোটেই অসমৰ জিলা বিলাকতে ড্ৰাই এৰিয়া বুলি ঘোষণা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও বাজেট খনৰ বহুতো উল্লেখনীয় দিশ আছে। দুৰ্ব্বল শ্ৰেণীৰ ৰাইজৰ সুবিধাৰ্থে তেওঁলোকৰ মাজত অতিৰিক্ত নিয়োগৰ সৃষ্টি কৰি নিবনুৱা সমস্যা সমাধানৰ কৰাৰ কাৰণে চৰকাৰে যিবিলাক ব্যৱস্থা এই বাজেটৰ জৰীয়তে ৰাখিব বিচাৰিছে তাৰ বাবে আমি চৰকাৰৰ নিশ্চয় শলাগ লব লাগিব। তাৰোপৰি মই মাননীয় মুখ্যমন্ত্ৰী, মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যাতে নতুন কৰৰ সৃষ্টি কৰি ৰাজহৰ ধন টনকিয়াল কৰে। ব্ৰহ্মপুত্ৰ সূতা কলৰ জগন্নাথ শৰ্ম্মাৰ সম্পৰ্কত যি ২১ কোটি টকাৰ কেলেংকাৰী আছে সেই বিষয়টো সোনকালেই তদন্ত কৰি ব্যৱস্থা লব লাগে কিয়নো এই বিলাকৰ দ্বাৰাও আমাৰ ৰাজহৰ ধন বৃদ্ধি হ'ব আৰু দুখ লগা কথা যে এই বিলাক বিষয়ে প্ৰেচাৰ দিলে আজিকালি টেলিফোনত ভাবুকি দিয়ে, মই নিজে ডাঃ ধনীৰামৰ বিষয়ে কওঁতে কৈছিল যে শাসক দলে একো কৰিব নোৱাৰে টেলিফোনত মোৰ পৰিবাৰক ভাবুকি দিছে। তাৰ পাচত আমাৰ অধিকাকৰ সংগ্ৰহ কৰিবৰ কাৰণে এক্সাইজ ইত্যাদিৰ ওপৰত অধিক কৰ লগাব পাৰে আৰু চিগাৰেটৰ ওপৰতো অধিক কৰ লগাব পাৰে আৰু এই কৰ বৃদ্ধি কৰিলে নিয়োগৰ ক্ষেত্ৰত সহায়ক হ'ব। বিৰোধী সদস্য সকলে মাজে মাজে কৈ থাকে যে এল, পি, স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কেৱল কংগ্ৰেছ দলক সুবিধা দিয়া হৈছে কিন্তু আপোনালোকে জানে যে বৰ্ত্তমান চৰকাৰে সকলো দলৰ সদস্যকে ১২ খনকৈ স্কুলৰ শিক্ষক নিযুক্তিৰ সুবিধা আগবঢ়াইছে। কিন্তু বিৰোধী পক্ষৰ সদস্য সকলে বাৰে বাৰে লিষ্টখন চেঞ্জ কৰি থাকে। দলে যেতিয়া বাৰ বাৰ কৈ আছে ধৰি লৈছো যে কংগ্ৰেছে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত সুবিধা লৈছে কিন্তু আমি শুনি আচৰিত হৈছো যে বিৰোধী পক্ষৰ বিধায়ক সকলকো ১০ হাজাৰকৈ টকা দিছে। তেওঁলোকক এল, পি, এম, ই, ১২ খনকৈ স্কুল দিছে কিন্তু তেওঁলোকে ১৯৭৪ চনৰ নলৈ ১৯৯০ চনৰ এল, পি, স্কুল দিয়াৰ কি কাৰণ থাকিব পাৰে? গতিকে এই ক্ষেত্ৰত চাব লাগিব বৰ্ত্তমান চৰকাৰে আচলতে সকলোৰে কাৰণে সমভাবে চাইছো। চৰকাৰৰ এই দৃষ্টি ভংগী বিশেষ ভাবে

মন কৰিব লগীয়া আৰু সেই কাৰণে চৰকাৰৰ শলাগ লবই লাগিব। শেষত এই বাজেটখন সমৰ্থন কৰি আৰু নতুন কৰ লগাবলৈ পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Giasuddin Ahmad : Mr. Speaker sir, so we have a surplus budget. Some people are very much delighted that this time the State of Assam has got a surplus budget. Sir, earlier also, we had surplus budget in 1961 and also in 1976. Surplus budgets were presented before the House by the Finance Minister Mr. Fakharuddin Ali Ahmed and Mohammad Idris respectively.

Sir, one thing, a family budget of an individual should always be surplus. It is desirable that an individual should have a surplus budget to maintain his family, that will be helpful for the family but it is not so in case of a Government. Surplus budget, as the financial exparts say, means less fund for social services and a deficit budget means more funds for social services. So, now that we have a surplus budget there is no reason to rejoice. We should thoroughly examine it and see whether this surplus budget is essential for socio economic development of the state. As I understand, this budget has been presented in conformity with the Central Budget presented by Dr. Manmohan Singh, who happens to be our representative and and by the by preparation is going on to send another Mr. Singh to strengthen his hand.

It is said sir, a surplus budget is required to curb inflationary trend the country has been suffering from. The price level is rising higher and higher. So, if we have deficit budget it can accelarate the inflationary trend. Some

people are thinking in that line also. I should like to submit that we should consider the reasons for inflation in the country. What are the reasons of inflation ? One of the reason, as I understands of crores of black-money in circulation in the country including our State. It is estimated that the amount of black money in circulation in the country comes to the tune of 45 thousands crores. A parallel economy is going on in the country and the whole economic structure has been destroyed by the influence of this black money. It is surprising, neither our Union Finance Minister nor our Hon'ble Chief Minister here did not mention a single word about the existence of black money which has destroyed the economy of the State of Assam. Nothing has been mentioned in the budget speech. So the argument that in order to cut the inflationary trend, surplus budeget has been presented is not tenable.

Another thing, Taxes were imposed on rice, wheat, wheat products, mustard oil and rapseed although the rate is small 2 percent. Was it essential at all that governtment should impose taxes on these essential comodities. Will it not increase the price level. Is it not the last straw on the back of an ass ? We are already hard-hit and people have faced strarvation. The other day in some places in the district of Nagaon in Lahorighat, it is reported that the people have faced starvation. The poorer section of the people, the lower middle class, even the middle class are extremely hard-hit due to high price prevalent in the market today. On this background, I do not think, imposition of these taxes is justified which should be opposed

tooth and nail and by all people, not only by the opposition: To mobilse additional resources, it said, imposition of tax on certain items has become necessary. But nothing has been mentioned about the tax evasion large scale (Mr: Speaker vacated the chair and Mr. Deputy Speaker occupied) tax evasion. Mr. Deputy Speaker Sir, I am sure, if the governtment takes drastic measures to detect the cases of tax evasion and takes action for collection of taxes within the existing tax structure of the State, it will not be necessary to impose fresh taxes. The- existing tax structure is enough. What is about the sales tax, as for example ? Is the Government sure the sale tax according to the present rate is being fully collected ? Is it not a fact that most of the traders are evasing tax within the knowledge of the government ? What is about the coal ? Are you getting anything from coal ? Big coal magnets are avoiding payment of taxes on various pretexts. I think we have 32 minutes. I am not taking the whole time.

Mr. Deputy Speaker : Please carry on.

Shri Giasuddin Ahmed : Sir, when the poorer section of the people will have to pay taxes, the tea planters have been exempted from payment of tax. The other day we oposed introduction of bill for amendment of sales tax Act. Orthodox tea has been exempted from payment of sales tax. So, the big capitalists are exempted from payment of tax while the poorer section of the people are forced to pay tax. Will it be wrong to say that this is a rich man's budget, not a poor man's budget as it is sought to be spelt out. Then again another matter which was not mentioned in the budget speech is about misuse of fund-

misappropriation of fund, wastage of fund. In the Annual Plan for 1992-93, have an amount of Rs. 960 crores as Annual Plan. The amount is 20% higher than the earlier plan. That is good. But this figure only will not help us unless this amount is fully utilised for the purpose for which it is allotted. Mr. Deputy Speaker Sir, just before this budget discussion was started a matter was raised under Rule 301. What happened regarding some grants miseppre-pricted under forged signatures. That is regarding a parti-cular amount for a purticular purpose. This is true in all cases in all the departments. I should say, nobody can deny. I appeal to call the ruling party Hon'ble Members to consider this matter.

Corruption, misuse of fund, wastage of money have been frstrating all the plans involving thousands of crores of rupees. We have DRDA which undertakes Rural Deve-lopment Works under Jawahar Yojana. I can cite examples of large scale coruption in this regard. Once I mentioned in this House that Rs. 80,000.00 (rupees eighty thousand) was allotted for construction of a school building ; but the whole amount was misappropriated. How was it done? It was done by means of false signature just like we have discussed here. These works are done on master-rolls basis. Do you know how these master-rolls are prepared? The system of execution of DRDA works is this. All works have been done on master-roll basis and the master rolls are prepared in-side the office secretly. How signatures are obtained? One person put thurmb impression of all the fingers of right and left hands, even the fingers of legs are also used in preparing the master rolls. This way the

whole amount has gone the drain. Untill and unless some strict measures are taken to prevent such misuse of fund, misappropriation of fund, wastage of fund these high sounding words will not help socio-econnmic development of this State. Now, another point (within two minutes I will finish). Sir, this Government is a democratic Government. I put a question in this regard and the question came under Unstarred Question. The question was whether it is a fact that ULFA has given a commitment to abjure violence and whether they have agreed to have a dialogue within the frame-work of the Constitution of India. The reply was 'yes' by the Hon'ble Chief Minister and we all wellcome this. We welcome in the sense that the extremists have ultimately decided to come to the main stream of the democratic life. It is true that the Constitution was being threatened, democracy was being threatened and that was a challenge before us. Now that they have agreed to come within the main-stream is a welcome development. But I should like to say with reasons that the constitution and the democratic norms and traditions, and all the democratic values are in danger in the hands of the Government itself. We like to have a commitment from the Government that the constitution and the democratic norms will be upheld by the Government. In various matters, in various Departments what is happening regarding appoinment, whether the rule of a law is followed by the Government? There is certain procedures to be followed in administrative matters. Are these procedures being followed by the Government? Are they being guided by the rules of law. Well regarding recruitment of employees in various depart-

ments, certain rules, certain procedures of recruitment are there. Whether the Government is following all these rules and procedures? In fact, they are going against the rule of law, against the procedure. When the Government itself is going against the rule of law, against the democratic norms, can democracy function in this true sense? With these words, I conclude my speech. Thank you.

★ শ্ৰীথানেশ্বৰ বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, মই দীঘলীয়া ভাষণ নেৰাখো, মই ১৫ মিনিট মান সময় কম। মই কিছু পৰামৰ্শ আগবঢ়াম, চৰকাৰে তাত গুৰুত্ব দিলে ভাল হয়।

★ মাননীয় উপাধ্যক্ষ : আপুনি ১০ মিনিট কব।

★ শ্ৰীথানেশ্বৰ বড়ো : উপাধ্যক্ষ মহোদয়, ১৫ মিনিট সময় কবৰ কাৰণে মই দলৰ সদস্য সকলৰ পৰা অনুমতি লৈছো। মই বাজেট সম্পৰ্কত কিছুমান বস্তু ৰাখিম। তাৰে কিছুমান কনক্ৰিট পৰামৰ্শ দিম—চৰকাৰে নিশ্চয় বিবেচনা কৰিব। অসমৰ স্বাৰ্থৰ কাৰণেই মই কম। অসমৰ মুখ্যমন্ত্ৰীয়ে ইয়াত যি ঘাটি বাজেট উপস্থান কৰিছে সেইখন ওপৰে ওপৰে চালে ধুনীয়া লাগে। কিন্তু মাইনুটলি যদি একজামিন কৰা হয় তেন্তে দেখা যায় যে ইয়াৰ দ্বাৰা অসমৰ জনগণ উপকৃত নহয়। বাজেটখনত উল্লেখ কৰা হৈছে যে ১৯৯২-৯৩ চনত আমাৰ ৫৯ কোটি ৩০ লাখ ৬৭ হেজাৰ টকা ঘাটি হিচাপে লৈ বছৰটো আৰম্ভ কৰিম ধাৰ হিচাপে আৰম্ভ কৰিম। এইটো যদি লক্ষ্য কৰা যায় তেনেহলে দেখা পাম অসমৰ জনসংখ্যা চেনচাচ ৰিপোৰ্ট মতে বৰ্তমান ২ কোটি ২২ লাখ। যদি এই ধাৰ জনমুৰী উলিওৱা যায় তেন্তে অসমৰ প্ৰতিজন লোকৰ বছৰত ধাৰ হব ২৭ টকা। মাহত ২.২৫ পইচা আৰু দৈনিক হ'ব ৮ পইচা। অসমৰ ৰাইজে প্ৰত্যেকজনে দিনে ৮ পইচাৰ ঘাটী বাজেট লৈ বছৰটো আৰম্ভ কৰিছে। গোটেই বছৰটোত বেচিক আয় সংগ্ৰহ হ'ব ৪ কোটি ৭২ লাখ ৫৮ হেজাৰ টকা। বছৰত পাম পাৰ হেড ২,৫২৫ টকা, মাহত ২১০ টকা দিনে ৭ টকাকৈ। অসমৰ ৰাইজে বছৰটোত খৰচ কৰিব ৫,০৫৯ কোটি ১৬ লাখ ২০ হেজাৰ টকা। হিচাপ কৰি চালে দেখা যায় পাৰ হেড বছৰত ২৪৮২ টকা, প্ৰতি

★ Speech not corrected

মাহত ২০৭ টকা আৰু দিনে ৬.১২ পইচা। দেখা গৈছে সংগ্ৰহ হ'ব ৭ টকা আৰু খৰচ কৰিম প্ৰতি দিনে ৬.১২ পইচা। এতিয়া কথা হৈছে ঘাটী আমি কি পাইছো? বছৰৰ শেষত ক্লোজিং বেলেগ হ'ব ৩২৬ কোটি ২৬ লাখ ১১ হেজাৰ টকা। পাৰ হেড বছৰত ১৭ টকা। প্ৰতি মাহে ১.৪০ পইচা আৰু দিনে প্ৰতিজনে, প্ৰতি দিনে ৪ পইচা সংগ্ৰহ হ'ব। এইটো যদি হয় তেন্তে পাৰ হেড কিমান সংগ্ৰহ আৰু পাৰ হেড কিমান খৰচ কৰিম? দেখা গৈছে ৰাজ্যখনৰ উন্নয়নমূলক কামৰ কাৰণে বিশেষ কৰিবলগীয়া নাই।

কিন্তু বাজেটতত ৩৬ কোটি টকা ৰাহি বুলি কৈছে। সকলোৱে শুনি ভাল পাইছে কিন্তু কিমানৰ পৰা কিমান বাদ দিলে ৰাহি হ'ব, পাৰ হেড ১৭ টকাকৈ ৰাহি হ'ব দেখুৱাই দিব লাগে। কিন্তু এতিয়া লক্ষ্য কৰিলে দেখা যায়, প্ৰকৃততে ৰাহি বাজেট বুলি যদিও দেখুৱা হৈছে আচলতেআমি ঋণগ্ৰস্ত। আমি ২ কোটি ২২ লক্ষ মানুহৰ মাননীয় সদস্য সকলোকে ধৰি পিঠিত ৫ হাজাৰ টকাৰ এটা ঋণৰ বোজা লৈ খাইছো উঠিছো ফুৰিছো। অসমৰ প্ৰত্যেকৰে গড়ে পাঁচ টকাৰ ঋণৰ বোজা আছে। কাৰণ বাজেট বক্তৃতাত ১৯৯০/৯১ চনত ৪৭৩১ কোটি টকা আৰু ১৯৯১/৯২ চনত ৪৩৪১ কোটি টকা ঋণৰ বোজা থকা বুলি কোৱা হৈছে। এনেকুৱা ধৰণে যদি হয় তেনেহলে ১৯৯৩ চনত পাৰ হেড ২ হাজাৰ ৬০ টকাকৈ প্ৰত্যেকৰে ঋণৰ বোজা হ'ব। এতিয়া কথা হ'ল কেৱল সেইটো নহয়, কেন্দ্ৰৰ ফালৰ পৰা বিদেশৰ পৰা যিমান টকা ঋণ কৰিছে তাৰ বোজা আমাৰ ওপৰতো পৰিব। আমাৰ দেশত চেঞ্চাচ মতে ৮৭ কোটি মানুহ আছে। নতুনকৈ যিটো ঋণ লৈছে তাৰ বাদেও এতিয়া আমাৰ ওপৰত এক লাখ ৩০ হাজাৰ কোটি টকাৰ ঋণৰ বোজা আছে ভাৰতবৰ্ষই বিদেশৰ পৰা লোৱা ঋণৰ বোজা ভাৰতবৰ্ষৰ জনসংখ্যাৰ ভিত্তিত প্ৰত্যেকৰে চাৰ পোন্ধৰশ কৈ টকা ঋণৰ বোজা হ'ব। তাৰ লগত আমাৰ ফালৰ পৰা ২ হাজাৰ ৬০ টকা যোগে দিলে প্ৰত্যেকৰে ঋণৰ বোজা চাৰেতিনি হৈ পৰিব। ভাৰতৰ বিত্তমন্ত্ৰী শ্ৰীমনহোহন সিংএ ৫০০ মিলিয়ন ডলাৰ বাহিৰৰ পৰা টকা আনিছে বুলি ঘোষণা কৰিছে। সেই বোজাও আমাৰ ওপৰত পৰিব। যদি হিচাব কৰি চোৱা হয় তেন্তে প্ৰত্যেকৰে ৫ হাজাৰতকৈ কম নহ'ব। যদিও বাজেটত ৫৬৪ কোটি ৭২৯৮ হাজাৰ টকা ধৰা হৈছে। তথাপি ডেভেলাপমেণ্ট কামৰ বাবে ৯৬০ কোটি টকাহে ধৰা হৈছে। যদি এইটো তুলনা কৰা হয় তেন্তে আমাৰ

ডেভেলাপমেণ্ট কামৰ কাৰণে বহুত কম টকা ধৰা হৈছে। যদি আমি লক্ষ্য কৰো তেন্তে এটা কথা দেখা যাব তাৰ পৰাও আকৌ কৰ্ত্তন হব। ১৯৯০-৯১ চনত চেণ্ট্ৰেল লোন ১৯৩ কোটি টকা তাৰ লগত সুদ সমিত ১৯৯১-৯২ চনত ৬৫৪ কোটি টকা দেওনা হৈ আছে। আকৌ ১৯৯২-৯৩ চনত ৬৬৮ কোটি টকা। যদি আমি লক্ষ্য কৰো ৬৬৮ কোটি টকাৰ যদি ৯৬৮ কৌটি টকা বিয়োগ কৰো তেনেহলে ২৭২ কোটি টকা হয়। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী ২৭২ কোটি টকাৰ ১৫৭ কোটি টকা যদি তেওঁলোকে দিয়ে বাকী ৪৫ কোটি টকা অসম ৰাজ্যিক চৰকাৰে নিজেই কালেক্ট কৰিব লাগিব। সেয়ে টেক্স কালেক চনৰ সৈতে দেখা যায় ১৪৪ কোটি ৫৩ লাখ টকাহে ডেভেলাপমেণ্ট কামৰ কাৰণে লব পৰা হ'ব।

ইমান দিনে হৈ থকা আমাৰ ডেভেলাপমেণ্ট কামত হেমপাৰ হ'ব। ৯৬০ টকা বাজেটত ধৰা হৈছে যদিও সেই টকা তাৰ পৰা কৰ্ত্তন কৰা হ'ব। ইয়াৰ উপৰিও চেলাৰী পেমেণ্ট, কেপিটেল চেয়াৰ আদিও এই বাজেটৰ ভিতৰতেই আছে। গতিকে এই বাজেটখন ডেভেলাপমেণ্ট বাজেট বুলি নকৈ কনজামচন বাজেট বুলি কব পাৰি। ডেভেলাপমেণ্ট কামৰ বাবে এই বাজেটত বিশেষ জনকল্যানৰ কাম হ'ব বুলি কব নোৱাৰি। অলপ আগতে কৈ যোৱা মাননীয় সদস্য গৰাকীৰ দৰে মইও কব খোজো যে ডেফিচিট বাজেট হৈছে ডেভেলাপমেণ্ট বাজেট। অন্যাথাই ৰাহি বাজেট মানে হৈছে কোনো কল্যান মূলক কাম হাতত নলৈ টকা খিনি ৰাহি ৰাখিলে ৰাহি বাজেট দেখুৱাটো সুবিধা হয়। টকাটো খৰছ নকৰি ৰাখি থলে চেভিংচ হয়। গতিকে ঘাটি বাজেট হ'লে যে কল্যান মূলক কাম নহ'ব তেনে নহয়। কাম কৰোতে বাজেট ঘাটি হ'ব পাৰে।

উপাধ্যক্ষ মহোদয়, ডেফিচিট বাজেট কৰিলেই যে ডেভেলাপেণ্ট নহ'ব সেইটো কথা নহয়। আমি কৰিছো কিহৰ কাৰণে ডেফিচিত কৰা হৈছে ডেভেলাপমেণ্টৰ কাৰণে। খৰচ কৰা নাই কাৰণেই চেভিং হৈছে। চেভিং যেন দেখা গৈছে যদিও আচলতে সেইটো নহয়। আচল কথা হ'ল ঋণ বিলাকৰ বিপৰীতে টেক্সেশ্বনৰ ব্যৱস্থা কৰিছে। কিন্তু আচলতে ভাল পদ্ধতি নহয়। প্ৰতি বছৰে মিনিমাম টেক্স লগাব লাগে।

(সময়ৰ সংকেত)

★ Speech not corrected

মই ব্যক্তিগত ভাবে কবলৈ বিচাৰিছোঁ যে প্ৰতি বছৰে এক পাৰ্চেণ্টৰ বেছি টেক্স লগাব নালাগে। কিন্তু একেবাৰে তিনি পাৰ্চেণ্ট বা আঠ পাৰ্চেণ্ট টেক্স লগোৱাত হেঁচাটো সাধাৰণ মানুহৰ ওপৰতহে পৰিব। যিবিলাকৰ চেলাৰি আঢ়ৈ হাজাৰ সেই সকলৰ ওপৰত টেক্স পৰিব নালাগে। কাঠ মিস্ত্ৰী এটাৰ দৈনিক দৰমহা আশী টকা হ'লে মাহতে ছুহেজাৰ চাৰিশ টকা হব গৈ। সেই সকলক টেক্সৰ পৰা ৰেহাই দিব লাগে। কিন্তু দেখা গৈছে চাইকেল, ট্ৰাইচাইকেল, মটৰ চাইকেল স্কুটাৰ আদিৰ ওপৰতো টেক্স লগাইছে।

Mr. Deputy Speaker: Mr. Boro please conclude.

★ শ্ৰীথানেশ্বৰ বড়ো: উপাধ্যক্ষ মহোদয়, মই বেছি কবলৈ বিচৰা নাই। চাইকেল মপেড আদিৰ ওপৰত টেক্স লগোৱাৰ ফলত মানুহক ইয়াৰ প্ৰতি ডিচকাৰেজ কৰা হৈছে। সেই হেঁচা সাধাৰণ মানুহৰ ওপৰতহে পৰিব। সেই কাৰণে এই বিলাকৰ ওপৰত টেক্স বহুৱাব নালাগে।

(সময়ৰ সংকেত)

আমাৰ দলৰ পৰা আমাৰ ভাগৰ পৰা পাঁচ মিনিট সময় কম। আইন শৃংখলাৰ ক্ষেত্ৰত থূল মূলকৈ কবলৈ হ'লে আইন শৃংখলাৰ নামত আৰ্মি নমাই বহুখিনি ধাৰৰ মাজত দেশখনক পেলোৱাটো মই পচন্দ নকৰো। ডেকা চামক নিযুক্তি দিয়াৰ কাৰণে বিশেষ নজৰ দিব লাগে আৰু তেনে ব্যৱস্থা কৰিব লাগে। অসম পুলিচ ফোৰ্চটো আৰু শক্তিশালী কৰিব লাগে। এজন পুলিচৰ বিপৰীতে তিনিশ লোক হ'ব লাগে। কিন্তু বৰ্ত্তমান আমাৰ ইয়াত এজন পুলিচৰ বিপৰীতে নশ লোক আছে। ফ্ৰান্সত এজনৰ বিপৰীতে তিনিশ আছে। আমাৰ হয়তো কৰিব লাগে। তাৰ কাৰণে ডেকা চামক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও আসাম ৰাইফলচ্ নামৰ পেৰামিলিটাৰী ফোৰ্চটোক উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে কৰি লব লাগে। আৰু সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰা ডেকা চামক নিযুক্তি দি উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে সমূহীয়া ফোৰ্চ কৰি লব লাগে। তাৰ-উপৰিও চি, আৰ, পি, এফ, আৰু আৰ্মিৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চৰ নিযুক্তিৰ যিটো কোটা আছে সেইটো বঢ়াব লাগে। ইয়াৰ লগতে উন্নয়ণৰ কাৰণে বিশেষ জোৰ দিব লাগে। প্ৰাকৃতিক সম্পদৰে পৰিপূৰ্ণ অসমখনৰ বাজেটো সম্পদ ভিত্তিক কৰিব লাগে। তাকে নকৰি নীডবেচড্ বাজেট কৰিলে আমাৰ লাভ নহয়। সম্পদ ভিত্তিক কৰিব লাগে।

Speech not corrected.

(সময়ৰ সংকেত)

অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত অসমৰ বাজেট কৰিব লাগে। তেতিয়াহে অসমৰ উন্নয়ণ সম্ভৱপৰ হব। এই বিষয়ত চিন্তা চৰ্চা কৰিব বুলি মই আশা কৰিলোঁ। আমাৰ আৰু বহু কবলগীয়া আছিল পাওৱাৰ জেনেৰেশ্বন আৰু সংবিধান সংশোধনৰ ক্ষেত্ৰতো কবলগীয়া আছিল কিন্তু সময়ৰ অভাৱৰ কাৰণে কব পৰা পৰা নহ'ল। ব্ৰহ্মপুত্ৰৰ পানী বেছি হৈছে কাৰণে ব্ৰহ্মপুত্ৰ-গঙ্গা চেনেলৰ ব্যৱস্থা কৰিবলৈ ওলাইছে কিন্তু আমি এক ঘনফুট পানী যদি এক টকাকৈও ৰিক্ৰী কৰিব পাৰো তেতিয়া হলে বহু টকা পোৱা হ'ব সেই কাৰণে সম্পদৰ ওপৰত চিন্তা চৰ্চা কৰি বাজেট কৰিবলৈ পৰামৰ্শ আগবঢ়াই উদ্যোগ আদিৰ কাৰণে চিন্তা কৰিবলৈ অভিমত আগবঢ়ালো। তেতিয়াহলে চল্লিশ কোটিৰ ঠাইত সাত আঠ শ কোটি টকা আহিব বুলি ধৰিব পাৰি। সেই অনুপাতে চিন্তা চৰ্চা কৰিবলৈ পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীহলিৰাম টেৰাং: মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ১৬ মাৰ্চ তাৰিখে যি বাজেট দাখিল কৰিলে তাৰ আজি এক সপ্তাহ হ'ল। এই এক সপ্তাহৰ ভিতৰতে প্ৰত্যেক দিনে আমি চেষ্টা চলাইছো তেখেতৰ যি ভাষণ বা তেখেতে যি বাজেট দাখিল কৰিছে সেই বাজেটখনত অসমৰ ৰাইজে বা অসমৰ ৰাইজৰ উপকাৰৰ কাৰণে কিবা এটা পাও নেকি। কিবা এটা হলেও পাব লাগে। চাউল দুটকাকৈ দিয়াৰ ক্ষেত্ৰত শতকৰা ২ ভাগ কৰাৰ কথা আহিছে। অন্যান্য শিতানতো ৰাইজৰ ভালৰ কাৰণে কিবা এটা পাও নেকি গোটেই বাজেটখনতে বিছাৰি চালো। যদিও মই বাজেট এক্সপাৰ্ট নহও সাধাৰণ মানুহ হিচাপে বা সাধাৰণ মানুহক প্ৰতিনিধিত্ব কৰাৰ কাৰণে যি যোগ্যতা সেই যোগ্যতাৰ ভিত্তিতে মই বিছাৰি চাইছিলো। কিন্তু বিছাৰি পাও ৰাতিপুৱা শুই উঠিলে, ১৬ তাৰিখে বাজেট দিছে, ১৭ তাৰিখে ৰাতিপুৱা শুই উঠিয়েই মই পৃথিৱীৰ অন্যান্য ঠাইৰ কথা বাদ দিলেও অসমৰ মানুহে দাঁত মাজে টুথ পেষ্টৰে। সেই টুথ পেষ্টৰ দাম বাঢ়িছে, ব্ৰাছডালৰো দাম বাঢ়িছে। তাৰ পিছত গা ধুবলৈ সোমাই দেখো চাবোনৰো দাম বাঢ়িছে। গা ধোৱাৰ পিছত কিবা এটা মূৰত দিয়াৰ কাৰণে তেলটো লৈ দেখো তেলৰো দাম বাঢ়িছে। মই অৱশ্যে তেল নিদিও। কিন্তু মোৰ ঘৰৰ মানুহে দিয়ে।

(ভইচ: চুটি চুটি কৰিব লাগে)

★ Speech not corrected

তাৰ পিছত খাবলৈ বহিলে দেখা যায় ব্ৰেড এটা লাগে। এই ব্ৰেডৰ দামো বাঢ়িল। এতিয়া শুনিলো ঘেঁহুৰ ওপৰতো কৰ বহুৱাইছে। ঘেঁহুৰ উৎপাদনৰ ওপৰত কৰ লগোৱাৰ উপৰিও ঘেহুজাত সামগ্ৰীৰ ওপৰতো কৰ বহুৱাইছে, ফলত ব্ৰেডৰ দামো বাঢ়ি গৈছে। আটা-ময়দা কিনিব লগীয়া হয় বেছি দামত আৰু আটা-ময়দাৰ দ্বাৰা তৈয়াৰী ব্ৰেডৰ দামো সেই কাৰণে বাঢ়ি গৈছে। গা ধোৱাৰ পিছত গেঞ্জী পিন্ধিবলৈ গলে দেখা যায় তাৰো দাম বাঢ়িছে। কেৱল অসমতে নহয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ যি জলবায়ু সেই জলবায়ুত সকলো মানুহে গেঞ্জী পিন্ধে। কিন্তু এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে বেছি দামত কিনিব লগীয়া অৱস্থা কৰিছে।

আৰু যদি আমি ঘৰৰ পৰা ওলাও এম, এল, এ, আবাস গৃহৰ পৰা বা চাকৰিয়াল সকলে চাকৰীৰ কাৰণে তেনেহলে বাছত উঠিব লাগিব। সেই বাছৰ ভাড়া বাঢ়িছে, চইকেলত উঠিব সেই চাকেলৰ ওপৰত টেক্স দিব লাগিব, ৰিক্সা, অটোৰিক্সা সকলোতে টেক্স দিব লাগিব। দুপৰীয়া যদি ১১ বজাত হোটেল এখনলৈ চাহ খাব যাওঁ তাৰ ওপৰত কৰ বহুৱাইছে গতিকে আমি টেক্স দিব লাগিব। দেখিছো সকলো ক্ষেত্ৰতে বস্তুৰ দাম বাঢ়িছে। এখন হোটেলৰ আয় যদি ১ লাখ হয়, মাহত যদি ৯ হাজাৰ হয় দিনে যদি ৩০০ টকা হয় তেনেহলে তেওঁলোকে টেক্স দিব লাগিব তেনেহলে কি আমি চানাচুৰ খাই থাকিম নেকি? চানাচুৰ খাইটো মানুহ জীয়াই থাকিব নোৱাৰে? চাহ আমি খাবই লাগিব কাৰণ চাহপাত উৎপন্ন হয় অসমতে। গতিকে তাৰ ওপৰতো টেক্স এয়ে হ'ল অসম চৰকাৰৰ দয়া। চাহ খোৱাৰ পাছত আপুনি তামোল আৰু ছিগাৰেট খাব লাগিব ছিগাৰেটৰ ওপৰত আমাৰ ৰাজ্য সভাৰ যিজন প্ৰতিনিধি তেওঁ ইতিমধ্যে টেক্স লগাইছেই। এতিয়া লাগিলে জুইশলাই ছিগাৰেট জ্বলাবলৈ তাৰো অসম চৰকাৰে দাম বঢ়াইছে। অমিটো ইলেকট্ৰিক লাইটাৰ নাজানো, কিনিবও নোৱাৰো, এয়া হ'ল আমাৰ অৱস্থা। যোৱা ১৬ তাৰিখৰ পৰা ৰাতিয়ে দিনে এই বাজেটখন বহুত পঢ়িছো কিবা ভাল বস্তু পাওঁ নেকি? কিন্তু দেখিলো অসম চৰকাৰে আহি আহি আমাৰ টেটুত ধৰিছে যদিও মনমোহন সিঙে কিবা কৰিব বুলি কৈছে তেওঁৰে অৱস্থা বেয়া আই, এম, এফ, লোনৰ পৰা, ৱৰ্ড বেংকলৈ হিৰোহণ্ডা, মিটচুবিসি, তয়োতা আদিলৈ সকলো বিক্ৰী কৰিছে। আমাৰ জনমুৰী আয় হৈছে ২০০০ টকা কিন্তু ১৯৯১ চনলৈ ২২০০ টকা ধাৰ আৰু এতিয়া বাঢ়ি ২০৬০ হবগৈ। ভাৰত চৰকাৰৰ হিচাপ মতেই ফৰেইন লোন বাঢ়ি ৪০৬০ টকা

হবগৈ। এতিয়া আকৌ ১০৩৪ টকাৰ বেছি উপাৰ্জন কৰা সকলে চৰকাৰক টকা দিব লাগিব। অৰ্থাৎ দিনে ২২ টকা উপাৰ্জন কৰোতাজনেও টেক্স দিব লাগিব অৰ্থাৎ পিয়ন পৰ্য্যন্ত টেক্স দিব লাগিব। দোকান এখন দিলেও টেক্স দিব লাগিব, হোটেলত টেক্স আনকি ব্ৰেদ এচকল খালেও টেক্স। মুখ্যমন্ত্ৰী মহোদয়ে ১৬ তাৰিখৰ তেখেতৰ বাজেট ৰাহি বাজেট বুলি কৈছিল ভাবিছিলো এইবাৰ হাঁহিব পাৰিম ৰাইজে হাঁহিব পাৰিব। কিন্তু হাঁহিৰ সলনি এতিয়া দুখ লাগিছে। তেখেতৰ মতে ৭৬ কোটি টকা ৰাহি কেনেকৈ হ'ল নাজানো। কাৰণ চাউলৰ দাম বাঢ়িছে, ব্ৰেদত টেক্স দিব লগা হৈছে, চাইকেলত টেক্স দিব লগা হৈছে, ৰিক্সা গেঞ্জী সকলোতে টেক্স দিব লাগিব। অসমে বৰ্ত্তমান যিমান টকা পাইছে তাৰ শতকৰা ৯০ ভাগেই প্লেনিং কমিচনৰ পৰা মঞ্জুৰী হিচাবে পাইছে, ঋণ হিচাবে খুৱ কম টকাহে পাইছে। গতিকে মঞ্জুৰী পাওঁতেই এই অৱস্থা। গতিকে ৩৬ কোটি বৰ্ত্তমান ৰাহি আৰু পাছলৈ ৭৬ কোটি টকা হবগৈ বুলি কলে কি হব? অয়লৰ ৰয়েল্টি নাবাঢ়িলে ৰাহি নহলহেঁতেন বুলি তেখেতেই কৈছে। এইটো নহোৱাহলে জনসাধাৰণৰ অৱস্থা আৰু বেয়া হ'ল হেঁতেন। চৰকাৰে যিখন ছবি দাঙি ধৰিছে আমি জনাত তেনে ধৰণৰ নহয়। চকমক বুলি কৈছে কিন্তু চকমক হব নোৱাৰে। গতিকে এইখন ৰাজেটক সমালোচনাই নহয় বাজেটখনক স্পষ্টভাৱে নাকচ কৰিব খজো। কাৰণ ৰাতিপুৱা উঠাৰ পৰা ৰাতি শোৱালৈ আমি কৰৰ বোজা বহন কৰিব লাগিব। গতিকে এইখন ৰাইজৰ বাজেট হব নোৱাৰে, জনসাধাৰণৰ এন্টি বাজেট। বস্তুৰ দাম দিনক দিনে বাঢ়িয়ে আছে। ১৯৬১ চনৰ আপুনি কনজিউমাৰ প্ৰাইচ ইনদেক্স যদি চায় আগতে ১০০ টকা ধৰা আছিল কিন্তু ১৯৮৯ চনত ৮০০ টকা ধৰিছে। গতিকে পুৰণা হিচাপ মতেও বস্তুৰ দাম দুগুণ বাঢ়িছে।

মাননীয় উপাধ্যক্ষ: আপোনাৰ সময় কম, গতিকে পৰামৰ্শখিনি দিয়ক।

★ শ্ৰীহলি ৰাম টেৰাং: মই আহিছো, আমাৰটো সময় ৩২ মিনিট আছিল তাৰ পৰা লম। গতিকে গোটেই ষ্টেজতে ষ্টেগনেকি হৈছে। বস্তুৰ দাম বাঢ়িছে কিন্তু সেই হিচাবে উৎপাদন বঢ়া নাই। টকাৰ মূল্য দিনক দিনে হ্ৰাস পাই আছে। যোৱা তিনি বছৰতে টকাৰ মূল্য ৮ পইছাৰো বেছি কমিছে। বাজেট-খনত দেখিছো অৰ্থনৈতিক উন্নয়নৰ কোনো পথ প্ৰশস্থ কৰা নাই। ৰাইজৰ

★ Speech not corrected

অৰ্থনৈতিক উন্নয়নৰ কাৰণে যি এপ্ৰোচ হব লাগিছিল তেনে এপ্ৰোচ হোৱা নাই। বাজেটখনত আন প্ৰদাৰ্ক্টিভ চেক্তৰত বেছি জোৰ দিয়া হৈছে আৰু সেই হিচাবে তাত টকা ধৰা হৈছে। কৃষি হৈছে কৃষকৰ অৰ্থনীতিৰ মূল বস্তু। তাত মাত্ৰ ১৩.৮৯ ধৰিছে কৃষিৰ উন্নতি নহলে দেশৰ অৰ্থনীতি আগনাবাঢ়ে সেই দিশত কিন্তু গুৰুত্ব দিয়া নাই। জলসিঞ্চন, বাননিয়ন্ত্ৰণত ১১.৯৩ ধৰিছে। গতিকে দেখিছো হ্বাচ অব দি বাজেট অন্যফালে গৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া কি হব চাৰ, বছেৰেকত ২ লাখ নিবনুৱাক চাকৰি দিম বুলি কৈছে। কিন্তু আনএমপ্লইমেণ্ট বাঢ়ি গৈ আছে। আলটিমেটলি কি হব? প্ৰডাকচন নাবাঢ়িব। যদি আমি প্ৰডাকচনত জোৰ নিদিও তেতিয়াহলে আনএমপ্লইমেণ্টৰ সংখ্যা বাঢ়িয়েই থাকিব। আজি আলফা সমাধান কৰিবৰ কাৰণে যিবিলাক আমি আনিছে সেই বিলাক ৰাষ্টজৰ যিটো ক্ষোভ সেইটো দমাই ৰাখিব নোৱাৰিব। চৰকাৰ ওৱাৰনিং হিচাপে আজি আহি পৰিছে। মুখ্যমন্ত্ৰীয়ে আজি চাউলৰ ওপৰত দাম বঢ়াইছে কৰ বঢ়াইছে কিন্তু অসমৰ মুল যি সম্পদ চাহ আৰু তেল আছে তাৰ ৰয়েলিটি বঢ়াৰ লাগে। ১২ পাৰচেণ্টত বঢ়াই দিব লাগে। চাহৰ কথা বাদেই তেলৰ কোটি কোটি টকা প্ৰফিট ভাৰতৰ বাহিৰলৈ গৈ আছে। গুৱাহাটীৰ টি-অকচন চেণ্টাৰ ভাল হব লাগে তেওঁলোকৰ পৰা যি টেক্স লৈছিল তাকো নাইকিয়া কৰিছে এইখন চৰকাৰে। এইখন কৰ চৰকাৰ বুলি কম। মেকমিল নে কলিকতা নে অসমৰ বুলি কম। বেয়া লাগে উপাধ্যক্ষ মহোদয়। অসমখন বিক্ৰী কৰি দিছে। আমি থাকিব নোৱাৰিম। এটা আলফাৰ পৰা এশটা আলফা হব। উপাধ্যক্ষ মহোদয়, সময় যেতিয়া কম বুলি কৈছে মই আৰু বেচি কবলৈ নেযাওঁ। শেষত মাত্ৰ এটা কথা কম ভাৰত চৰকাৰৰ হিচাপ মতে দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰিলে তেওঁৰ বছৰি আয়ৰ হব ৭৯৮০ টকা। কিন্তু আজি আমেৰিকাত মাহেকত ২০ হেজাৰ টকা কম পোৱা জনকহে দৰিদ্ৰতা সীমা ৰেখাৰ তলত বাস কৰা বুলি ধৰা হয়। তেতিয়াহলে এই দৰিদ্ৰতা কিমান পাৰ্থক্য। এই প্ৰভাৰটি লাইন আমেৰিকাত ২০ হেজাৰ মাহেকত আয় হলে কম বুলি কোৱা হৈছে আৰু আমাৰ ইয়াত বছেৰেকত ৭ হেজাৰ আয় কম হলে তেওঁক দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত কৰা বুলি কৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, যিখন বাজেট সদনত দাখিল কৰিছে সেইখন সাধাৰণ মানুহৰ কাৰণে নহয়, সৰ্ব্বসাধাৰণ মানুহৰ বাজেট

★ Speech not corrected

নহয়, এই বাজেট খন চাহ কোম্পানীৰ লাভৰ কাৰণে দিয়া ভাষণ সেই কাৰণে ভাষণ খন মই নাকচ কৰিছো।

★ শ্ৰীশশকমল সন্দিকৈ: উপাধ্যক্ষ মহোদয়, এই বাজেট খনত মূখ্যমন্ত্ৰী ডাঙৰিয়াই যি ভাষণ উত্থাপন কৰিছে সেই বাজেটখন এটা কথাতে কবলৈ গলে সেইখন বিসংগতিপূৰ্ণ বাজেট। বাজেটত কৈছে এইখন এখন ৰাহি বাজেট। কিন্তু আমি দেখিছো এইখন এখন ৰাহি বাজেট হব নোৱাৰে। চৰকাৰৰ যিবিলাক লাইবেলিটিজ আছে সেই বিলাক লুকাই ৰাখিব বিচাৰিছে। উদাহৰণ স্বৰূপে বাননিয়ন্ত্ৰণ বিভাগত ৩৭ কোটি টকা লাইবেলিটিজ আছে। পি, এইচ, ই, বিভাগত ২৭ কোটি টকা। হ'ম বিভাগত অকল ডিব্ৰুগড়ৰ জিলাতেই ৮০ লাখ টকা বাকী আছে। এই বিলাক কথা এই বাজেটত ঠাই পোৱা নাই পাকে-প্ৰকাৰে ৩৬ কোটি টকা ৰাহি বাজেট দেখুৱাইছে।

উপাধ্যক্ষ মহোদয়, অন্যান্য মাননীয় সদস্যৰ লগতে মইওঁ কম যে এই বাজেটখনে উন্নয়নৰ কাৰণে একো কাম কৰা আমি দেখিবলৈ পোৱা নাই। অহা বছৰত অসমৰ ৰাস্তা-ঘাট, পদূলিৰ ক্ষেত্ৰত কি উন্নয়নৰ কাম হব, কৃষিৰ কাৰণে কি কাম হব, উদ্যোগৰ ক্ষেত্ৰত কি কাম হব তাৰ ৰঙিন ছবি আমি দেখিবলৈ পোৱা নাই। এই বাজেট খনৰ আটাইতকৈ ক্ষতিকাৰক বাজেট হৈছে ঋণ। এই ঋণ ৪৪০০ শ ৫১ কোটি টকা। ইয়াৰ সুদ হৈছে ৬ হেজাৰ ৮৮ কোটি টকা। ৰাজ্য চৰকাৰে এই টকাত পৰিশোধ কৰাৰ বাবে যাতে অহা ৪ বছৰলৈ ম্যাদ বৃদ্ধি কৰি দিয়ে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা বুলি বাজেট বক্তৃতাত উল্লেখ কৰিছে। কিন্তু এই ব্যৱস্থা আৰু অতি ভয়াবহ। আজি ৰাজ্যত আৰু কেন্দ্ৰত তেওঁলোকৰ একে পাৰ্টিৰে চৰকাৰ থকা বাবে এতিয়া হয়টো ৰাজ্য চৰকাৰৰ এই পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰে মানি ল'ব। কিন্তু অহা ৪ বছৰত কেন্দ্ৰত কোন চৰকাৰ আহে তাৰ ঠিকনা নাই। তেতিয়া যদি এখন অন্য পাৰ্টিৰ চৰকাৰ হয় তেতিয়াহলে ৰাজ্য চৰকাৰৰ এই বোজা আৰু বহুত পৰিমাণে বাঢ়ি যাব আৰু সম্ভৱত তেতিয়ালৈকে এই টকাৰ সুদেই ১ হেজাৰ ৫ কোটি টকাকৈ হব।

উপাধ্যক্ষ মহোদয়, এই বাজেটত ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলৰ ওপৰতো এটা মাধমাৰ দিয়া হৈছে। তেওঁলোকৰ ওপৰত প্ৰফেচনেল টেক্সৰ হাৰ আগতকৈ

★ Speech not corrected

যথেষ্ট বৃদ্ধি কৰা হৈছে। ইয়াৰ দ্বাৰা ৰাজ্যিক চৰকাৰৰ পিয়ন চকিদাৰক আদি কৰি কোনো কৰ্মচাৰী হাত সাৰি যাব পৰা নাই। বছৰি নিম্নতম ১৫ হেজাৰ টকা ওপৰত আয় কৰা প্ৰত্যেকজন কৰ্মচাৰীয়েই বিভিন্ন হাৰত এই কৰ দিব লাগিব। ইয়াৰ ফলত নিম্ন বেতনভোগী কৰ্মচাৰী সকলৰ মাজত ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। সেই কাৰণে চৰকাৰে এই কৰৰ সংশোধনী ঘটাই কেন্দ্ৰীয় চৰকাৰৰ লেখিয়াকৈ ২৮ হেজাৰ পৰ্য্যন্ত এই চিলিং বৃদ্ধি কৰিব লাগে।

(Mr. Speaker occupied the chair)

অধ্যক্ষ মহোদয়, এইবাৰ চৰকাৰে ৰাজ্যিক কৰ্মচাৰী সকলক এটা এক-কালীন সাহায্য দিয়াৰ বাবে চিন্তা কৰিছে। এইবাৰে আমি চৰকাৰক অভি-নন্দন জনাইছো। কিন্তু চৰকাৰে এইটো এককালীন হিচাবে নিদি অন্যান্য ৰাজ্যবোৰৰ দৰে ৰনাচ হিচাবে দিয়াৰ বাবে ঘোষণা কৰা হেঁতেন কৰ্মচাৰী সকল উপকৃত হ'লহেতেন আৰু তেওঁলোকে বহু দিনৰ পৰা কৰি অহা দাবী কাৰ্য্যত পৰিণত হলহেঁতেন। লগতে আৰু এটা কথা হৈছে এই চৰকাৰে মেডিকেল এলাউন্স বৃদ্ধি কৰিছে, সেইটো ভাল কথা। কিন্তু তাৰ লগে লগে কোনোবা কৰ্ম্মচাৰী চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ যাব লগা হলে সেই ক্ষেত্ৰত এটা চিলিং ৰাখি থৈছে। সেই ব্যৱস্থাটো যদি সলনি নকৰে তেনেহলে এই ক্ষেত্ৰত কৰ্ম্মচাৰী সকল উপকৃত হব বুলি মই নাভাবো। আনহাতে এই চৰকাৰে বিলাসিতা পূৰ্ণ গাড়ীবোৰৰ ক্ষেত্ৰত কোনো নতুন টেক্স লগোৱা নাই। কিন্তু মাল বস্তু কঢ়িওৱা আৰু যাত্ৰী কঢ়িওৱা বাছ আৰু ট্ৰাকৰ ক্ষেত্ৰত নতুন কৰ বহুৱাইছে। ইয়াৰ ফলত বস্তুৰ দাম আৰু বাঢ়িব। ইয়াৰ দ্বাৰা চৰকাৰে প্ৰায় ৪০ কোটি টকা ৰাজহ সংগ্ৰহ কৰিব পাৰিব বুলি যদিও ভাবিছে তাৰ দ্বাৰা এইখন জনসাধাৰণৰ বাবে ক্ষতিকাৰক বাজেট বুলিহে গণ্য হব। আজি চাউল, পাওৰুটি, ডালডা, চাৰোন, হোটেলৰ খাদ্য সামগ্ৰী আদি কৰি নিত্য ব্যৱ-হাৰ্য্য সামগ্ৰী সমূহত যি নতুন কৰ লগোৱাৰ বাবে প্ৰস্তাৱ কৰিছে তাৰ দ্বাৰা সৰ্বসাধাৰণ লোকৰ ওপৰত যথেষ্ট বোজা পেলাই দিবলৈ চেষ্টা কৰা হৈছে। যিবোৰ বস্তুত চৰকাৰে শতকৰা ২ হিচাবে কৰ লগাই বজাৰত সেই বস্তুৰ দাম বেপাৰীয়ে শতকৰা ৪ হিচাবে বৃদ্ধি কৰে। সেই কাৰণে নিত্য প্ৰয়োজনীয় সামগ্ৰী সমূহত কৰ লগোৱাটো উচিত হোৱা নাই। এই ক্ষেত্ৰত আমি গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছো।

অধ্যক্ষ মহোদয়, আজি অসমত বহুতো চাহ বাগিচাৰ মালিক আৰু অইল ইণ্ডিয়াই যথেষ্ট মাটি সামান্য খাজনা দি ব্যৱহাৰ কৰি আছে। আজি আমাৰ

★ Speech not Corrected

সাধাৰণ খেতিয়কে যি হাৰত মাটিৰ খাজনা দি আছে তাৰ তুলনাত এই মাটি-বোৰৰ খাজনা নিচেই কম। সেই কাৰণে এই মাটিবোৰত বিঘাই প্ৰতি ১২ টকাকৈ খাজনা লগোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু সেইটো কৰিলে অসমে ৫০-৬০ কোটি টকা পাব। এইবোৰ বাট থকা স্বত্বেও নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সমূহত কৰ লগোৱাৰ বাবে আমি প্ৰতিবাদ কৰিছোঁ আৰু তেনে কৰ বন্ধ কৰাৰ বাবে দাবী জনাইছো। ইয়াৰ বাহিৰেও মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমাৰ ৰাজ্য খনত বহুতো অম্নি বাছৰ পাৰ্মিট দিয়া হৈছে। এই বাছবোৰে নিয়ম মতে পৰ্য্যটক কঢ়িয়াব লাগে। কিন্তু এই বাছবোৰে পৰ্য্যটক নকঢিয়াই সাধাৰণ যাত্ৰী কঢ়িয়াই টকা উপাৰ্জন কৰি আছে। অসমত এনে ধৰণৰ কমেও এক হাজাৰ বাছ চলি আছে। এই বাছবোৰত পেচেঞ্জাৰ টেক্স লগোৱা হোৱা নাই। গতিকে যদি এই বাছবোৰ টুৰিষ্ট বা অম্নি বাছ হিচাবে পাৰ্মিট দিয়া হৈছে তেনেহলে সেইটো ৰেগুলাৰাইজ কৰি তাৰ ওপৰত প্ৰয়োজনীয় টেক্সৰ ব্যৱস্থা কৰিব লাগে আৰু সেইটো কৰিলে ৰাজ্য চৰকাৰে ৬০/৬২ কোটি টকা পাব। আজি ৰাজ্য খনৰ সাধাৰণ মানুহৰ ওপৰত যি কৰৰ বোজা জাপি দিব বিচৰা হৈছে সেই নীতি এই চৰকাৰে পৰিহাৰ কৰিব লাগে আৰু যিবোৰ দিশত সম্পদ আহৰণ কৰাৰ থল আছে তেনে ক্ষেত্ৰত সম্পদ আহৰণ কৰি ৰাজ্য খনক স্বাৱলম্বী কৰাত সহায় কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker: Hon'ble member Sri Milan Boro. He is absent. Now Hon'ole member Shri Mission Ranjan Das

★ শ্ৰীমিশন রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, সদনে উত্থাপিত এই বাজেটের আমি বিরোধিতা করি। কারন বাজেট উদ্বৃত্ত দেখানো হয়েছে, অতিরিক্ত কর বসিয়ে। অতিরিক্ত কর না বসিয়ে যদি বাজেটে উদ্বৃত্ত দেখানো হতো তাহলে অন্যকথা ছিল। এই বাজেটের ফলে সাধারণ মানুষের ব্যয় বৃদ্ধি হবে। এই বাজেটে আমরা দেখতে পাই যে যদিও ৭৬ কোটি টাকার উদ্বৃত্ত দেখানে হয়েছে সেখানে অতিরিক্ত রেভিনিউ খাতে ধরা হয়েছে ৮০ কোটি টাকা। এই অতি-রিক্ত ৮০ কোটি টাকার জন্য সাধারন মানুষের আর্থিক অবস্থার উপর এটা বড় আঘাট পড়েব। বাস, মটর ভেহিকল এবং পরিবহন ইত্যাদি থেকে ১৮ কোটি

★ Speech not corrceted

টাকার রেভিনিউ ধরা হয়েছে। এর ফলে জিনিষ পত্রের দাম বাড়বে, টাহার ইনফেলশন হবে, মানুষের কষ্টের সীমা থাকবে না। তাই আমি এই বাজেটের বিরোধীতা রি। আমরা আশা করেছিলাম সরকার একটা ব্যালান্সড্ বাজেট এই সদনে পেশ করবেন যাতে সাধারণ মানুষের উপর অতিরিক্ত করের বোঝা থাকবে না।

মহোদয়, মুখ্যমন্ত্রী মহোদয় তাঁর বাজেট বক্তৃতায় অনেক গুরুত্বপূর্ণ ব্যাপারে নীরব থেকেছেন। যেমন ন্যাচারেলকেলামিটিসের মতো গুরুত্বপূর্ণ ব্যাপারে কোনও উল্লেখ বাজেটে নেই। এন্টি-ইরোশন ব্যাবস্থার মতো গুরুত্বপূর্ণ ব্যাপারে আমি বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে করিমগঞ্জ শহর কুশিয়ারা নদীর তীরে অবস্থিত। করিমগঞ্জ শহরে কুশিয়ারা নদীর পার ভেঙ্গে এ সংকটজনক অবস্থার সৃষ্টি করেছে। শহরে মানুষের ব্যবসা বাণিজ্যের ক্ষতি করছে। এই শহরটিরক্ষা করার জন্য একটা বাঁধ ও 'শ্লুইস গেট'র অত্যন্ত দরকার। এই ব্যাপারে আমি বিভাগীয় মন্ত্রীর দৃষ্টি আকর্ষণ করে বলছি যে এই ব্যাপারটা যেন তিনি অগ্রাধিকারের ভিত্তিতে বিবেচনা করেন। বন্যা নিয়ন্ত্রনের জন্য বাজেটে বরাক বেসিনের উল্লেখ করা হয়েছে। বরা বেসিন বরাক উপত্যকায় বন্যা নিয়ন্ত্রনের জন্য অত্যন্ত জরুরী বলে আমি বিশ্বাস করি। প্রতি বছর বরাক উপত্যকাকে বন্যার হাত থেকে রক্ষা করতে হলে সিংলা, কুশিয়ারা ও লঙ্গাই নদী খনন করা দরকার। কারণ ঐসব নদীতে পলি জমে প্রতি বছর ভয়াবহ বন্যার সৃষ্টি করে, নদীর নাব্যতা কমে যায়। সেজন্য বরাক বেসিনের খুব দরকার। কারণ বাংলাদেশের দিকে পলি জমে জমে নদীর পার উচু হয়ে গেছে। এই ব্যাপারটি অত্যন্ত গুরুত্বপূর্ণ সহকারে বিবেচনা করা উচিত যাতে করিমগঞ্জ শহরে এটা স্লুইস গেট'র ব্যবস্থা করা হয়।

মহোদয়, আমি মনেকরি, কৃষির ব্যাপারে আসাম সরকার সম্পূর্ণ ব্যর্থ হয়েছে। এই ব্যাপারে আমরা অন্যান্য রাজ্যের প্রতি বিশেষ করে পাঞ্জাবের উপর বেশী নির্ভরশীল। এই কাজে সরকার কৃষকদরে উদ্বুদ্ধ করার জন্য চেষ্টা করে না। তাদের অভাব অভিযোগের প্রতি মনোযোগ দেয় না। এরফলে গ্রামের মানুষ বাধ্য হয়ে শহরমুখী হয়েছে। ফলে মানুষের চাপে শহরে স্থানাভাব, খাদ্যাভাব দেখা দিয়েছে। সেজন্য ল্যাণ্ড ডেভেলপমেণ্টর জন্য সরকারের

★ Speech not corrected

ব্যাবস্থা গ্রহণ করা দরকার। বন্যানিয়ন্ত্রণ সম্পূর্ণভাবে হওয়া দরকার। গ্রামে-গঞ্জে যোগাযোগ ব্যবস্থার উন্নতি করার দরকার। শীতকালে যাতে শালি আহু পাওয়া যেতে পারে তার ব্যবস্থা করা দরকার। বর্ষাকালে কৃষি ক্ষেত্র কমে যা তাই শীতকালে কৃষি বিভাগ যাতে কৃষকদের পাশে এসে দাঁড়ায় তার ব্যবস্থা করতে হবে। এরফলে জনসাধারণের যথেষ্ট লাভ হবে।

মহোদয়, স্বাস্থ্য বিভাগ সম্পর্কে বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে বলতে চাই যে মন্ত্রী মহোদয়কে করিমগঞ্জ সফরের সময় অমরা কয়েকটা গুরুত্বপূর্ণ ব্যাপারে ব্যবস্থা নেওয়ার জন্য এটা স্মরাকপত্র দিয়েছিলাম। এর মধ্যে এটা ব্যাপর ছিল করিমগঞ্জে ২০০ শয্যা বিশিষ্ট একটা হাসপাতাল। কিন্তু এ ব্যাপারে বাজেটে আমরা কিছু দেখতে পাই নি। অথচ হাফলংএ একটা ১০০ শয্যা বিশিষ্ট হাসপাতলের উল্লেখ দেখতে পারিছ। এন সি হিলসর তুলনায় করিমগঞ্জে অনেক বেশী লোক আছে। অন্ততঃ হাফলং শহরের ৪/৫ গুণ বেশী লোক তো করিমগঞ্জ শহরে রয়েছে! সেজন্য আমি অনুরোধ করছি যাতে করিম-গঞ্জ শহরে ২০০ শয্যা বিশিষ্ট একটা হাসপাতাল যাতে তৈরী করার ব্যবস্থা করা হয় তার জন্য সরকার দৃষ্টি দিবেন।

মহোদয়, শিক্ষা সম্পর্কে আমি বলতে চাই যে ইদানিং এই ব্যাপারে এই ব্যাপারে সরকার (সময় সংকেত) সরকার সিদ্ধান্ত নিয়েছেন এবং প্রাদে-শিকীকরন করেছেন। কিন্তু সঙ্গে সঙ্গে নিয়োগের ব্যাপারে এবং প্রাদেশিকী-করনের জন্য স্কুল সিলেক্শনের যে পদ্ধতি হয়েছে তাকে সমালোচনা করা ছাড়া আর কোন গতি নেই।

মহোদয়, আজ জিরো আওয়ারের সময় আলোচনা করা হয়েছে যে যারা নাম দস্তখত করতে জানে না তাদেরেও স্কুল বোর্ডের সদস্য করা হয়েছে শিক্ষক নিয়োগের জন্য। সমাজে যারা বিতর্কিত লোক, তাদেরে নিয়ে বোর্ড গঠন করা হয়েছে। তাছাড়া, এই শিক্ষক নিয়োগের ব্যাপারে অনবরত দূর্নীতি চলছে। আগামী বিধান সভার অধিবেশনে আমি এই ব্যাপারে তথ্যসহ বিস্তারীত বনা করব। মাননীয় মন্ত্রী মহোদয় আজ সদনে বলেছন যে যাদের সমাজে ষ্টাটাস্ আছে তাদেরেই সদস্য করা হয়েছে। তাহলে আমরা যারা বি জে পির সদস্য রয়েছি আমাদের কোন ষ্ট্যাটাস্ নেই বলে কি আমাদেরে শিক্ষক নির্বাচনের জন্য বোর্ডের সদস্য করা হয়নি? ব্যক্তিগত ভাবে আমি এই সদস্য পদের জন্য

লালায়িত নই। কিন্তু আমরে বক্তব্য হলো যারা যোগ্য ব্যক্তি তাদেরে বাদ দিয়ে এই বিতর্কিত লোকেদেরে কেন সদস্য হিসাবে নিয়োগ করা হলো ?

মহোদয়, আপনি শুনিলে আশ্চর্য হবেন যে একজন শিক্ষক নিয়োগের বোর্ডের সদস্য যিনি একজন প্রাক্তন বিধায়ক তিনি এক বিবাহিত মহিলা প্রার্থীকে ইণ্টারভিউ বোর্ডে প্রশ্ন করেছেন—'আপনি তো অভিজ্ঞ মহিলা, আপনি কি বলতে পারেন যে একটা আস্ত পাঠা রাধঁতে কত লিটার তেল লাগবে ?' উত্তরে মহিলা বলেছেল—'সেটা পাঠার সাইজের উপর নির্ভর করবে। তারে পাঠাটা যদি আপনার সাইজের হয় তবে ১০ লিটারের কম তেলে হবে না'। তারপর স্যার, আর একটি বেকার ছেলেকে প্রশ্ন করা হয়েছে যে যোন তিনিটি আশ্চর্যজনক ঘটনার কথা বলে। সে উত্তরে বলেছে—'প্রথম আমি একজন বিজ্ঞানের স্নাতক হয়ে নিরক্ষর লোকের সামনে ইণ্টারভিউ দিছি। ২য় আপনি আমার ইণ্টারভিউ নিচ্ছেন এবং ৩য়, আশ্চর্যজনক ঘটনা হলো চাকরি পেতে পয়সা দিতে হয় বেকারদের। 'এইভাবে ....

★ ডঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইখিনিতে মই কবলৈ বিচাৰিছো যে, নিৰপেক্ষ লোক এজনো নাই, যদি আছে মাননীয় সদস্যই নাম দিলে আমি ব্যৱস্থা লম।

★ শ্রীমিশন রঞ্জন দাস : মহোদয়, আমার জানা মতে কয়েকজন মেম্বার রয়েছেন যারা স্কুলের শিক্ষক। এইভাবে দূর্নীতি চলছে। আমি আগামী বিধানসভায় এই ব্যাপারে তথ্য সদনে পেশ করবো। ....(সময় সংকেৎ) ....। করিমগঞ্জ এলিমেণ্টারী বোর্ডের ব্যাপারে আমি প্রশ্ন দিয়েছি। আমি অনুরোধ করব আমার কথা সত্য কি মিথ্যা যাচাই করতে।

মাননীয় অধ্যক্ষ : আপনি ২০ মিনিট বলেছেন। এখন বসুন।

★ শ্রীমিশন রঞ্জন দাস : মহোদয়, নতুন ইণ্ডাস্ট্রীতো আর আমাদের হয়নি। যাও ২-১ টা পুরনো রয়েছে তা রুগ্ন। আর সরকার এই রুগ্ন শিল্প গুলিকে লষ্ট কেস হিসাবে ধরে নিয়েছেন। কাছাড় সুগার মিল, মা লক্ষী কল-এগুলো তো আমাদের সরকারলষ্ট কেস হিসাবে ফেলে রেখেছেন। জনগণের এই সম্পত্তি গুলি এভাবে অবহেলায় নষ্ট হচ্ছে। এগুলোর পূনরুজ্জীবনের জন্য কোনেও চেষ্টা না করে এগুলোকে ব্যক্তিগত মালিকদের কাছে বিক্রী করার চেষ্টা করছেন। আমি দাবী করব যাতে এই গুলো পূনরুজীবিত করার চেষ্টা করেন। এই বলে আমি আমার বক্তব্য শেষ করছি।

★ Speech not Corrected

মাননীয় অধ্যক্ষ: এতিয়া শ্ৰীহিৰণ্য বৰা।

★ শ্ৰীহিৰণ্য বৰা: মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া অৰ্থাৎ বিত্ত মন্ত্ৰীৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিছিল তাৰ ওপৰত এটা সাধাৰণ আলোচনা এই সদনত ডাঙি ধৰিছো আৰু সেই বিষয়ে মই তুআষাৰমান কবলৈ ওলাইছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ সদস্যসকলে যি আলোচনা এই বাজেটৰ ওপৰত আগবঢ়াইছে তাৰ পৰা মই এটা কথা উপলব্ধি কৰিছো যে মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বাজেট বক্তৃতাত এটা বৰ গুৰুত্বপূৰ্ণ কথা কৈছে। সেইটো হল যে ৰাজ্যখনৰ সামগ্ৰীক পৰিস্থিতি কি, কি সামগ্ৰীক পৰিস্থিতিত এই চৰকাৰখনে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল আৰু এতিয়ালৈকে এই চৰকাৰটোৱে যি খিনি কৰিছে বা কি খিনি কৰিবৰ কাৰণে প্ৰচেষ্টা চলাইছে তাৰ এটা আভাষ দিছো।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰখনৰ যিসকলে এই চৰকাৰটো চলাইছিল দায়িত্ব লোৱাৰ সময়ত অতি সংঘাটপূৰ্ণ আছিল। এই সংঘাটপূৰ্ণ আছিল। এই সংঘাটপূৰ্ণৰ পৰা এটা শান্তি সৃষ্টি কৰিবৰ কাৰণে চৰকাৰে এটা প্ৰয়াস আৰম্ভ কৰিছিল। এই প্ৰয়াসৰ যিটো প্ৰক্ৰীয়া, আমি ভাবো এই প্ৰক্ৰিয়াটো আমাৰ সকলো ৰাজ্যখনৰ জনসাধাৰণে সহায় কৰা উচিত। আৰু এই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী তথা শিক্ষা মন্ত্ৰী উপস্থিত আছে। এটা কথা কবখোজিছো যে অহা ১ বহাগৰ পৰা অসমত এটা নতুন বছৰত নতুন বাতাবৰণ সৃষ্টি কৰিব লাগে যে এইটো এটা শান্তি বৰ্ষ হব লাগে। এই প্ৰক্ৰিয়াৰ দ্বাৰা জনমত গঠন কৰিবৰ কাৰণে বছৰটোক শান্তি বৰ্ষ বছৰ হিচাবে ঘোষণা কৰিব লাগে। অধ্যক্ষ মহোদয়, বাজেট আমি পঢ়িছো, কিন্তু এই বাজেটৰ কথাখিনি, বাজেটত যি যিখিনি টকা ধৰিছে এই গোটেইখিনি টকা প্ৰণয়ন কৰিবৰ কাৰণে পৰিবেশ লাগে, সেই পৰিবেশটো হব লাগিব শান্তিৰ পৰিবেশ। এটা শান্তিপূৰ্ণ পৰিবেশত এই গোটেই কামখিনি কৰিবলৈ প্ৰচেষ্টা চলাব লাগিব। আজি আমাৰ মাননীয় বিৰোধী দলৰ সদস্য শ্ৰীহলিৰাম টেৰণ ডাঙৰীয়াই কৈছে ৰাতিপুৱা শুৱাৰ পৰা উঠি আমি যি ব্ৰাছদাল লওঁ সেই ব্ৰাছদাল বাহিৰৰ পৰা আহি লগতে টুথপ্ৰেষ্টটো আছেই। মই এইখিনিতে

★ Speech not corrected

এটা কথা কবলৈ বিছাৰিছো যিটো হৈছে, অসমখনক আধুনিকভাৱে স্বাৱলম্বী কৰিবৰ কাৰণে পৰিকল্পনা লব লাগে। ৰাঙ্গিপুৰা হাতত লোৱা ব্ৰাহ্মদাল বাহিৰৰ টুথপেষ্ট বাহিৰৰ শুই থকা বিচনাচাদৰখনো বাহিৰৰ। যি ফালে হাত মেলা যায় সেই ফালে বাহিৰৰ বস্তু। যিখিনি 'মেচিনেৰি' আছে সেইবোৰ বাহিৰৰ। গতিকে এই বাহিৰৰ পৰা অহা বস্তুবোৰ বন্ধ কৰিব লাগে, আঁচনি তৈয়াৰ কৰিব লাগে। কিন্তু আধুনিক অৱস্থা উন্নয়ন কৰিব পৰা নাই। ইয়াৰ মুল কথা হল জনমত। আমি জানো কেনে ভাবে আগ বাঢ়িব লাগে, অৱশ্যে চেষ্টা কৰাৰ আৱশ্যক। ৰাজনৈতিক আন্দোলন কৰিছে। বিদেশী খেদাৰ ৰাজনৈতিক আন্দোলন কৰিছে। চুক্তি এখন কৰিছিল। চুক্তিৰ কথা নাই বুলি সমালোচনা কৰিছে। যদি চোৱা যায়, হিচাব কৰা যায় এজন মানুহৰ লগত ৮ লাখ ৫০ হেজাৰ টকা খৰছ হৈছে। যদি এইখিনি লোকক প্ৰত্যেককে দিলেহেঁতেন তেতিয়াহলে বিদেশী ইয়াৰ পৰা গৈ বাংলাদেশত মাটি কিনিলেহেঁতেন। ৰাজনৈতিক দৃষ্টিকোনৰপৰা, নৈতিক দৃষ্টিকোনৰ পৰা কথাবিলাক গুৰুত্ব দিয়া হোৱা নাই। কৰৰ কথা কোৱা হৈছে, কৰ দিব লাগে, কৰ দিয়াৰ ক্ষমতা কাক কৰ দিব লাগে। কাৰণ অসম, ভাৰতবৰ্ষ তথা পৃথিবীৰ মানুহে কৰ দিয়াৰ কাৰণে প্ৰস্তুত। অধ্যক্ষ মহোদয় মই এটা কথা কব খুজিছো, সেইটো হৈছে চাউলৰ কথা। দৰিদ্ৰ জনসাধাৰণৰ কাৰণে এই চাউলৰ কৰ বেলেগ দেখুৱা হৈছে। এইখিনিতে মই এটা অনুৰোধ কৰিব খুজিছো যে ধনী মানুহে যিখিনি চাউল খায় সেইখিনিৰ ওপৰত কৰ লগাওক। যিখিনি মানুহে সেই চাউল নাখায় বেলেগ চাউল খায় তাৰ ওপৰত কৰ লগাব নেলাগে। পি ডি এচ ৰ 'কোটা বা মোটা চাউল এই কথাখিনি পৰিস্কাৰ হব লাগে। আৰু এটা কথা যে মিঠাতেলৰ প্ৰতি লিটাৰত ৮০ পইচাকৈ কৰ লগোৱা হৈছে থিক তেনেদৰে চাৰ্কোনটো কৰ লগোৱা হৈছে। এই ক্ষেত্ৰত মই বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, মই মিঠা তেলৰ সম্পৰ্কে কৰ খুজিছোঁ। মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি, বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যে আজি মিঠা তেলৰ প্ৰতি লিটাৰত ৮০ টকা ধাৰ্য্য কৰিছে আৰু আমাৰ সাধাৰণ ৰাইজে সেই খিনি কিনিবলৈ অপৰাগ হেতুকে সৰ্বসাধাৰণ

★ Speech not Corrected

ৰাইজে ১০, ১২ বা ১৫ টকাত পোৱাকৈ অন্য চাবচিদী দিয়াৰ ব্যৱস্থা কৰে যেন। মাননীয় অধ্যক্ষ মহোদয়, ৰিত্ত ৰিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, হোটেলৰ কৰ লগোৱাৰ সম্পৰ্কে বাজেট বক্তৃতাত উথাপন কৰিছে। মই এইটো কথা ভাল পাইছোঁ। কিন্তু গুৱাহাটীৰ মাজ মজিয়াত আজি বহুতো বিউটি পাৰ্লাৰ স্থাপন হৈছে আৰু তালৈ বহুতো ধনীলোকৰ সমাগম হোৱা দেখা যায়। গতিকে ৰিউতি পাৰ্লাৰৰ ওপৰতো টেক্স লগোৱাটো মই বিচাৰোঁ। আৰু যিসকললোক বিউটি পাৰ্লাৰিলৈ যায়, সেই সকল লোকৰ পৰাও টেক্স লোৱাটো মই বিচাৰো মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা যে গুৱাহাটীত হোটেলত কৰ লগাইছে কিন্তু পঞ্চ তাৰকাযুক্ত হোটেলৰ ওপৰতো টেক্স লগাব লাগে। অধ্যক্ষ মহোদয়, আৰু এটা কথা মই শলাগিছো যে এই বাজেটখনত কৰ্ম্মচাৰী সকলৰ দৰমহাৰ নিৰিখ অনুযায়ী বেলেগ বেলেগ কৈ প্ৰফেচনেল টেক্স দেখুওৱা হৈছে এই কথাখিনি ভাল হৈছে কাৰণ যি কৰ্ম্মচাৰীয়ে যিটো দৰমহা পাই সেই দৰমহা অনুসৰিহে কৰ ধাৰ্য্য কৰা হৈছে। কিন্তু ব্যক্তিগত ভাবে এই ডাক্তৰ সকলৰ কাৰণে প্ৰযোজ্য হোৱা নাই কাৰণ তেওঁলোকে প্ৰাইভেট প্ৰেকটিছ কৰি কিমান টকা উপাৰ্জন কৰে তাৰ হিচাব বাহিৰত জনা নাযায়। গতিকে সেই কথাখিনি প্ৰফেচনেল টেক্সত বেলেগ কৰি দেখুওৱা হৈছে সেইটো ভাল হৈছে। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা ভাল কথা কৈছে যে ষ্টেট-মেন্ট কমিটিয়ে কৰৰ ওপৰত যিটো কথা ডাঙি ধৰিছে সেইটো হৈছে জনজাতি অঞ্চলত কাৰবালা নামে এখন ঠাই আছে আৰু তাৰ পৰা মেঘালয়ৰ গাওঁলৈ যায় আৰু তাত অসম চৰকাৰে এখন গেট দিছে আৰু আজি প্ৰায় ১৫ দিনৰ ভিতৰত তাৰ পৰা দিনে ডেৰলাখ টকাকৈ ৰাজহ অসম চৰকাৰে পাইছে আৰু শ্ৰীৰামপুৰৰ গেটত ডেৰলাখ টকাতকৈ বেছিহে আহিছে। মাননীয় অধ্যক্ষ মহোদয় এই টেক্স বিভাগটোক ভাল ভাবেৰে পৰিকল্পনা কৰি যদি চাই তেতিয়া দেখা পাব যে আমি অন্য কাৰো ওচৰত হাত নপতাকৈ চলিব পাৰিম। অসমৰ পৰা চুপাৰি ট্ৰাকেৰে দাক্ষিনাত্যৰ ফালে যায়, ইয়াৰ পৰা অসমৰ ডেৰ কোটি টকাহে পাও কিন্তু আমি ভালদৰে পৰিচালনা কৰিলে ৫ কোটি টকা আহিব পাৰে বুলি ভাবো। সেইকাৰণে আমি গিয়েৰ আপ কৰি ৰেভিনিউ বঢ়াব পাৰো আৰু তাৰ এটা ব্যৱস্থা লব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আৰু

★ Speech not corrected

এটা কথা যে আমাৰ ৰাজ্যখনত বিভিন্ন জাতি উপ-জাতি বসবাস কৰে কিন্তু যোৱা বছৰ ৰাজ্যপালৰ ভাষণত এটা কথা কৈছিল যে বৰাক আৰু ব্ৰহ্মপুত্ৰ ভেলিৰ মাজত সাংস্কৃতিক সমন্বয়ৰ সেঁতু গঠন কৰাৰ বাবে প্ৰচেষ্টা চলাব। সেই কাৰণে এই ক্ষেত্ৰত বিভিন্ন জাতি-উপজাতিৰ মাজত যাতে আমাৰ এটা সমন্বয় গঠন হয় আৰু তাৰ কাৰণে ব্যৱস্থা লব লাগে। ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন জাতি উপজাতিৰ লোকৰ মনত এটা অবিশ্বাসৰ ভাব গঢ় লৈ উঠাৰ ভাব দেখা গৈছে। গতিকে কোকৰাঝাৰৰ পৰা ঢকুৱাখানালৈ আৰু ঢকুৱাখানাৰ পৰা লক্ষিমপুৰলৈ গাওঁৰ ল'ৰা-ছোৱালী বিলাকক অনা নিয়াৰ ব্যৱস্থা কৰি সমন্বয়ৰ ভাব জগাই তোলাৰ ব্যৱস্থা কৰিব লাগে। কেবল বিধান সভাৰ মজিয়াত সমালোচনা কৰি থাকিলেই নহব। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো দূৰ্নীতিৰ বিষয়ে। প্ৰয়াত প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এবাৰ কৈছিল যে কৰাপচন ইজ্ এ ইণ্ডিয়ান ডিজিজ।

গতিকে আজি আমাৰ যিটো দহ টকা খায় যিটো বদনাম সেইটোৱেই দূৰ্নীতি নহয়। এই বিষয়ে কলে আমি নিজকে নিজে সমালোচনা কৰাৰ দৰে হয়। দুৰ্নীতি বহুতো ক্ষেত্ৰত আছে। ধৰক অফিচলৈ ১০ বজাত আহিব লাগে কিন্তু আহিছে ১১ বজাত তেনেকৈ আহি আকৌ গৈছে দুই বজাত ঠিক তেনেকৈ সদনলৈ আহিব লাগে অথচ সময়মতে অহা নাই তেতিয়াও দুৰ্নীতিয়েই বুলিব লাগিব। আমি ব্যক্তিগতভাৱে চিন্তা কৰি প্ৰত্যেকেই যদি ঠিক থাকো কেতিয়াও এই দুৰ্নীতি হব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, মই যোগান বিভাগৰ বিষয়ে এটা কথা কব খুজিছো যে আমাৰ সকলোৰে ৰেচন কাৰ্ড আছে। কিন্তু আমি জানো চেনি খিনিত বাদে বাকী চাউল, কেৰাচিন আদি অনা নপৰে গতিকে এই বস্তুবোৰ যায় কলৈ। সেইকাৰণে যোগান মন্ত্ৰী মহোদয়ক মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰো যে এই বিষয়ে অনুসন্ধান কৰি চাব লাগে আৰু জনসাধাৰণক যধে মধে ৰেচন কাৰ্ড দি থকা হৈছে তাৰ ভিতৰত সাধাৰণ মানুহৰ নামত ডাঙৰ ধনী ব্যক্তিয়েও আনিছে। গতিকে এইবোৰ কথাত বাধা দিব লাগে কাৰণ এতিয়াও বহুতো অভাবীলোকে ৰেচন কাৰ্ড পাবলৈ বাকী আছে আৰু সাধাৰণ লোক প্ৰতাৰিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এইখিনি আমোৱাহৰ বাহিৰে মই বাজেটখন সমৰ্থন কৰিছো

★ Speech not corrected

আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয় বক্তব্য শেষ কৰাৰ আগতে কব বিচাৰিছো যে পুলিচ বিভাগৰ বিষয়ে। যোৱা পাঁচ বছৰে বহুতো পুলিচ নিযুক্তি দিয়া হ'ল যিসকলৰ কোনো ট্ৰেনিং নাই আৰু পুলিচৰ কাম কৰাৰ বাবে তেওঁলোক ফিট হয়নে নহয় চোৱাৰ ব ্স্থ হোৱা নাই। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰীয়তে মাননীয় মুখ্যমন্ত্ৰীক জনাব বিচাৰো যে পুলিচ বিভাগটোক এটা নতুন ৰূপত গঢ় দিয়ে। একচন অৰিয়েণ্টেল নহয়, ট্ৰেনিং অৰিয়েণ্টল আৰু ডিউটি অৰিয়েণ্টল কৰাটো বিচাৰো। মাননীয় অধ্যক্ষ মহোদয় অসম চৰকাৰৰ এটা স্পেচিয়েল পুলিচ ব্ৰাঞ্চ আছে কিন্তু তেওঁলোকে কিছুমান গুৰুত্বপূৰ্ণ কথা আগতীয়াকৈ জনাব লাগে কিন্তু বাতৰি কাকতত প্ৰকাশ হোৱাৰ পিচতহে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাও যাতে এই স্পেচিয়েল ব্ৰাঞ্চটো প্ৰকৃততে দূৰদৰ্শী হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰে তাৰ বাবে চোকা নজৰ ৰাখে যেন। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

★ শ্ৰীযতীন মালি: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি খন বাজেট উত্থাপন কৰিছে সেই বাজেটখনক বিৰোধী পক্ষৰ ফালৰ পৰা বিৰোধীতা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনত বিত্তীয় বছৰটোৰ কাৰণে যি বাজেট থাপন কৰিছে তাৰে কিছুমান কথা প্ৰত্যকৰে চকুত পৰিছে আৰু ৰোধী পক্ষৰ মাননীয় সদস্য সকলে আগতে উল্লেখ কৰিছে। এইখন এখন চাপলিমেণ্টৰী বাজেট। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এখন ৰাহি বাজেট উত্থাপন কৰাৰ চখ আছিল কাৰণে তেখেতে তাকেই কৰিলে। কিন্তু এই বাজেটখনৰ জৰিয়তে সৰ্ব্বসাধাৰণ দুখীয়া ৰাইজৰ ক্ষেত্ৰত অৰ্থনৈতিক দিশত এখন প্ৰকৃত ছবি দাঙি ধৰাত ব্যৰ্থ হৈছে। অসমৰ অৰ্থনৈতিক দিশত জনসাধাৰণৰ যি ব্যৱস্থা এই সকলো বোৰ বাজেটৰ জৰিয়তে যিখন ছবি প্ৰতিফলিত হব লাগিছিল তাৰে পৰিপ্ৰেক্ষিতত বিত্তীয় বছৰটোত আগুৱাই যোৱাৰ কাৰণ দেখা নাই। আমাৰ মাননীয় বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্যই উল্লেখ কৰা টেক্সৰ জৰিয়তে জনসাধাৰণ, আমাৰ কৰ্ম্মচাৰী তথা বিভিন্ন শ্ৰেণীৰ লোক সকলক সহায় কৰিব বুলি আহিব লগা বিত্তীয় বছৰটোত অসমৰ অৰ্থনৈতিক দিশবিলাকত বিলোপ সাধন কৰিব পাৰিব বুলি অনুমান কৰা হৈছে।

★ Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, বাজেটত যিখিনি কথা উত্থাপন কৰা হৈছে ৪০ কোটি টকাৰ কৰাৰ বাহিৰেও বাজেটৰ জৰিয়তে অসমৰ জনসাধাৰণক অদূৰ ভৱিষ্যতে চিন্তাধাৰা সকলক অৰ্থনৈতিক দিশত ককাল ভঙাৰ দৰে হব। মডেলাইজ, আৰ্কিটেলাইজ আদি বাজেটত প্ৰকাশ কৰিছে। সেই দিশবিলাক কৰৰ পৰা এৰাই চলিছে। মাননীয় অধ্যক্ষ মহোদয় মই আগতে উল্লেখ কৰিছো যে এই বাজেটখন এখন চাৰপ্লাচ বাজেট হৈছে। সেইকাৰণে মই এই বাজেটখনক সমৰ্থন কৰিব নোৱাৰো। বাজেটখনৰ লগে লগে নানা দিশত উন্নয়নৰ কথা চিন্তা কৰা হৈছে। মাননীয় বিধায়ক বৰা ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছিলে যে বিদেশী নাগৰিকৰ আন্দোলন চলিছিলে, যিখন চুক্তি হৈছিলে চৰকাৰৰ দায়িত্বত থকা সকলে মাত্ৰ কেইজনমানকহে বিদেশী নাগৰিক বুলি বহিস্কাৰ কৰিবলৈ সমৰ্থবান হৈছিল। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিবলৈ কওঁ যে আমাৰ যিটো আন্দোলন আছিল সেইটো সত্য আন্দোলন আছিল আমাৰ যিটো বিদেশী বহিস্কাৰৰ কথা আছিল সেইটো সত্য আছিল। ৬ বছৰীয়া আন্দোলনটোক ভাৰতৰ প্ৰধান মন্ত্ৰীয়েও সত্যতা স্বীকাৰ কৰিছিলে। যি সকল ব্যক্তিয়ে গণ আন্দোলনটোক বিপথে পৰিচালনা কৰাত যে উদগনি যোগাইছিল সিও সত্য আছিল। কিন্তু মূল্যবোধ দিব পৰা নাছিল। বিদেশী বহিস্কাৰ আন্দোলনৰ চুক্তিখন ৰূপায়ণ কৰিবৰ কাৰণে অসমৰ জনসাধাৰণৰ সামগ্ৰিকভাবে দায়িত্ব আছিল।

মাননীয় অধ্যক্ষ মহোদয়, বাজেট সম্পৰ্কত এটা কথা উত্থাপন কৰিব বিছাৰিছো যে আজি প্ৰশ্নোত্তৰ কালছোৱাত এটা কথা উত্থাপন হৈছিল যে আমাৰ এগৰাকী মাননীয় ৰাজ্যিক মন্ত্ৰীৰ মানস অভয়াৰণ্য ঘটনা লৈ তেখেতৰ সম্পৰ্কত যিটো অভিযোগ সদনৰ মজিয়াত উত্থাপন হোৱাত মাননীয় অধ্যক্ষ মহোদয়ৰ পৰিচালনাত এক সুস্থ তদন্ত কৰিবৰ কাৰণে দিয়া হৈছিল। তদন্ত নিৰ্দোষী প্ৰমাণ হোৱাৰ পিচত তেখেতে পুনৰ মন্ত্ৰী পদলৈ ঘূৰি আহিছিল। ইঞ্চুৰেঞ্চ, গেচ ক্ৰেকাৰ আদি সম্পৰ্কত উন্নয়নৰ মাপ কাঠিৰে চৰকাৰে কাৰ্য্যকৰী কৰিবৰ কাৰণে কাৰ্য্যক্ষম হৈ উঠা নাই বুলি আজি এই পৱিত্ৰ সদনত মই উত্থাপন কৰিব বিচাৰিছো। পৰবৰ্ত্তী বছৰটোত বহাগ মাহত শান্তি ঘূৰি আহিব বুলি মাননীয় সদস্য বৰা ডাঙৰীয়াই উল্লেখ কৰিছে। এটা কথা অধ্যক্ষ মহোদয়, জনসাধাৰণৰ মনত শান্তি আহিব যেতিয়া ৰাজ্যখনৰ চাৰিওফালে জয় ময় ময় হব অশান্তি দূৰ

★ Speech not corrected.

হব তেতিয়াহে। জনসাধাৰণৰ যিটো কৰুাল ভঙা অৱস্থা হব ধৰিছে জনসাধাৰণৰ মনত শান্তি আহিব নে নাহে সেইটো প্ৰত্যেকে চিন্তা কৰা উচিত। ১০ লাখ নিবনুৱাক বিত্তীয় বছৰটোত বাজেটৰ জৰিয়তে চাকৰি দিয়া হব বুলি কোৱা হোৱা নাই। দেখা গৈছে যে পেপাৰতো এই বিষয়ে ওলাইছে চাকৰিমুখীৰ সংস্থাপন হব লাগে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে উল্লেখ কৰা মতে জনসাধাৰণে যিধৰণে ভাবিছিল এতিয়া সেই ক্ষেত্ৰত সকলোৱে চিন্তান্বিত হৈ পৰিছে।

Mr. Speaker : It is now 1-30 P. M. The House is adjourned till 3-30 P. M. today.

(মাননীয় অধ্যক্ষই ৩-৩০ লৈ সদন স্থগিত ৰাখে)

(After break, the House met at 3-30 P. M. to-day, the 23rd March, 1992 with Hon'ble Mr. Speaker in the chair)

Mr. Speaker : Now Shri Jatin Mali. He will please conclude his speech within 5 minutes.

★ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মই আজি আগবেলা সদনত বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰি যিখিনি কথা উত্থাপন কৰিছিলো তাৰ লগতে এতিয়া কেইটামান কথা যোগ দিব বিচাৰিছো। বিগত ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত অংশ গ্ৰহণ কৰি এই সদনতে মই কেইটামান বিষয় মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো আৰু কেইটামান প্ৰয়োজনীয় নীতিগত কথা ডাঙি ধৰিছিলো কিন্তু সেই সম্পৰ্কত আজিয়ো কোনো কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা আমি দেখা নাই। নীতিগত সম্পৰ্কত এটা সিদ্ধান্ত দিয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো আৰু এইটো হব লাগে। মই উত্থাপন কৰা বিষয়টো আছিল যে অখিল দাস নামৰ এজন হাইস্কুলৰ সহকাৰী শিক্ষক ওচৰৰে আন এখন স্কুলৰ মেনেজিং কমিটিৰ সভাপতিৰ দায়িত্ব দিছে, এইটো কেনেকৈ হব পাৰে, এই ব্যৱস্থাটো কেবল পলাশবাৰীৰ ক্ষেত্ৰতেই নহয় সমগ্ৰ অসমৰ ক্ষেত্ৰত তেনেধৰণৰ ব্যৱস্থা হব নালাগে। এই বিষয়ে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ব্যৱস্থা লবলৈ অনুৰোধ জনাইছিলো। আচৰিত কথা যে এখন হাইস্কুলৰ এজন সহকাৰী শিক্ষকৰ পদত থাকি তেওঁ কামৰূপ জিলাৰ

★ Speech not corrected

হাইস্কুলৰ প্ৰাৰ্থীৰ বাচনিৰ দায়িত্ব দিয়া হৈছে, এইটো কোনো নীতিগত ব্যৱস্থা হোৱা নাই, হাইস্কুলৰ প্ৰধান শিক্ষক হলেও সুকীয়া কথা এটা আছিল কিন্তু এজন সহকাৰী শিক্ষক পদত থাকি তেওঁ নিজেই হাইস্কুলৰ শিক্ষক বাচনি কৰিব। গতিকে তেওঁক হয় শিক্ষকৰ পদৰ পৰা আতৰাব লাগে নহয়তো মেনেজিং কমিটিৰ দায়িত্বৰ পৰা আতৰাব লাগে। আন এটা কথা মই সদনত উত্থাপন কৰিছিলো তেতিয়া মই নামটো উল্লেখ কৰা নাছিলো সদনৰ মান-মৰ্য্যদা হানি হ'ব বুলি কিন্তু আজি উল্লেখ কৰিছো। যাদব দাস নামৰ এজন মিৰ্জাৰ এজন প্ৰধান শিক্ষকে এগৰাকী ছোৱালীক ধৰ্ষণ কৰাৰ কথা সকলোয়ে জানে, আৰু সেই ছোৱালী গৰাকী গৰ্ভৱতী হৈছিল, এই সম্পৰ্কত ছাত্ৰ-ছাত্ৰীৰ গাৰজেন সকলে মিটিং পাতি অভিযোগ কৰিছিল আনকি পোষ্টাৰ ইত্যাদি তেওঁৰ বিৰুদ্ধে মৰা হৈছিল, পিচত সেই গৰাকী শিক্ষকক চাচপেন কৰা হৈছিল। কিন্তু এ, জি, পি, শাসনৰ পৰা যোৱাৰ পাচত ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত অৰ্থাৎ ৯ তাৰিখৰ দিনা তেওঁক পুনৰ ৰিইনষ্টেট কৰা হয়। এই বিষয়টোৰ ওপৰত মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক নীতিগত ব্যৱস্থা লবলৈ অনুৰোধ জনাইছিলো। গতিকে এই বিষয় কেইটাৰ ওপৰত এটা নীতি নিৰ্দ্ধাৰণ কৰিবলৈ মই পুনৰ অনুৰোধ জনাইছো। মই দিঘলীয়া নকৰো, সৰ্ব্বশেষত এটা কথা মই কব বিচাৰিছো যে বিধায়ক সকলৰ বিভিন্ন সা-সুবিধা প্ৰদানৰ কাৰণে বা অন্যান্য কথালৈ বিধান সভাৰ মজিয়াত এখন হাউচ কমিটি আছে কিন্তু এই হাউচ কমিটিৰ ইনঅগৰোৱেল সভাৰ বাহিৰে আজিলৈকে কোনো সভা বহা নাই। অকল হাউচ কমিটিয়েই নহয় তেনেহলে অন্যান্য কমিটি বিলাকৰ ফাংশ্যন কেনেদৰে হৈছে কব নোৱাৰো। নিয়মমতে বিধায়ক সকলৰ সা-সুবিধাৰ কাৰণে সময়ে সময়ে বহু কথাই আছে, গতিকে প্ৰতি সপ্তাহতে সভা বহিব লাগে। গতিকে বিধায়ক সকলৰ খাতিৰত যি সকলে এই কমিটি বিলাকৰ সভাপতিৰ দায়িত্বত আছে, তেওঁলোকৰ যদি সময় নাই আৰু মইয়ো যদি কোনো কমিটিৰ বা হাউচ কমিটিৰ সদস্য হও তেতিয়াহলে আমি পদত্যাগ কৰিবলৈ বাধ্য হম। বাজেট বক্তৃতাত এই খিনিকে বক্তব্য ৰাখি শেষত এই বছৰত সাধাৰণ জনসাধাৰণৰ ককালত ৰাম-টাঙোন মাৰিলে বুলি বক্তব্য কৰি সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ : সদনৰ যিবিলাক সমিতি আছে সেই সমষ্টিৰ সভাপতি সকলৰ

★ Speech not corrected

লগত আলোচনা কৰিছে ব্যৱস্থা লব লাগে যদি তাতো কোনো ব্যৱস্থা নহয় তেতিয়াহলে মোক চেষ্টাৰত আছি এই সম্পৰ্কে অবগত কৰিব লাগে। সদনত এই হাউচ কমিটিয়েই হওক বা আন কমিটিৰ এনেবোৰ কথা আলোচনা কৰা নহয়। মোৰ চেষ্টাৰত আছি জনালেই হ'ল।

★ শ্ৰীযতীন মালী: এই সম্পৰ্কত নাজানো কাৰণেই মই কৈছিলো।

শ্ৰীপ্ৰমোদ গগৈ: মাননীয় অধ্যক্ষ মহোদয়, বাজেট সংক্ৰান্তত ইতিমধ্যে সদনত যথেষ্ট খিনি আলোচনা হৈ গৈছে। প্ৰথমতে মই এটা কথা কব বিচাৰিছো যে এই বাজেট খনক এখন ৰাহী বাজেট বুলি কোৱা হৈছে। প্ৰকৃতপক্ষে যি অৰ্থত ৰাহী বাজেট ডাঙি ধৰা হৈছে তাত আশা কৰা হৈছে তেলৰ ৰয়েলিটি ৩১৪ টকাৰ পৰা ৭৪০ টকালৈ বৃদ্ধি হব আৰু ইয়াৰ ফলত অহা বছৰত ৰাজ্যখনৰ ৭৫০ কোটি টকা আয় হব পাৰে। সেই বিষয়ে ভাৰত চৰকাৰে এতিয়ালৈকে কোনো খাতাং সিদ্ধান্ত কৰা নাই আৰু যদি কিবা কাৰণত ৭৪০ টকা প্ৰতি মেট্ৰিকটন ৰয়েলিটি ধাৰ্য্য কৰা নহয় তাতকৈ যদি কম হয়, আনকি যদি ৬০০ টকাও হয় তেতিয়াহলে এই বাজেট ৰাহি বাজেট হৈ নাথাকে, ই ঘাটি বাজেট বা ডেফিচিট বাজেটত পৰিগনিত হব। সেই কাৰণে মই বেচি কথা উল্লেখ কৰিব নিবিচাৰো। যদি ৰাহী বাজেট হয় ভালেই কথা। কিন্তু যি কাৰণত এই কথাটো কৰা হৈছে, সেইটো অহা বছৰত প্ৰমাণ কৰিব যে বাজেটখন প্ৰকৃত পক্ষে জনকল্যাণ মূলক কামৰ কাৰণে সহায়ক হব নে নহয়।

এইখিনিতে উল্লেখ কৰিব বিচাৰো যে আমাৰ অসমক ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে অসম, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ ৰাজ্য বিলাকক বিশেষ মৰ্য্যাদাৰ ৰাজ্য হিচাপে স্বীকৃতি দি এটা ডাঙৰ অৱদান কৰিছে যাৰ ফলত আজি অসমেও ভাৰত চৰকাৰৰ পৰা যিমান ধন পায় তাৰ শতকৰা ৯০ হল মঞ্জুৰী। কিন্তু আমাক বিশেষ মৰ্য্যদাৰ ৰাজ্য হিচাপে স্বীকৃতি দিলেও অন্যান্য ৰাজ্য বিলাকত যি ভাৱে পৰিকল্পনাত জনমুৰি খৰছ কৰে, সেই সুবিধা অসমে আজিও পোৱা নাই। ১৯৯০-৯১ চনত অসমত পাৰ কেপিটা আউটলে ২৩৬ টকা। একে সময়ত অন্যান্য যিবিলাক বিশেষ মৰ্য্যদাৰ ৰাজ্য সেইবিলাকৰ লগত যদি তুলনা কৰা যায় তেন্তে নগালেণ্ডত হল পাৰ কেপিটা আউটলে ১৩১৮, মণিপুৰত ১ হাজাৰ টকা আৰু মেঘালয়ত ১০২০ টকা। গতিকে মই এই কথা

★ Speech not corrected

ভাৰত চৰকাৰক দাবী কৰিব বিচাৰো যে আমাক কেৱল বিশেষ মৰ্য্যদাৰ ৰাজ্যৰ স্বীকৃতি দিয়াটোৱেই নহয়, যি নীতিত অন্যান্য ৰাজ্যবিলাকত জনমুৰি খৰছৰ টকা ধাৰ্য্য কৰে সেই সুবিধা অসমক দিব লাগে। আনকি যি বিলাক সাধাৰণ মৰ্য্যদাৰ ৰাজ্য সেই বিলাকত যি পাৰ কেপিটা আউটলে তাৰ তুলনাত অসমত বহুত কম। যেনেকৈ পঞ্জাৱত পাৰ কেপিটা আউটলে ৪৬২ টকা, হাৰিয়ানাত ৪৩২ টকা, মধ্যপ্ৰদেশত ৩৪৯ টকা আৰু সৰ্ব্বভাৰতীয় শতকৰা ২৮৮ টকা। এই ক্ষেত্ৰত অসমৰ বিত্তীয় পৰিস্থিতিৰ উন্নতিৰ কাৰণে ভাৰত চৰকাৰক দাঙি ধৰা প্ৰয়োজন আৰু যিহেতু ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে আমাক বিশেষ মৰ্য্যদা দিছে, এতিয়া একেটা দলৰ চৰকাৰ দিল্লী আৰু দিশপুৰত আছে। সেয়ে এলেকৈচনৰ সেই সুবিধা যাতে আদায় কৰিব পাৰে তাৰ কাৰণে জনোৱা প্ৰয়োজন। এটা কথা মই উল্লেখ কৰিব বিচাৰো যে আমাৰ উদ্যোগীকৰণত ইতিমধ্যে যি কিছু অগ্ৰগতি হৈছিল সেইবিলাকত আমি দেখিবলৈ পাইছো যে ক্ৰমান্বয়ে অসমৰ পৰা হস্তান্তৰ হবলৈ আৰম্ভ কৰিছে। ইতিমধ্যে মাননীয় সদস্যসকলে উল্লেখ কৰিছিল যে আমাৰ অসমত যি একমাত্ৰ আধুনিক ধৰণৰ উদ্যোগ ইণ্ডিয়া কাৰ্বন আছে, এসময়ত অসমৰ তেল শোধনাগাৰ বিলাকত প্ৰথমে যি নেকি পেট্ৰলজাত সামগ্ৰী উৎপাদিত হৈছিল তাৰে ইণ্ডাষ্ট্ৰি চলিছিল। কিন্তু ইয়াৰ পিছত ভাৰত চৰকাৰে আৰু দুটা তেনেকুৱা উদ্যোগ স্থাপন কৰিছে। এটা গোৱাত আৰু আনটো হালদিয়াত। ১৯৯১ চনৰ অক্টোবৰ মাহত ভাৰত চৰকাৰে এটা সিদ্ধান্ত কৰিলে যে অসমত যিখিনি পেট্ৰোলিয়াম কোক উৎপাদন হব সেইখিনি তিনিটা উদ্যোগত সমান বিতৰণ হব। যাৰ ফলত এতিয়া অৱস্থা হ'ল যে আমাৰ এই উদ্যোগটোৰ বৰ্ত্তমান মৃতপ্ৰায় অৱস্থা। এই উদ্যোগটোত প্ৰতি মাহে আমাৰ যিখিনি প্ৰয়োজন বৰ্ত্তমান উৎপাদনৰ ক্ষেত্ৰত তাক অব্যাহত ৰাখিবৰ কাৰণে ৭২ হাজাৰ মেট্ৰিকটন কোক লাগে। ১৯৯১ চনৰ ডিচেম্বৰ মাহত ১ হাজাৰ ৮৪৫ টন, জানুৱাৰীত ১ হাজাৰ ৬ শ আৰু ফেব্ৰুৱাৰী মাহত ২ হাজাৰ ২৯১ টন। ইয়াৰ পৰা দেখা যায় ভাৰত চৰকাৰৰ যি ঔদ্যোগিক নীতি সেই নীতিৰ ফলত আমাৰ ৰাজ্যখনত উদ্যোগীকৰণ হোৱা দূৰৰ কথা যিবিলাক উদ্যোগ আছে সেইবিলাক মৃত্যুৰ ফালে আগবাঢ়িবলৈ ওলাইছে। আমাৰ ইয়াত কফি উৎপাদনৰ কাৰণে ভাৰত চৰকাৰে অসমত কফি খেতিৰ কাম আৰম্ভ কৰে। যোৱা সময়ছোৱাত কফি বোৰ্ডৰ কাম আৰম্ভ কৰে। কিন্তু দেখা যায় যে যোৱা

★ Speech not corrected

কেইমাহৰ ভিতৰত প্ৰায়বিলাক অফিছ স্থানান্তৰ কৰিছে। কফি বোৰ্ডৰ হাফলঙত যিটো চিনিয়ৰ লিয়াচন অফিছাৰ আছে, সেই পোষ্টটো দিল্লীলৈ স্থানান্তৰ কৰিছে। ঠিক তেনেকৈ নাগালেণ্ডৰ চিনিয়ৰ লিয়াচন অফিছাৰক দিল্লীলৈ স্থানান্তৰ কৰিছে। আনকি এই অঞ্চলৰ মূৰব্বীজন ডেপুটী দিৰেকক্টৰৰ অফিছ দিল্লীলৈ স্থানান্তৰ কৰা হৈছে। এই ভাৱে যদি কাৰ্য্যালয়বিলাক স্থানান্তৰ হয় তেন্তে আমাৰ অসমৰ উদ্যোগীকৰণ হোৱা দূৰৰ কথা বৰ্ত্তমানে থকা উদ্যোগ বিলাক বিপদৰ সন্মূখীন হব। সেই কাৰণে মই এটা কথা চৰকাৰক অনুৰোধ কৰিব বিচাৰো যে আমাৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ কাৰণে কিছুমান নিৰ্দিষ্ট বিষয় ভাৰত চৰকাৰৰ ওচৰত দাঙি ধৰা দৰকাৰ। ইয়াৰ ভিতৰত প্ৰথম হ'ল যে আমাৰ ইয়াত যিবিলাক উদ্যোগ আছে সি ৰাজহুৱা খণ্ডতেই হওক বা ব্যক্তিগত খণ্ডতেই হওক সেই উদ্যোগ বিলাকৰ লাভাংশৰ শতকৰা ৫০ টকা ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ কাৰণে খৰছ কৰাটো বাধ্যবাধকতা থাকিব লাগে। তাৰ কাৰণে যদি প্ৰয়োজন হয় তেন্তে সংবিধান সংশোধন কৰক। অসমৰ যিবিলাক চাহ কোম্পানী আছে সেইবিলাকৰ কাৰ্য্যালয় অসমৰ বাহিৰত। সেই কাৰ্য্যালয় বিলাক অসমলৈ এই কাৰণেই স্থানান্তৰ কৰিব লাগে যে অসমৰ পৰা উৎপাদিত চাহৰ ফলত এই কোম্পানী বিলাকে বছৰি ১ হাজাৰ ৫ শ কোটিতকৈ অধিক টকা উপাৰ্জন কৰে আৰু সেই টকা যদি অসমত হেড অফিছ থাকি ইয়াৰ বেংকৰ জৰিয়তে খৰছ হয় তেন্তে অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰত এটা ডাঙৰ প্ৰভাৱ পৰিব আৰু উৎপাদনৰো ক্ষেত্ৰত ই সহায়ক হব। সিদিনা মুখ্যমন্ত্ৰীয়ে স্বীকাৰ কৰিছে যে অসমৰ চাহ কোম্পানী বিলাকে আয় কৰৰ বাবদ ৬ কোটি টকা দিব লগা আছে। তেওঁলোকে কেচ কৰি এই টকা যাতে চৰকাৰক নিদিয়ে তাৰ চেষ্টা কৰিছে। সেই কাৰণে চৰকাৰক অনুৰোধ কৰিছো যে চাহ বাগান বিলাকৰ ওপৰত যিটো অনাদায়ী কৰ আছে সেইটো আদায় কৰাই নহয়, তেওঁলোকৰ ওপৰত আৰু অধিক কৰ প্ৰবৰ্তন কৰা দৰকাৰ। তেওঁলোকে বৈদেশিক মুদ্ৰা অসমৰ চাহৰ পৰা উপাৰ্জন কৰে। অসমৰ চৰকাৰী মাটিৰ বেদখলকাৰী হৈছে চাহ বাগানৰ মালিক বিলাক। মই এখন কিতাপৰ পৰা দিছো এই কিতাপখন অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত ৰেভিনিউ এদমিনিষ্ট্ৰেচন ইন আচাম, কম্পাইল কৰিছে দি কে গঙ্গোপাধ্যায়, অসমৰ চেক্ৰেটেৰী।

★ Speech not corrected

অধ্যক্ষ মহোদয়, এই তথ্যত তেখেতে দেখুৱাইছে যে, অসমৰ জিলা হিচাবে কি ধৰণে আছে। তেখেতে দেখুৱাইছে অসমৰ চাহ বাগান বিলাকত চৰকাৰৰ মাটি বে-আইনীভাবে দখল কৰিছে আৰু ১৮,৫৯৭ বিঘা, ৪ কঠা ৮ লোচা মাটি বে-দখল কৰা হৈছে। চাহ বাগিছাৰ মালিক বিলাকে এহাতে তেওঁলোকে আইন ভংগ কৰিছে আৰু আনহাতে অসম চৰকাৰক ৰাজহৰ পৰা বঞ্চিত কৰিছে। এইখিনিতে মই উল্লেখ নকৰি নোৱাৰো যে, অসমৰ জনসাধাৰণক যেনেকৈ চাহ শিল্পৰ অৰ্থনৈতিক বিকাশত সহায় কৰিছে কিন্তু আনহাতে অসমৰ চাহ বাগান বিলাকৰ যিবিলাক মালিক ভাৰতবৰ্ষত একচেতিয়া পুঁজিপতি সেই সকলে অসমৰ জনসাধাৰণক অৰ্থনৈতিক ভাবে শোষণ কৰাটোৱেই নহয় গণতান্ত্রিক ভাবে কণ্ঠৰোধ কৰাৰ এক চক্রান্ত কৰিছে। আজি কেইদিনমানৰ আগতে কাগজত ওলাইছে যে, চাহ বাগিছাৰ মালিক বিলাকে অসমত চৰকাৰৰ ওপৰত এটা প্ৰস্তাৱ দিছে যে, অসমৰ প্ৰশাসনৰ ওপৰত, পুলিচ বিভাগৰ ওপৰত তেওঁলোকৰ আস্থা নাই আৰু সেই কাৰণে তেওঁলোকে বিচাৰিছে যে, চাহ বাগান বিলাকত এটা বোলে প্ৰাইভেট পুলিচ ফোৰ্চ, চিকিউৰিটি ফোৰ্চ কৰাৰ কাৰণে তেওঁলোকে দাবী কৰিছে। যেনেকৈ দক্ষিণ আফ্ৰিকাত শ্বেতকায় সকলে আফ্ৰিকাৰ জনসাধাৰণক দমন কৰিবৰ কাৰণে নিজৰ প্ৰশাসনীয় পুলিচ বাহিনী বিচাৰিছে, অসমতো চাহ বাগানৰ মালিক সকলে অসমৰ জনসাধাৰণৰ বিৰুদ্ধে নিজস্ব পুলিচ বাহিনী কৰাৰ কাৰণে চেষ্টা কৰিছে। আৰু সেই দৰ্খাস্ত অসম চৰকাৰক দিয়া নাই। সেই দৰ্খাস্তখন দিছে জি, অ, চি, লেফটেনেণ্ট জেনেৰেল অজয় সিঙক। অধ্যক্ষ মহোদয়, যিবিলাক চাহ বাগিছাৰ একচেতিয়া পুঁজিপতি, ভাৰতবৰ্ষৰ একচেতিয়া পুঁজিপতি তেওঁলোকে অসমৰ আইন কানুন মানিব নিবিচাৰে। অসমৰ স্বাৰ্থ বিৰোধী কাম কৰাৰ অসমক শোষণ কৰা একচেতিয়া চাহ বাগানৰ মালিকবিলাকৰ প্ৰতি চৰকাৰে নমনীয় ভাব দেখুৱা উচিত নহয়। আৰু মই আশা ৰাখিছো যে, চৰকাৰে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে অসমৰ অৰ্থনৈতিক অৱস্থা উন্নত হোৱাৰ পৰিবৰ্ত্তে অৱনতি হোৱাৰহে সম্ভৱনাই দেখা দিব।

Mr. Speaker: Now, Shri Chandra Mahan Patowary.

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত বিত্ত

★ Speech not corrected

বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ৰাহি বাজেট উত্থাপন কৰিছে এই বাজেট সম্পৰ্কত মোৰ মনত আছে। এই বাজেটখন এটা শব্দত কৰলৈ গলে অসমৰ জনসাধাৰণৰ বিৰুদ্ধে বাজেট এখন হৈছে। এই বাজেট অসমৰ জনসাধাৰণৰ প্ৰতি এক ভদ্ৰ প্ৰতাৰণা কৰা আৰম্ভ কৰিছে। এখন ৰাহি বাজেট দিয়া মানে অসমৰ জনসাধাৰণৰ উন্নতি যে হৰ তাৰ কোনো মানে নাই। মই এটা কথা দৃষ্টি আকৰ্ষণ কৰি চৰকাৰক জনাব বিচাৰিছো যে, আজি যদি মোৰ ঘৰ চলাবৰ বাবে ১ হাজাৰ টকা ইনকাম লাগে আৰু তাৰে সৈতে বেমাৰী চিকিৎসা, ঘৰ ভাল কৰা, দুবেলা দুমুঠি খোৱাৰ ব্যৱস্থা কৰা আদি হৈ যায় কিন্তু তেনেস্থলত যদি সেই এক হেজাৰ টকাৰে বেমাৰ হলে চিকিৎসা নকৰো আৰু ১৫ দিন খাই ১৫ দিন লঘোনে থাকি মাহে ২ শ টকা ৰাহি কৰো ঠিক তেনেধৰণৰ এখন বাজেট আমাৰ দাঙি ধৰিছে। এই ৰাহি বাজেটত যিটো ব্যৱস্থা কৰিছে সেইটো দেখি মোৰ কলেজত পঢ়ি থকা অৱস্থাত পঢ়া শ্ৰীৰবীন্দ্ৰ সৰকাৰৰ এটা কবিতালৈ মনত পৰিছে। "বিশ্ব বেংকত বন্ধক থলে আমাৰ কলিজা, আইৰ সতীত্ব বিক্ৰী কৰিলে বিশ্ব বজাৰত"। আজি আমাক ৰাহি বাজেট দি সেই একে ব্যৱস্থাকে কৰিছে। এই ব্যৱস্থা সলনি কৰিব লাগিব। কথা হৈছে যে,—(ভইচ: কবিতাটো বুজি পোৱা নাই) — চাউল, তেল, দাইল চুৰ কৰাত ব্যস্ত থকা সকলে বুজি নাপাব ৰাকী খিলাকে বুজি পাইছে। এতিয়া প্ৰশ্ন হল, আজি আমাৰ কলিজা মনমোহন সিঙে বিশ্ব বেংকত বন্ধক থৈছে। আৰু আমাৰ আইৰ সতীত্ব আমিৰ দ্বাৰা ধৰ্ষণ কৰাই বিশ্বৰ বজাৰত বিক্ৰী কৰিছে। আপোনালোকে ডাঙৰ ডাঙৰ কথা কৈছে। মুৰ্গীয়ে কণী প্ৰসৱ কৰোতো যিমান জোৰ দিয়ে তাৰ পিচত উভতি চাই দেখে যে এটা অকনমান কণী পাৰিছে। গতিকে সেই একে অৱস্থাকে হৈছে।

★ শ্ৰীঅঞ্জন দত্ত: অধ্যক্ষ মহোদয়, এই কথা আপোনাকে কৈছে নেকি ?

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: মই তেখেতক কোৱা নাই।

★ Dr. Ardhendu Dey: Sir, Perversion.

Shri Chandra Mohan Patowary: I am not perverted. The person who is playing with the lives of common people by making fraud in salt, oil, he is perverted-

★ Speech not corrected

Hon'ble High Court also not sparted you ....যদি ৰাহি বাজেটেই হয় তেনেহলে মন্ত্ৰীয়ে হেঁচা মাৰে কিয় ? কৃষিৰ উন্নয়নৰ ক্ষেত্ৰত এই বাজেটত একো কথাই নাই। মাননীয় সদস্য প্ৰমোদ গগৈ দেৱে অসমত কৃষিৰ চৰ্চাৰ কথা উল্লেখ কৰিছে। আজি কৃষিৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত যিখন বাজেট হৈছে নিজে নিজে ভাবি চাওঁক। কৃষিৰ উন্নয়নৰ বাবে কি ব্যৱস্থা লৈছে ? উদ্যোগৰ ক্ষেত্ৰটো কেচামাল যিখিনি হয় যেনে ক'ল ইণ্ডিয়া, এন, ই, প্লেন্ট আজি বন্ধ হৈ গৈছে। আমি বিচাৰিছো যে, কৃষি খণ্ডত বেছি পইচা খটুৱাই বিজ্ঞান সন্মতভাবে কৃষি খণ্ড ওপৰলৈ আনিব নোৱাৰিলে অসমৰ উন্নয়ন হব নোৱাৰে। আপোনালোকে তেলৰ ৰয়েলিটি চেল টেক্স, ইনকাম টেক্স লৈ ৰাহি বাজেট দিয়াৰ কোনো অৰ্থ নাই। এই বাজেট ভেকুলীৰ পিঠিত নোম গজাৰ নিচিনা হৈছে। আজি ২ টকা দামত চাউল দিছে কিন্তু ২ টকা কিলোৰ চাউল ১২ টকা কিলোৰ দালিৰে জনসাধাৰণে কেনেকৈ খাব ? দালি নাখালে মানুহৰ মেলনিউট্ৰিচন হব। আপোনালোকে বিচাৰ কৰি চাওক আজি জনসাধাৰণক কেনেকৈ ৰিফ্লেক্ট কৰিছে ? আজি এচ, বি, পি, এচ, অ' সকলে নিজৰ জীৱন আগুৱাই দি আমাক ৰক্ষা কৰি আছে কিন্তু তেওঁলোকৰ ১৯৯০ চনৰ পৰা টি, এ, দি এ, নাই। আনহাতে আৰ্মিৰ বাবে ১ কোটি ১০/১৫ লাখ ব্যয় কৰিব পাৰিছে। যদি পি, এচ, অ' সকলক টি, এ, দি, এ, দিব নোৱাৰে তেনেহলে ৰাহি বাজেট দিয়াৰ কি মূল্য থাকিব পাৰে ? আজি আমাৰ বিৰোধী দলৰ পৰা যিবিলাক সমালোচনা কৰা হৈছে আশা কৰো আপোনালোকে গ্ৰহণ কৰি লব।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথা হৈছে অপজিচনৰ মানুহ খিনিয়ে সমালোচনা কৰোতে পজিচনৰ ২/১ জন সদস্যৰ বাদে বাকী সকলে মানি লৈছে। এই চৰকাৰৰ লোক সকলে যেতিয়া অপজিচনত আছিল, তেখেত সকলে যেতিয়া বীৰদৰ্পে চৰকাৰক সমালোচনা কৰিছিল তেতিয়া আমি চৰকাৰত থাকোতে গ্ৰহণ কৰিছিলো এতিয়াও তেখেত সকলে আমাৰ সমালোচনা গ্ৰহণ কৰিব লাগে। (সময় সংকেত) অধ্যক্ষ মহোদয়, মই দুটামান কথা কব খুজিছো— প্ৰথম কথা হৈছে—২ টকা দৰৰ চাউলৰ লগত ১২ টকা কেজিৰ দাইল কেনেকৈ ৰাইজে খাব ? (ভয়চ- খিচিৰি বনাই খাব)। ২ নং কথা হৈছে গাড়ী, মটৰ টেক্সৰ পৰা বাছি গ'ল কিন্তু জুইশলা, লুঙী, গেঞ্জীত টেক্স লাগিল, পাটকটিত টেক্স

★ Speech not corrected

লাগিল। এইবোৰ কোন মানুহে ব্যৱহাৰ কৰে গাৱঁৰ দুখীয়া নিচলা সকলে। চৰকাৰে আজি বাজেট বনাইছে শ্ৰীমাতংগ সিঙৰ দৰে লোকৰ বাবে, চাহবাগানৰ মালিকৰ বাবে বাজেট বনাইছে কিন্তু বাগানৰ বনুৱাৰ কাৰণে বাজেট বনোৱা নাই। গাড়ী, মটৰ বাদ দি জুইশলা, লুঙী, পাউৰুটিত টেক্স লগোৱা হ'ল কিয়? ৩ নং কথা হৈছে—How there can be a surplus Budget. It means hardly there is only developmental works. ৪ নং কথা হৈছে – In the face of decline in the national growth rate of 2.5 percent of GDP during 1990-91 and 5.6 percent during 1991-92 এইটো ডিক্লাইন কৰিছে নেচনেল লেভেলত। কিন্তু ষ্টেট লেভেলৰ বাজেটত কৈছে যে এইটো ৯.৭ ভাগ বৃদ্ধি পাইছে। It has declined now to 9.7 percent compared to the current price of 7.25 percent during 1991-92. It has increased the indirect tax burden upon the people. ইয়াৰ অৰ্থ এইটোৱেই যে অসমৰ মানুহখিনি ভাৰতবৰ্ষৰ সকলো মানুহতকৈ সুখত আছে। গ্ৰোথ ৰেট নেচনেল লেভেলত কমিছে কিন্তু ষ্টেটত বাঢ়িছে। মোৰ এই কেইটা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰীয়ে দিলে এইখন চাৰপ্লাচ বাজেট হৈছে বুলি কব পাৰি। (সময় সংকেত)। অধ্যক্ষ মহোদয়, এইখন বাজেট জনস্বাৰ্থ বিৰোধী বাজেট। এইখন বাজেটে আমাৰ ৰাজ্যখনৰ দুখীয়া মানুহখিনিৰ ওপৰত ইনডাইৰেক্ট টেক্স লগাই জুকলা কৰিছে। মই মাননীয় মুখ্যমন্ত্ৰীক এই বাজেটখন সংশোধন কৰিবলৈ অনুৰোধ জনাইছো। মই পুনৰ কৈছো যে এই বাজেটখন মই তীব্ৰ বিৰোধীতা কৰিছো। ইয়াকে কৈ মই সামৰণি মাৰিছো।

Mr. Speaker: Now Hon'ble member Sri Samsul Huda.

★ শ্ৰীচামচুল হুদা: মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৬ তাৰিখে মাননীয় মুখ্যমন্ত্ৰীয়ে বিত্ত মন্ত্ৰী হিচাবে বাজেট ভাষণ এই সদনত ৰাখিছে। এই বাজেট বক্তৃতাৰ ওপৰত দলীয় বিধায়ক আৰু বিৰোধী দলৰ মাননীয় সদস্য সকলে নিজৰ নিজৰ বক্তব্য ৰাখিছে। অধ্যক্ষ মহোদয়, আগৰ দিনত বা আগতে মানে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত নতুন সংসদৰ ক্ষেত্ৰত আৰু আমাৰ বিধান সভাৰ মজিয়াত দাখিল কৰা বিভিন্ন বাজেট বক্তৃতা চালে আমি দেশৰ

★ Speech not corrected.

সুখ আৰু প্ৰগতিৰ কিছুমান হিচাব নিকাচৰ কথা দেখিবলৈ পাওঁ। এবাৰ প্ৰয়াত দীনেশ গোস্বামী ডাঙৰীয়াই মোক হাই কোৰ্টত এদিন কৈছিল—হুদা চাহেব, আপুনি যদি আগৰ পাৰ্লিয়ামেণ্ট আৰু বিধান সভাৰ 'প্ৰচিডিংচ্' পঢ়ি চায় তেন্তে দেখা পাব আগৰ বক্তৃতাবোৰ খুউব উন্নত ধৰণৰ আছিল। কিন্তু আজি আমাৰ কিছুমান কথা ইজনে সিজনক হনা-হানি কৰি কথা কওঁ, কথা কটা-কটি কৰো। দেশৰ মঙ্গলৰ কাৰণে, দেশৰ প্ৰগতিৰ কাৰণে, বিভিন্ন পৰিস্থিতিৰ মোকাবিলাৰ কাৰণে সুপৰামৰ্শ আগ নবঢ়াও। আমি কিছুমান কাম কৰাৰ প্ৰয়োজন, এই কথাটো মূলতঃ আগত ৰাখি আলোচনা হব লাগে বুলি মই ভাবো। আমাৰ মাননীয় সদস্য সকলে যিখিনি কথা-বতৰা কলে তাৰ কিছু কথাৰ উত্তৰ মই দিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনত যদি ডেফিচিট দেখুৱালেহেঁতেন, বা বেলেগ দেখুৱালেহেঁতেন তেন্তে আমাৰ বিৰোধী দলৰ সদস্য সকলৰ বক্তৃতাৰ কথা বেলেগ হলহেঁতেন।

আজি চাৰপ্লাচ বাজেট দিয়াৰ কাৰণে চাৰপ্লাচৰ ওপৰত প্ৰশ্ন আহিছে যে আজি দেশৰ অৰ্থনীতি দলিত অৱস্থালৈ লৈ যাব। কিন্তু যদি ডেফিচিট বাজেট দিলে-হেঁতেন তেন্তে কলেহেঁতেন চাৰপ্লাচ বাজেট দিয়া হলেই ভাল আছিল, চাৰপ্লাচ বাজেট হলে এই কাম হ'লহেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, মই এবাৰ এখন বিহুকমিটীৰ সভাপতি আছিলো। তেতিয়া মোৰ এজন বন্ধু শ্ৰীঠাকুৰীয়াই এটা বিষয় সম্পৰ্কত নিজৰ ভিতৰতে মন্তব্য কৰিছিল এই বুলি—অমুকে হাগিছে, বৰ গোন্ধাইছে। শ্ৰীহিতেশ্বৰ শইকীয়াৰ বাজেটত বৰ গোন্ধ, কিন্তু শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ বাজেটত গোন্ধ নাছিল। প্ৰয়াত ইন্দিৰা গান্ধী বা কংগ্ৰেছ দলে কোনো বাজেট দিলে বিৰোধীৰ দায় লাগে, সমালোচনা হয়—বৃহৎ স্বাৰ্থৰ কাৰণে কাম নহয়। সৰু সুৰা দলৰ কথা বতৰা আৰু আশা আকাংক্ষা এনে ধৰণেই থাকিব। মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৪৭ চনত এল, পি, বৃত্তি দিছিলো। মই খেতিয়কৰ লৰা, হালবাই, পথাৰত কাম কৰি স্কুলত পঢ়িছিলো। তেতিয়া কেউপিনে 'বন্দে মাতৰম' ঢৌ উঠিছিল, ভাৰতৰ স্বাধীনতা আন্দোলন চলিছিল। আমি সৰু আছিলো, এইবোৰ বৰকৈ বুজা নাছিলো। তেতিয়া আমাৰ নিচিনা ক'লা চাহাবেই হাফপেণ্ট পিন্ধি মূৰত হেট পিন্ধি আমাকেই মাৰিছিল। আমাক পতকা তুলিব দিয়া নাছিল। স্বাধীনতাৰ পিচত কিছুমান

★ Speech not corrected

লোকক জেলত ভৰাই থৈছিল, সুধি গম পালো সেইবোৰ বোলে চি পি আই আৰু আৰ, চি, পি, আইৰ লোক। কংগ্ৰেছে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি ভাৰত স্বাধীন কৰে। বিৰোধী দলে কিন্তু নিজ দেশৰ বিৰুদ্ধে কাম কৰি আহিছিল।

বৰ্ত্তমান অৱস্থাটো আমাৰ দেশৰ অৰ্থনৈতিক কাম কৰিবলৈ যাওতে কিছুমান বিৰোধীকামী দলে অ গ প বা সমাজ সেৱক দলে সমাজ সেৱা যেনেকৈ কৰিব বিচাৰে আমাৰ লগত মিল নহাত নীতিগত আদৰ্শৰ অমিল হোৱাত সমস্যা সমাধানৰ জটিলতাৰ অৱস্থাৰ সৃষ্টি কৰিব পাৰে। বাজেট বক্তৃতাত বিগত দিনৰ উশৃঙ্খল কথাৰ উল্লেখ আছে। অসমত ভাষা আন্দোলন হ'ল, ৰিফাইনেৰী আন্দোলন হল। ৰিফাইনেৰী আন্দোলনত মই নিজেও যোগ দিছিলো। এই বিলাক সকলো ইমোচনেল কাম হৈছিল। তাৰ পাছত হ'ল বিদেশী খেদা আন্দোলন। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহৰ দিনত, তেওঁৰ মেধা শক্তি আৰু অভিজ্ঞ চিন্তা চৰ্চাৰে বাজেটত এটা কথা দাঙি ধৰিলে "মাটিয়েই জীৱনৰ উপাৰ্জনৰ থলি, সম্পত্তি হব নালাগে।" সেই নীতিৰেই তেওঁ মাটি অধিগ্ৰহণ কৰিব আৰু সেই মাটি গৰীবৰ মাজত বিতৰণ কৰিব। কিছুমান মাটিৰ মালিকে চহৰত ওকালতি কৰিব আৰু তেওঁলোকৰ মাটিত গৰীব সকলে শস্য উৎপাদন কৰি তেওঁলোকক ধনী কৰিব। ইমিগ্ৰেন মুছলমান সকলক খাল বিলত খেতি কৰিবলৈ দিয়া হ'ল। তেওঁলোকক পানী থকা দ-মাটিত খেতি কৰিবলৈ দিয়া হল ১৯৭১ চনত টেনান্‌চী এক্ট মতে দেখা গ'ল বেজাৰটো ক্লাচ ওৱান মানুহৰ মাজত। মাক দেউতাক, লৰা-ছোৱালী সকলোৱে সংশয়ত পৰিল। যিবিলাক উকীলে চহৰত জীৱন কটাইছিল তেওঁলোকৰ মাজতো সংশয় হ'ল, যিয়ে খেতি কৰে মাটি তাৰ। মাটি কাৰ হব? ১৯৪৮ চনত গুৱাহাটী হাই কোৰ্ট প্ৰতিস্থিত হৈছিল। তাত যিবিলাক উকীলে ওকালতি কৰি আছিল, তেওঁলোকে যিবিলাক গৰীব চহা, তিৰোতা, মাৰপিত আদিৰ মোকৰ্দমা জাজৰ ওচৰত তৰিছিল তেওঁ-লোকে তাত লিখিছিল ১৯৩৮ চনৰ পৰা গৰীব জন সাধাৰণৰ নামত যিমানবিলাক কেচ দাখিল কৰিছে, পৰৱৰ্ত্তী কালত তেওঁলোকৰ ওপৰতেই বিদেশী বুলি আন্দো-লন কৰিব লগা হল। যিসকলক বিদেশী বুলি খেদি পঠিয়াবলৈ আন্দোলন কৰিলে তেওঁলোকেই খাল বিল, মঠাউৰী সকলো উৰ্বৰা কৰিছিল। তেওঁলোকেই কৰা খেতিয়ে চহৰৰ বজাৰক জকমকাই তোলে। কিন্তু বিগত কাল ছোৱাত

★ Speech not corrected

১০/১৫ বছৰে বিৰোধীতা কৰি ক'ত দলং, খেতি পথাৰ স্কুল কলেজ পুৰি ভাঙি নষ্ট কৰিলে তাৰ সীমা নাই। ফৰেনাৰ এক্ট মতে ভাৰতবৰ্ষৰ ওচৰ পাজৰৰ লোক অহা যোৱাৰ কথা আছিল। বিৰোধী দলৰ মাননীয় সদস্য সকলে একৰ্ডৰ কথা কৈছে, আমি একৰ্ডৰ বিৰোধীতা কৰা নাই সমৰ্থন কৰিছো। কিন্তু সুনিশ্চিত ভাৰতীয় নাগৰিক হিচাবে অৰ্থনৈতিক দিশত যিমান খিনি ক্ষতি কৰিলে সেই ক্ষতি বৰ্ত্তমান বাজেটত ৰিফলেকচন হোৱাটো স্বাভাৱিক নহয়নে? কিমান দলং পুৰিলে, কিমান ফোৰ্চ, চি, আৰ, পি, ফোৰ্চআনকি প্ৰেচিডেণ্ট ৰূল পৰ্য্যন্ত হব লগা হ'ল। এই বিলাক নিশ্চয় ৰিত্তীয় ব্যৱস্থাত ব্যাঘাট জন্মোৱা স্বাভাবিক। ইউনিভাৰচিটি কেম্পাচত জাঙিয়া এটা তৰিয়েই লৰাই ডিগ্ৰী লৈ ওলাই আহিল। অতুল কোচ নাম মানুহ জনে চাৰ্টিফিকেট নোহোৱাকৈয়েই এম. এ;, বি. এ. পাছ বুলি মন্ত্ৰী, এম. এল এ. হ'ল। ল' পাচ কৰিলে প্ৰত্যেকে। এম. এ, বি. এ পাচ কৰি আহিয়েই ৰাজনৈতিক সমস্যা সমাধান কৰাত লাগিল। আজি আমাৰ মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী ডাঙৰীয়াই সকলো দিশৰ ফালে লক্ষ্য কৰিয়েই এটা চাৰপ্লাচ বাজেট দাঙি ধৰিছে। নৰ্থ-ইষ্ট ৰাতৰি কাকত খনত বাজেট এপ্ৰাইজেলত এইদৰে লিখিছে যে—

(land is the means of livelihood, he is a citizen of India and as a citizen he is entitled to certains rights and priviledges as are enshrined in the Constitution of India, Saikia's budget, is a cleverman's budget, during the last few years the economic development of the State has been not only halted, but it has become practically stagnant, in close scrutiny it will appear to be a cleverman's budget, it has promised something for all, paucity of funds, economic affairs, loss and gain deficit, irrigation flood control health services)

গোটেই ষ্টেগনেণ্ট অৱস্থাটো কেনে ধৰণে লষ্ট আৰু গেইনৰ মাজেৰে জানিব পৰা যায় তাৰ ওপৰতেই বাজেটখন দাঙি ধৰা হৈছে। ইকোনোমিক্স হৈছে এটা এডিচনেল চাইন্স। এম্পায়াৰে এল, বি, ডাব্লিউ, দিয়াৰ নিচিনা কথা। চাৰপ্লাচ

★ Speech not corrected

বাজেট কেতিয়া কোন ফালৰ পৰা হব সেইটো ইকোনোমিক্স হে কব। নিজৰ গোন্ধ নাই আনৰহে গোন্ধ এনে অন্যায় কথা কব নালাগে। এই খন বাজেটত আমাৰ সকলোৰে কাৰণে উন্নয়ন মূলক কথা বতৰা আছে দুই চাৰিটা টকা পইচা সা-সুবিধাৰ কথা আছে। কিন্তু যোৱা এ, জি, পি, দিনত মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ বাজেট কোনে তৈয়াৰ কৰিছিল। ইকোনোমিক্স বিষয়টো ইমান সহজ নহয়। মোৰো ইকোনোমিক্স বিষয়টো আছিল। কটন কলেজৰ প্ৰফেচৰ পৰমেশ্বৰ শৰ্মাই এই বিষয়টো পঢ়াইছিল।

অধ্যক্ষ মহোদয়, জলসিঞ্চনত টকা আছে, বান নিয়ন্ত্ৰণত টকা আছে, স্বাস্থ্য বিভাগত টকা আছে পি-এইচ-ইত টকা আছে। বিভিন্ন বিভাগত টকা আছে। আমাৰ সকলো ফালে প্ৰগতিৰ কাৰণে চিন্তা চৰ্চা কৰি এই বাহি বাজেট দাখিল কৰিছে। এই বাজেটত মাটিৰ ব্যৱস্থা ৰখা নাই। সকলোৰে পকেটলৈ পইচা যাব এইটো কথা নহয়। বাহিবাজেট দাখিল কৰাৰ কাৰণে ভবিষ্যতে কষ্ট নহব এনে নহয় কিন্তু যদি মাটি বাজেট দাখিল কৰা গ'লহেঁতেন, তেনেহলে বিৰোধী দলৰ বন্ধুসকলে অশান্তিৰ কাৰণ দেখিলেহেঁতেন। মই ভাবো এই বাজেট অসমৰ ভবিষ্যত শান্তি আৰু সমৃদ্ধিৰ কথা চিন্তা চৰ্চা কৰিয়েই আমাৰ অসমক আগুৱাই নিয়াৰ কাৰণেই দাখিল কৰা হৈছে। কিন্তু অশান্তিৰ সৃষ্টি কৰি পুলিচ মিলিটাৰিৰ দ্বাৰা বাজেটৰ পইচা অনৰ্থক খৰচ কৰাৰ পৰা ৰাজ্যখনক ৰক্ষাকৰাটোও আমাৰ সকলোৰে পৱিত্ৰ কৰ্ত্তব্য বুলি মই ভাবো। ১৯৮৩ চনৰ আগত কিমানবোৰ দলং পোৰা হ'ল, কিমান মানুহক মৰা হ'ল, অথচ তাৰ পিচতেই ডঃ ভূপেন হাজৰিকাৰ নিচিনা লোকে ৰচনা কৰা 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া পাৰ হৈ তোমাৰ সাহত তুমি হেৰুৱাবানো কি বুলি গান গাইও মানুহ মাৰিছিল। সেই বিলাক কথাই যদি চলি থাকে তেতিয়াহলে সকলো মানুহৰ মঙ্গলৰ কাৰণে কৰা কথা কেতিয়াও বেয়া হ'ব নোৱাৰে। আজি খেতিয়কৰ কথা চিন্তা কৰা হৈছে। ছাত্ৰ-ছাত্ৰী সকলে খেতি পথাৰৰ কথা একেবাৰে পাহৰি গৈছে। কিছুমান মানুহ যেন খেতি কৰাৰ কাৰণে সুনিৰ্দ্দিষ্ট হৈ আছে। সেইসকলৰ উন্নতিৰ কাৰণেও কাম কৰিব লাগে। সেই সকলৰ কাৰণেও সহযোগ আগবঢ়াব লাগে। মথাউৰীৰ গড়া

★ Speech not Corrected

খহনীয়াৰ কাৰণে যিবিলাক কথা বাজেটত উল্লেখ কৰা হৈছে সেই বিলাকে আগন্তুক দিনবোৰৰ কাৰণে দেশখন সুন্দৰ কৰাৰ আৰু পৰিস্কাৰ কৰিবৰ কাৰণে যথেষ্ট হব। সেই বিলাকৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব লাগে। তাকে নকৰি কেৱল সমালোচনা কৰিলেই নহব। সমালোচনা কৰিবলৈ আৰু সময় পাব। পাঁচ বছৰৰ পিচত এই চৰকাৰে কি কৰিলে নকৰিলে সেই কথা লৈ ৰাইজৰ ওচৰলৈ যাব পাৰিব। কিন্তু এতিয়া বাজেট পাচ কৰিবলৈ যাওঁতে বিধি-পথালি দিয়া বা গ্ৰাণ্টৰ কথা উত্থাপিত হলে ওলাই যাব বা কিবা খাই অহাৰ নিচিনাকৈ মাইকটোকে মেৰাই ধৰিব এই বিলাক ঠিক কথা নহয়। শোভনীয় নহয়। প্ৰয়াত দীনেশ গোস্বামী ডাঙৰীয়াও আপোনালোকৰ নেতা আছিল আগতে কংগ্ৰেছ আছিল। তেখেতৰ কথা আমাৰ মনলৈ আহে কিয়নো বিধায়কসকলৰ এটা মানদণ্ড থকা উচিত। কথা আৰু বক্তৃতাৰ মাজত এটা মানদণ্ড থকা উচিত। কেৱল নাৰী ধৰ্ষণৰ কথা উত্থাপন কৰিলেই নহব এতিয়া যিটো দেখা গৈছে পুৰুষো ধৰ্ষণ হব আৰু এতিয়া অৰ্থনীতি ধৰ্ষণ হৈ আছে। বৰ্ত্তমানে অৰ্থনীতি ধৰ্ষণৰ কথা চিন্তা কৰিব লাগে।

(সদনত হাঁহিৰ ৰোল উঠে)

এই বিলাক বিষয়ত চিন্তা চৰ্চা কৰাৰ প্ৰয়োজন হৈছে। তাকে নকৰি বাজেট বক্তৃতাৰ ওপৰত ভাষণ দিবলৈ গৈ দহ কথা কলেই আলোচনা কৰা নহয়। কেৱল বাজেটৰ বিৰুদ্ধে কলেই দেশৰ স্বাৰ্থ সিদ্ধি নহব। মই মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী মহোদয়ে বিত্ত দপ্তৰৰ কাৰণে যি বাজেট বক্তৃতা দাঙি ধৰিছে তাত সকলো প্ৰকাৰৰ ছবি আমি দেখিবলৈ পাইছো। অসমৰ হৈ যোৱা ঘটনা বিলাক আৰু দুৰ্য্যোগ বিলাক পাৰ হৈ যোৱাৰ কাৰণে ইয়াত ইঙ্গিত আছে আৰু অসমৰ অৰ্থনীতিক আগুৱাই নিয়াৰ কাৰণে লোৱা এই সাহসিক প্ৰচেষ্টাৰ কাৰণে আমি আনন্দ পাইছো সদনত দাখিল কৰা বাজেটখন সম্পূৰ্ণৰূপে সমৰ্থন কৰি মোৰ বক্তৃতা সামৰণি মাৰিছো।

Mr. Speaker : Now, Dewan Joinal Abedin.

Dewan Joynal Abedin : Hon'ble Mr. Speaker Sir, Budget reflects the economic and fiscal policy of a Government. As such, the present budget reflects the economic policy of the present Congress (I) Government of the State. It

is true, I have picked up the clue from the Hon'ble Member, Shri Samsul Huda who was speaking just before me that during the past few years, the economy of the State has been quite stagnant. I fully agree with him that the economy of the State had been quite stagnant during the past few years. Now the question is whether the Budget that is just placed before the House is in a position to give motion to the stagnant economy. Now, Sir, if we consider this Budget very closely we find that there is no such thing in the Budget which can give any motion or real progress to the State. It has been pointed out by one Hon'ble Member Shri Chandra Mohan Patowary that there is a rise in net Domestic Product. Actually it is not so. In the following line which state that the per capita Domestic Products for 1991-92 registers an increase of 7.9% as against 15.3% of the preceeding year at the current price. It is apparent that the position of our economy is not so much rosy. It has been admitted that during the period from January to May 1991 the whole-sale price index has increased by 11% in comparison with that of the previous year. Now, Sir, this has further increased by 13% during the period from January to October 1991 over the corresponding period of 1990.

So Sir, it has been admitted that the economy of the State is in a very diplorable condition as the price index is showing an upward trend. Sir, under such circumstances, well, what the budget should have been, this budget is not. Sir, what it should have been? Assam is a poor State. It is said that Assam is rich State inhabited by poor people. It is rich in natural resources, but it is inhabited by poor people and very poor people. What it should make, we can bring

about development prosperity in the life of the poor people. For that, first thing, if we go through the budget, it should have taken such a policy, that it aims towards the development of the natural and economic condition of the State. We have come to know that the Government have taken some measures for modernisation of agriculture. This is primarily an agricultural State with more than 85% of people of the State as agriculturists. Modernisation of the agriculture and development of industrialisation, building up of necessary infrastructure, but the budget has not presented a very prospective picture. Now Sir, as regard agriculture, it has been claimed that the target has been achieved, we must admit it. But in today's modern we are to go a long long way by modernising our agriculture. With the help of agriculture and extensive use of fertilizer and modern improved varieties of seeds, the economic condition of the general people of the State can be improved. For instance, our neighbouring State Bangladesh where agriculture has been tremendously developed with the fresh agricultural output. We are lagging behind. This budget does not give us any picture for modernisation of agriculture. Here we do not find anything new. Because Assam is very very backward in industrial development, not to speak of new industries. Some provisions have been there regarding setting up of one Gas Cracker and Refinery. But the thing is that the already existing industries are dying out. There has been a proposal for reopening of the Ashok Paper Mill, but nothing has been done to revive till today.

Mr. Speaker : Time is over.

Dewan Joynal Abedin : (I would take five minutes time.) Not to speak of building up of new industries, even the closed down industries could not be opened. For building up of industries, Sir, the most important thing is to build up infrastructure i. e. proper communication system and electrification. Now Sir, in these two fields also the picture is very grim. Particularly, the electrification, I think there was much discussion here as regards the performance of the Assam State Electricity Board. There are lots of well-flowing rivers and water reservoiurs, if we can properly utilise them, we can produce much electricity by which I think we can not only be able to meet our requirement but also can help our neighbouring States. There is no mention in the budget regarding provisions of development of electrification.

Sir, I would like to refer something about the Education Department now. In Education Department, it has been claimed that they have created some posts. It is a prerogative, it is Government duty. Now in practice, whatever posts they have created, why should not they face criticism. As regards the recruitment policy. Here Sir, they have not done two things. They have not followed a good recruitment policy, as a result, they are facing criticism and there has been a lot of corruption. It would be better on the part of the Government to try to curb the corrupt practice. They themselves give some circulars which they themselves have violated. As regards appointment of subject teacher in the Higher Secondary Schools no norms have been followed. Minister has given certain

lists for appointment of teachers and on the basis of that the appointments are made. This kind of practice they are doing. I have a lot of other things to say but as you are asking me to complete it, with these words I conclude.

Mr. Speaker : Please confine your time by 8 minutes only. I have also requested earlier to all the members to limit their speeches.

Now Dr. Abdul Matin Mazumdar.

Dr. Abdul Matin Mazumdar : Hon'ble Speaker Sir, the surplus budget may be a breathing space after years of deficit budget. But it is not a good sign for the State. As regards the priorities for social services measures it is welcome, but it is again erratic. I would like to point out the affairs of health and medical care services throughout the State. It is also one of the important services but in the budget I could see it has been most neglected. In the back ground of Sky high rise in the cost of essential medicines, general medical and specialist services the only hope of the common man is the Government hospital from State Dispensaries Health centres, sub-divisional district and Medical College Hospitals. In this connection I am under painful obligation of browing to this notice of the however Chief Minister who is unfortunately absent from this house and this August house the most deplorable condition of Silchar Medical College the young of the three medical college of Assam, a college still in perpetual animation.

The health care services, specially in the Silchar Medical College has been so poor. It is well known that the

standard of Silchar Medical College has gone down so much so that the Indian Medical Council has been constrained to de-recognise this Institution. The teaching and other fun-tion medical college available in the Silchar Medical College has been much below the standard expected of such an institu-tionin the present scientific age. We are glad that Hon'ble Chief Minister has given the assurance to improve the condition of the Silchar Medical College and thereby stave de-recog-nition of the Silchar Medical College by the IMC. But the budget proposal as submitted by the Hon'ble Chief Minister, who is also the Finance Minister did not at all reflect these assurances given. Now for the plan allocation for the three Medical Colleges of Assam, a sum of Rs. 32 lakhs for the next financial year there is only an increase of over than of the current financial year. In the nonplan budget is only 12 lakhs over the last years non-plan budget allocation.

This additional increase will be eaten up by the increase in salaries and D.A. etc. In case of Silchar Medical College increase is only Rs. 6 lakhs which will be eaten up by increase in salary and D.A. etc. In case of SMC under the head of equipment and materials the allocation in the current financial year was only 14 lakhs whereas in the next financial year it is proposed to be 12 lakhs. Instead of increase it is decreased by 2 lakhs. In case of funds for construction of buildings for medical education and training in the current financial year, provision is 115 lakhs whereas this has been reduced to 36.5 lakhs in the next financial year. In the face of it I am afraid, Hon'ble Chief Ministers assurance will remain only in words. Same is the

case with other departments or other services. As for example, natural calamities and flood control, we were given to understand that pre-construction phase of Barak Dam would be started very soon. But what about saving the people of Barak valley from onslaught of flood that the centres of Barak dam completed. We are given touderstand that the Pre-construction phase of Barak Dam would be started very soon. But what about saving the people of Barak valley from the onslaught of flood till the construction of Barak dam is completed. The funds for Flood Control in the last few years including the current financial year is so meagre that no repair work worth the name could be done in Barak Valley resulting in the bunds and Dykes becoming delapuidated, vlunerable with breaches at almost at every furlong unable to control flood. The anti-erosion measure for protection of the banks of Barak could not be started this year for the inability of the Government to sanction funds. The Harang-basin which consists of more than 50% of the area and population of Barkhola and Katigorah constituencies has become a vast sea of water causing damage to crops every year and reducing people to extreme poverty. The North Eastern Council has backed from implementation of the Harang Project on the lines given by Brahmaputra Board. I would request the honourable Chief Minister to kindly consider the plight of the people of West Silchar, include the Harang Project in the list of Projects to be implemented in the next financial year.

Mr. Speaker : Now Hon'ble Member Shri Dilip Kumar Saikia.

★ শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, তথা বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট দাখিল কৰিছে ইতিমধ্যে আমাৰ বিভিন্ন সদস্যসকলে এই বাজেটৰ ওপৰত বক্তব্য ৰাখিছে, বিভিন্ন ধৰণে অলংকাৰ ৰহন সানিছে আৰু সিদিনা লক্ষী গোহাঁই ডাঙৰীয়াই কৈছিল বিশ্বৰ ভিতৰত এইখন এখন সুন্দৰ বাজেট। কিন্তু মই এই বাজেটখনৰ আখ্যা দিব বিচাৰিছো যে এই খন এখন পূৰ্ণাংগ বাজেট। জনসাধাৰণৰ জোৰা তাপলি মৰা এখন বাজেট। যিখন বাজেটৰ দ্বাৰা অসমৰ দুখীয়া মানুহৰ কাৰণে একো উপকাৰত নাহে। ধনী শ্ৰেণীৰ মানুহৰহে এই বাজেটৰ দ্বাৰা উপকাৰত আহিব। এই প্ৰভিজনৰ অবিহনে ৰাহি বাজেট কৰিলে সমস্যা সমাধান হব নোৱাৰে। কাৰণ অৰ্থনৈতিক ভাৱে আমি যদি আগবাঢ়ি যাব নোৱাৰো প্ৰভিজন নহয় তেতিয়াহলে ৰাহি বাজেট কৰিলেও সমস্যা সমাধান নহয়। আজি বাজেটত ৪০ কোটি টকা ধাৰ্য্য কৰিছে। বিভিন্ন ধৰণৰ কৰ কাটল লগোৱা হৈছে। খোৱা বস্তুৰ ওপৰত কৰ-কাটল লগাই সমস্যা সমাধান কৰিব বিচাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসম এখন কৃষি প্ৰধান দেশ। ভাৰতৰ শতকৰা ৮৫ ভাগ কৃষিৰ ওপৰতেই মানুহ নিৰ্ভৰশীল। কিন্তু অসম ৰাজ্যখনত কৃষিৰ কাৰণে কি কৰিছে? কৃষিৰ কাৰণে যিখিনি কৰিব লাগে সেইখিনি কৰা নাই। আমি দেখিবলৈ পাইছো যে গাওঁ বিলাকত আগতে যাৰ ২ টা ভঁড়াল আছিল তেওঁলোকৰ আজি এটাও নোহোৱা হৈছে। ইয়াৰ মূলতে কিছুমান কাৰণ আছে। অসমৰ বানপানীৰ সমস্যা সমাধান কৰিব নোৱাৰিলে কৃষিৰ কেতিয়াও উন্নতি হব নোৱাৰে। সেইকাৰণে আজি বানপানী সমস্যা সমাধান কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব। অসম চৰকাৰে যদি কেন্দ্ৰীয় চৰকাৰক জোৰ দি আঁচনি কৰিব নোৱাৰে তেতিয়াহলে অকল কৰ-কাটল লগাই সমস্যা সমাধান কৰিব নোৱাৰে। এইটো আজি অসমৰ জলন্ত সমস্যা হিচাপে দেখা দিছে। আমি দেখিছো আজি শতকৰা ৫ ভাগ মানুহ দিনক দিনে ধনী হৈ গৈছে আৰু শতকৰা ৯৫ ভাগ মানুহ দিনক দিনে দুখীয়া হৈ গৈছে। অৰ্থাৎ দৰিদ্ৰতা সীমা ৰেখাৰ তললৈ গৈ আছে। অধ্যক্ষ মহোদয়, আজি গাৱঁৰ ৰাইজ চহৰমুখী হৈছে। এইটো কেৱল অসমতেই নহয়, হাৰিয়ানা, বোম্বাই আদি ডাঙৰ ডাঙৰ নগৰ বিলাকতো চহৰমুখী হোৱা দেখা পাইছো। এই চৰকাৰে নিৰ্ব্বাচনৰ ইস্তাহাৰত

★ Speech not corrected

কৈছিল যে ২ মাহৰ পিচত বস্তুৰ দাম কমাই দিম। বস্তুৰ দাম কমাই দিম বুলি কৈ বাইজৰ পৰা ভোট আদায় কৰিলে। চৰকাৰ গাদীত বহিলে। কেন্দ্ৰতো কৈছিল যে বস্তুৰ দাম কমাই দিম।

এই চৰকাৰৰ বিভিন্ন জনে আজি কৈছে যে ছুটকা দামত চাউল দিয়া হৈছে। কিন্তু ১২ টকা দামত সেই সকল লোকেই দাইল খাব লগা হৈছে। অকল নিৰ্বাচন বা গাদী দখলৰ খাতিৰত মানুহক আশ্বাসৰ পিচত আশ্বাস দিলেই সমস্যা সমাধান নহয়। এই চৰকাৰেই নিৰ্ব্বাচিত হৈ আহিলে প্ৰথম প্ৰথম বছৰত ২ লাখ নিবনুৱাক চাকৰি দিম বুলি কৈছিল। কিন্তু কিমান জনক চাকৰি দিয়া হ'ল? শিক্ষা বিভাগে কৈছে যে ৪০ হাজাৰক দিয়া হৈছে। কিন্তু মই ভাবো সঁচাকৈয়ে তেওঁলোকে ৪০ হাজাৰক চাকৰি দিব পাৰিছে নে? অকল চাকৰি দিয়েই সমস্যাৰ সমাধান নহয়। এই সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে আমি বিভিন্ন আঁচনি হাতত লব লাগিব। আমি ৰাজনৈতিক দল বিলাকে বিভিন্ন কথা কৈ জনসাধাৰণক যি ধৰণে আশ্বাস দি আহিছো সেইদৰে আমি তেওঁলোকক দিয়া আশ্বাসবোৰ এশ ভাগে পালন কৰিব পাৰিছো নে? আজি গাওঁৰ ৰাইজে এটা কথা চিন্তা কৰি আছে যে বিধান সভা বহি আছে, আমাৰ বিধায়ক গৰাকীয়ে বা আমাৰ পৰিস্থিতিৰ কথাবোৰ উল্লেখ কৰিলে নে নাই? কেনেবাকৈ তেওঁলোকে ৰেডিঅ বা টেলিভিচন যোগে তেওঁলোকৰ বিধায়কে তেওঁলোকৰ সমস্যাৰ কথাবোৰ উত্থাপন কৰা বুলি জানে তেতিয়াহলে তেওঁলোকে ভাবিব নিশ্চয় এইবাৰ আমাৰ সমস্যাবোৰ সমাধান হব। কিন্তু সেইটো জানো হৈছে? সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো যাতে আমাৰ বক্তব্যবোৰ কামত লগাবলৈ চেষ্টা কৰে।

অধ্যক্ষ মহোদয়, আজি অসমৰ যিটো যুব সমাজ, তেওঁলোকে যি কাৰণত উগ্ৰপন্থী হৈছে সেই ক্ষেত্ৰত এটা কব পাৰি—Some times the society compel them to became rebels. Some times the law order situation compel them to became rebels; এই কথা বিলাক আমি বিবেচনা কৰি চাব লাগিব। অৱশ্যে এইখিনিতে মই বিনোৱা ভাবেৰ এটা কথালৈ মনত পৰিছে—সেইটো হ'ল এবাৰ বিনোৱা ভাবেৰ ওচৰলৈ ৩ জন শিক্ষিত নিবনুৱা গৈ তেওঁক কলে যে আমি চাকৰি বিচাৰি আহিছো - আমাক

★ Speech not corrected

চাকৰি দিয়ক। তেতিয়া বিনোৱা ভাৱে তেওঁলোকৰ এজনে কলে যে মই তোমালোকৰ প্ৰত্যেককে একোটা চাকৰি দিম, সেইমতে কৰিব লাগিব। পিচত বিনোৱা ভাৱে প্ৰথমজন ল'ৰাক কলে মই তোমাক দুবিঘা মাটি দিম, দ্বিতীয় জনক কলে মই তোমাক দুজনী গাই দিম আৰু তৃতীয় জনক কলে যে তোমাক মই এটা পুখুৰী দিম। এই খিনি তোমালোকে চলাই কৰি খাব পাৰিবা নে? তেতিয়া লৰা কেইটাই সেইখিনি চলাই কৰি খাব নোৱাৰিম বুলি উত্তৰ দিলে। তেতিয়া ভাৱে ক'লে যে প্ৰকৃততে তোমালোকে আচল শিক্ষা এতিয়াও পোৱা নাই। ঠিক সেইদৰে আমাৰ যুৱ সমাজেও আজি কেৱল চাকৰি বিচাৰি অফিচে অফিচে ঘুৰি ফুৰিলে নিশ্চয় সমস্যা সমাধান নহয়। সেই কাৰণে আমাৰ যিটো শিক্ষা ব্যৱস্থা এই ব্যৱস্থা সঁচাকৈয়ে দুখ লগা। ইয়াৰ যদি প্ৰকৃততে সংশোধন কৰা নহয় তেনেহলে অসমৰ শিক্ষা ব্যৱস্থাৰ লগতে ভৱিষ্যত নিবনুৱা সমস্যাই কি ৰূপ ধাৰণ কৰে সেইটো অনুমান কৰিব নোৱাৰি। এইখিনিতে মই শিক্ষা ব্যৱস্থাৰ আৰু এটা কথা কব খুজিছো—এইবাৰ শিক্ষা বিভাগত শিক্ষকৰ চাকৰিৰ কাৰণে বিভিন্ন বোৰ্ড গঠন কৰি দিয়া হৈছে। কিন্তু এল, পি, স্কুলৰ শিক্ষকৰ ইন্টাৰভিউ এক ভেকো ভাওনাহে হৈছে। মোৰ নিজা জিলা ধেমাজীত শিক্ষক পদৰ কাৰণে প্ৰায় ৯ হাজাৰ প্ৰাৰ্থী আছিল। কিন্তু উপযুক্ত প্ৰাৰ্থীক নিদি এওঁলোকে চাকৰি দিয়াৰ নামত একোজন প্ৰাৰ্থীৰ পৰা ১০ ৰ পৰা ২০ হাজাৰ লৈ টকা লৈছে। কোনোৱাই মাটি বিক্ৰী কৰি বা কোনোৱাই গৰু বিক্ৰী কৰি এই টকা দিব লগা হৈছে। এফালে এই জিলা খনতে বানপানীৰ সমস্যাই ৰাইজক আটাইতকৈ বেছি জুৰুলা কৰি আহিছে অথচ এই জিলা খনৰে নিৰনুৱা সকলক লৈ এচাম লোকে ৰাজনীতি কৰিছে। সেই কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে এই কথা বোৰৰ প্ৰতি তেওঁলোকে এতিয়াৰ পৰাই চকু দি সজাগ হওক, নহলে এই সমস্যাবোৰে পিচলৈ আৰু জটিল ৰূপ ধাৰণ কৰিব। সেই কাৰণে আমাৰ শিক্ষা বিভাগে "মেন মেকিং এডুকেচন" পলিচি গ্ৰহণ কৰক। আজি যদি মানুহৰ প্ৰকৃত জ্ঞান নহয় তেনেহলে তেওঁলোকে এই সমাজত কেনেকৈ বাস কৰিব বা কেনেকৈ নিজৰ জীৱন যাপনৰ পদ্ধতি অৱলম্বন কৰিব সেইটো শিক্ষাৰ জৰিয়তে আমি দিব লাগিব। আমি আজি ডাঙৰ ডাঙৰ ডিগ্ৰী লৈছো যদিও প্ৰকৃত কামত আহিব পৰা জ্ঞান আমি আহৰণ কৰিব পৰা নাই। আমি বহুতেই আজি

★ Speech not corrected

এম, এল, এ, বা মন্ত্ৰী হৈছো - কিন্তু আমি ৰঘুনাথ চৌধুৰীৰ কিতাপ পঢ়িব লগা হৈছিল। তেওঁ কিন্তু ৮ম মান শ্ৰেণীলৈহে পঢ়িছিল। গতিকে আমাৰ শিক্ষা ব্যৱস্থাৰ আশু সমাধান নহলে আমি কেতিয়াও শিক্ষিত হব নোৱাৰিম।

কৃষিৰ ক্ষেত্ৰতো মই এটা কথা উল্লেখ কৰিব খুজিছো। যোৱা বিধান সভাতে কৃষি বিপনন নিগমক ৪৮ লাখ টকা দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। কিন্তু এই টকাতো এতিয়াও দিয়া হোৱা নাই। এই টকাতো ধাৰ্য্য কৰা হৈছিল এই নিগমৰ কৰ্ম্মচাৰী সকলৰ দৰমহা আৰু মৰগীয়া বানচৰ কাৰণে। সেই কাৰণে এই টকাখিনি অতি সোনকালে আদায় দি নিগমৰ কৰ্ম্মচাৰী সকলক সকাহ দিব বুলি আশা কৰিলো।

অধ্যক্ষ মহোদয়, আপুনি মোক বাৰে বাৰে সময়ৰ সংকেত দি আছে, মই আৰু বেছি বহলাই নকওঁ। মাত্ৰ আৰু এটা কথাই উল্লেখ কৰিব খুজিছো যে আমাৰ ৰাজ্য খনৰ যি আন্তঃৰাজ্যিক সীমা সমস্যা আছে সেইটো চোৱা চিতা কৰিবৰ কাৰণে এটা 'ইণ্টাৰ ষ্টেট বৰ্ডাৰ চিকিউৰিটি ফ'চ' খুলিব লাগে। এইটো গঠন কৰিলে আন্তঃ ৰাজ্যিক সীমা বিবাদ সমাধান কৰাত যথেষ্ট সহায়ক হব আৰু আমাৰ কিছু নিবনুৱা যুবকৰো কৰ্ম্ম সংস্থান ওলাব। এই ক্ষেত্ৰত মই চৰকাৰক বিহিত ব্যৱস্থা লবৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিলো আৰু অসমৰ যিবোৰ জলন্ত সমস্যা আছে সেইবোৰ এই বাজেটত কিছু পৰিমানে সংযোজন কৰি হলেও সমাধান কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেবেন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এই সদনত যিখন বাজেট উত্থাপন কৰিছে সেইখন বাজেট এখন উৎকৃষ্ট বাজেট। এই বাজেট খনত বিভিন্ন দলৰ সদস্য সকলে যিখিনি সমালোচনা কৰিছে সেই সমালোচনাখিনি বৰ ধৰ্ত্তব্য নহয়, কিয়নো, বিৰোধী দলৰ সদস্য সকলে যিখিনি সমালোচনা কৰিছে তেখেত সকলৰ প্ৰায়খিনি কথাকে এই বাজেটে সমাধান কৰিছে। এই বাজেট খনত আয় আৰু খৰচ দুয়োটা দিশকে ভালদৰে পৰীক্ষা কৰি চাব লগা আছে। এইটো পৰীক্ষা কৰিবলৈ হলে আমি ইয়াৰ আগৰ তিনি বছৰৰ বাজেট পৰীক্ষা কৰি চাব লাগিব।

Mr. Speaker : Now it is 5.00 P. M. The House stands adjourned till 9.00 A. M. tomorrow, Tuesday, the 24th March, 1992.

The House rose at 5 P.M. and stood adjourned till 9 A.M. tomorrow the 24th March, 1992.

Dispur
The 23rd March, 1992

S. N. Deka
Assam Legislative Assembly

ANNEXURE I

(True Copy)

Assam Schedule XL-A (Part I) Form No. 137

FIRST INFORMATION REPORT

First information of a sognisable crime reported under Section 154, Criminal Procedures Code

Police Station Jogighopa

SUB-DIVISION North Salmara DISTRICT Bongaigaon

Case No. 99/91 Date and hour of occurrence 3 (three) Month back:

Date and hour when reported	Place of occurrence and distance and direction from Police Station	Date of despatch from Police Station.
17. 10. 91 at 8 A.M.	Kabaitary 2 K. M. Fast	10. 10. 91

N. B. : A first information must be authonticated by the signature mark or thumb impression of informent attested by the signature of the office recording.

Name and residence of informant and complainant	Name and residence of accused	Brief description offence with section and of property carried off if any	Step taken regarding ivestigation explanation of delay in recording information.	Results of the Cs.

1	2	3	4	5
2/Lt. Vinoy Varma I/C-49215-H Army Camp Commander North Salmara C. Coy. Cdr. 16 Kumaun Regt. C/O 99 A. P. O.	1. Latif 2. Nripen Sutradhar 3. Tiken Kalita.	U/S 448/506/352/34 House trespass criminal intimidation assult with inforotherence of common intention		I shall investigate the case.

Signed Sd/- H. Neog (S. I.)
Designation O/C Jogighopa
P. S. 17. 10. 91.

(First Information To Be Recorded Below)
The written ejahar of the Complt. received through O/C A. Puri P. S. treated as F. I. R. which is enclosed herewith.

Sd/- H. Neog S. I.
O/C Jogighopa P. S.
17. 10. 91.

To,

The Officer-Charge Police Station, Jogighopa.

Sub:- F. I. R.

On being informed by our source that 3 months back the following individuals. 1) Latif Ahmed 2) Sri Nripen Sutradhar, 3) Shri Tiken Kalita:

Forcifly tried to recruit Shri Tapan Roy and others for ULFA Cadres trasspassed and physically assualted them when these people refused to join the ULFA. They were treatenced for life and were worned not to inform the police or public from then onwards these people are Continously threating them. On being identified by our source these 3 individuals were apprehended by Army.

Note :- This is for yonr information and necessary action please.

Sd/- Vinoy Verma
I/C 49215-H
2/Lt: Vinoy Verma

Army Camp
Commander.
North Salmara:
C-Coy/CDR:
16 Kamanu Regt.
C/O 99 APO.

Received vide A/puri P: S. G:D.E. No. 601 dt. 16. 10. 91 and forwarded to O/C Jogighopa P. S. for taking necessary action.

Sd/- S: Kalita S: I.
O/C A/Puri P. S.
Dt. 6. 10. 91.

Received and registered Jogighopa P. S. case No. 99/91/ U/S 448/506/352/34 I.P.C

Sd/- H. Neog S. I.
O/C Jogighopa P. S.
Dt. 17. 3: 91:

ANNEXURE—II

Name of Stadium (District wise)

Name of District	Name of Stadium
1. Kokrajhar	1. Dotoma,
	2. Kokrajhar
2. Karimganj	3. Karimganj
3. Hailakandi	4. Hailakandi
4. Cachar	5. Silchar
	6. Sonabarighat,
5. N. C. Hills	7. Haflong
6. Karbi-Anglong	8. Howraghat,
7. Dhubri	9. Dhubri,
8. Bongaigaon	10. Bijni
9. Goalpara	11. Boladmari,
10. Nalbari	12. Kalag,
	13. Chamata,
	14. Chamata H.S. School,
	15. Nalbari
11. Kamrup	16. Mirza
12. Sonitpur	17. Jamugurighat,
	18. Biswanath Chariali,
	19. Tezpur,
13. Morigaon	23. Morigaon,
14. Nagaon	21. Beloguri,
15. Barpeta	22. Jalah,
16. Sibsagar	23. Sibsagar,
17. Jorhat	24. Morigaon,
	25. Mukutinagar,
18. Lakhimpur	26. Chabati (Teliachapari)

19. Dhemaji	27. Dhemaji
20. Dibrugarh	28. Chabua
	29. Nabarkatia,
	30. Dibrugarh,
21. Tinsukia	31. Tinsukia,
22. Kamrup	32. Nehru Stadium,
23. Nagaon	33. Nurul Amin,
24. Jorhat	34. Jorhat Stadium
25. Tinsukia	35. Tinsukia,

LIST OF MINI STADIUM

1. Karimganj	1. Karimganj
2. Hailakandi	2. Hailakandi
3. Cachar	3. Sonai
4. Dhubri	4. Chapar Salkocha,
	5. Agomoni
5. Kokrajhar	6 Dotoma
	7. Harigaon
	8. Kokrajhar
6. Bongaigaon	9. Bongaigaon,
7. Goalpara	10. Dudhnoi,
8. Barpeta	11. Gobardhana
	12. Jalah
	13. Barpeta
	14. Bajali
	15. Bhabaipur
9. Nalbari	16. Tihu-Barama
	17. Sagarkuchi,
	18. Barkhetri
	19. Tamulpur,

10. Kamrup	20 Dimoria
	21 Hajo
	22. North Guwahati,
	23 Karara
	24 Rangia
	25 Amranga
	26 Chhaygaon,
11. Darrang	27 Kalaigaon
	28 Tangla
12. Sonitpur	29. Chaiduar
	30. Naduar
	31. Tumukhi
	32 Dhekiajuli
13. Lakhimpur	33 Dhalpur
	34. Dhakuakhana
14. Dhemaji	35. Dhemaji
15. Dibrugarh	36 Joy
	37. Lahowal
	38. Panitola
16. Tinsukia	39. Sadia
	40. Margherita
17. Sibsagar	41. Dimow
	42. Amguri
	43. Sonari
18. Jorhat	44. Titabar
	45. Teok
	46. Majuli
19. Golaghat	47. Bokakhat
	48. Furkating
	49. Sarupather
	50. Kathalguri
20. Nagaon	51. Pakhimaria
	52. Kachamari
	53. Chandchuki
	54. Dhing
	55. Kaliabar
21- Morigaon	56- Mayong

ANNEXURE III

Volley Ball (Senior)

YEAR	NO. OF PLAYERS									
	Barpeta	Nalbari	Kamrup	Darrang	Sonitpur	Dibrugarh	Sibsagr	Jorhat	Golaghat	Nagaon	Total
1970											
1971											
1972											
1973											
1974											
1975	Materials are not available										
1976											
1977											
1978											
1979											
1980	5	4	1	-	-	1	-	-	-	1	12
1981	4	4	2	1	-	-	1	-	-	-	12
1982	5	3	1	-	1	1	-	-	1	-	12
1983	5	2	2	-	-	1	-	1	-	1	12
1984	4	3	-	1	-	-	1	-	1	2	12
1985	5	2	1	-	1	-	-	-	2	1	12
1986	3	4	1	1	-	1	-	1	-	1	12
1987	4	2	2	-	1	1	1	-	1	1	12
1988	3	3	2	-	1	1	-	-	1	1	12
1989	5	2	1	1	-	-	-	1	2	-	12
1990	4	2	1	—	1	1	1	-	1	1	12
1991	4	3	2	—	-	-	-	1	1	1	12

FOOTBALL

Sub-Junior

No. of players

Year	1	2	3	4	5	6	7	8	9	10	11	12	13	14	15	16	17
	Kokrajhar	Nalbari	Kamrup	Darrang	Sonitpur	Dhemaji	Dibrugarh	Tinsukia	Sibsagar	Jorhat	Golaghat	Nagaon	Cachar	Hailakandi	N. C. Hills	Karbi-Along	Total
1970																	
1971																	
1972																	
1973																	
1974																	
1975		Materials are not available															
1976																	
1977																	
1978																	
1979																	
1980																	
1981																	
1982																	
1983	3	1	3				4	1	2					2		2	18
1984	3		4		1		3	2	2		3	1	2				21
1985	5	1	5			2	4		9			3				2	31
1986	3	3	6				4	6	5	3	1	1			1	2	35
1987	3		9				6		7	1	2		2				30
1988	2	1	5	1			4	2	4	1	2	1	1				24
1989	3	2	6				4	1	5	2	1	2	1			1	28
1990																	

VOLLEYBALL (JUNIOR)

ar No of players

ar	Barpeta	Nalbari	Kamrup	Darrang	Sonitpur	Dibrugarh	Tinsukia	Sibsagar	Jorhat	Golaghat	Nagaon	Total
70												
71												
72												
73												
74												
75		Mater	als are	not	availa	ble						
76												
77												
78												
79												
80	3	3		-	-	1	-	-	1	1	1	12
81	4	2		1	1	-	-	1	-	-	2	12
82	5	2		-	-		-	-	1	-	2	12
83	4	2		1	-		-	1	-	2	1	12
84	3	3		-	-	-	-	-	1	1	2	12
85	3	3		-	1	1	-	-	1	1	1	12
86	4	2		-	-	1	-	-	1	2	2	12
87	5	3		-	-	-	-	-	-	1	1	12
88	4	3		-	1	-	-	1	1	-	1	12
89	3	2		1	-	-	-	-	1	2	1	12
90	5	2	-	-	1	1	-	1	-	1	-	12
91	4	3		-	-	-	-	-	1	1	1	12

VOLLEY BALL (Sub-Juior)

YEAR	NO. OF PLAYERS										
	Barpeta	Nalbari	Kamrup	Darrang	Sonitpur	Dibrugarh	Sibsagr	Jorhat	Golaghat	Nagaon	Total
1970											
1971											
1972											
1973											
1974											
1975	Materials are not available										
1976											
1977											
1978											
1979											
1980	3	3	2	-	-	-	1	-	2	-	11
1981	4	2	1	-	1	-	-	1	1	2	12
1982	4	3	1	-	-	1	-	-	2	1	12
1983	5	2	2	-	-	1	-	1	-	1	12
1984	4	2	1	1	-	-	1	-	1	2	12
1985	3	3	1	-	-	-	-	1	1	1	12
1986	3	3	1	-	-	-	1	-	2	2	12
1987	4	4	1	-	-	-	-	1	1	1	12
1988	5	3	2	-	1	1	-	-	-	-	12
1989	4	3	1	-	-	-	1	-	2	1	12
1990	3	3	2	—	-	1	-	1	-	2	12
1991	3	2	2	—	-	-	1	1	2	1	12